● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত


সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

প্ৰেমাসক্তক সুস্থ কৰি তুলিবলৈ কেতিয়াবা এযোৰ শক্তিশালী চছমাৰ প্ৰয়োজন হয় যাতে প্ৰেমাস্পদৰ প্ৰকৃত ছবি সন্মুখলৈ আহে।

ফ্ৰেডেৰিখ নিৎছে
*জাৰ্মান দাৰ্শনিক*



৫ বিশ্বত ২০২১ বৰ্ষত ৪৬ সাংবাদিকক হত্যা
১৫ দক্ষিণ আফ্ৰিকাত উপস্থিত টীম ইণ্ডিয়া
৪ মানৱ প্ৰব্ৰজনৰ ইতিহাসৰ ধাৰা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৭১তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১ পুহ ১৪২৮ ভাস্কৰাব্দ ১৭ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 17 December 2021 মূল্য ঃ ৯.০০ টকা

■ বলপূৰ্বক 'বিল' পাছ কৰাত প্ৰধানমন্ত্ৰী মোদীক ন'বেল বঁটা দিব লাগে ■ প্ৰশিক্ষণ শিবিৰত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী চিদাম্বৰম ■ কংগ্ৰেছৰ প্ৰশিক্ষণ গ্ৰহণ কৰি বিজেপিৰ মুখ্যমন্ত্ৰী হৈছে বহুতেই

# কৰ'নাৰ পূৰ্বেই বিধ্বস্ত দেশৰ অৰ্থনীতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত যেতিয়াৰ পৰাই কেন্দ্ৰত বিজেপি ক্ষমতালৈ আহিল, তেতিয়াৰ পৰা এক নতুন সংসদীয় পৰম্পৰা আৰম্ভ হ'ল। সংসদত যেতিয়াই কোনো নিৰ্দিষ্ট বিধেয়ক উত্থাপন হয়, মতানৈক্য থাকক বা নাথাকক বিতৰ্ক কৰাৰ কোনো সুযোগ দিয়া নহয়। আচলতে মতানৈক্য থাকিলেও বিতৰ্ক কৰিবলৈ দিয়া নহয়, নাথাকিলেও বিতৰ্কৰ সুযোগ দিয়া নহয়। প্ৰতিখন



বিধেয়ক বলপূৰ্বক আইনত পৰিণত কৰা হয়। এয়া প্ৰধানমন্ত্ৰী মোদীয়ে আৱিষ্কাৰ কৰা নতুন সূত্ৰ। তাৰ বাবে তেওঁক ন'বেল বঁটাৰে পুৰস্কৃত কৰিব লাগে। এই মন্তব্য জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পি চিদাম্বৰমৰ।

মহানগৰীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত তিনিদিনীয়াকৈ আয়োজন কৰা দলীয় প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি দ্বিতীয় দিনা অংশগ্ৰহণ কৰি *আঠ পৃষ্ঠাত চাওক*



■ ৰাজহুৱা খণ্ডৰ দুটাকৈ বেংক ব্যক্তিগতকৰণৰ তৎপৰতা কেন্দ্ৰৰ

■ হেজাৰ হেজাৰ খালী পদ পূৰণ নকৰি নিৰ্যাতন চলোৱাৰ অভিযোগ

# বেংক বিষয়া-কৰ্মচাৰীৰ দুদিনীয়া ধৰ্মঘট আৰম্ভ, অসমতো সৰ্বাত্মক প্ৰভাৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা খণ্ডৰ কে'বাটাও বেংক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ প্ৰতিবাদত আজি দেশজুৰি বেংক সেৱা অচল হৈ পৰে। সংযুক্ত বেংক কৰ্মচাৰী ইউনিয়ন (ইউএফবিইউ)য়ে আজিৰ পৰা দুদিনীয়াকৈ আহ্বান জনোৱা ধৰ্মঘটৰ ফলত সৃষ্টি হোৱা এই অচলাৱস্থাৰ সৰ্বাত্মক প্ৰভাৱ অসমতো পৰে। উল্লেখ্য যে ইউএফবিইউ নটা বেংক সংগঠনৰ ঐক্যমঞ্চ।

কেন্দ্ৰীয় চৰকাৰ সংসদৰ চলিত অধিবেশনতে সংশোধিত বেংক ব্যক্তিগতকৰণ বিধেয়ক সদনত উত্থাপনৰ সম্ভাৱনা আছে। চৰকাৰে ইতিমধ্যে কৰা ঘোষণা অনুসৰি চলিত বিত্তীয় বৰ্ষতে চৰকাৰে দুটা ৰাজহুৱা খণ্ডৰ বেংক ব্যক্তিগতকৰণ কৰিব। চৰকাৰে ১.৭৫ লাখ কোটি টকা নিৰ্বিনিয়োজন কৰিব বিচৰাৰ অংশৰূপে বেংক ব্যক্তিগতকৰণৰ *১০ পৃষ্ঠাত চাওক*

■ মহানগৰীত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ৰাজহুৱা শুনানি

# দায়িত্বৰ পৰা পথভ্ৰষ্ট হৈ আৰক্ষীয়ে মানৱাধিকাৰ উলংঘা কৰিব নোৱাৰে

অধ্যক্ষ ন্যায়াধীশ মিশ্ৰৰ সতৰ্কবাণী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** আৰক্ষীৰ হাতত কিয় অস্ত্ৰ, লাঠি দিয়া হৈছে? জনতাৰ নিৰাপত্তা সুনিশ্চিত কৰিবৰ কাৰণে। আৰক্ষীৰ হাতত অস্ত্ৰ, লাঠি আছে বুলিয়েই মানৱ অধিকাৰ উলংঘা কৰাটো সমৰ্থনযোগ্য *১০ পৃষ্ঠাত চাওক*




■ সাহিত্যকাণ্ডাৰীৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী অনুষ্ঠানৰ সামৰণি

# ড° ৰাজখোৱালৈ গোহাঞিবৰুৱা বঁটা



**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১৬ ডিচেম্বৰ ঃ** 'পদ্মনাথ গোহাঞিবৰুৱা অসমৰ প্ৰথমজন ঔপন্যাসিক, অসম সাহিত্য সভাৰ প্ৰথমজন সভাপতি আৰু সদৌ আহোম সভাৰো প্ৰথমজন নেতা। মই ভাবোঁ যে পদ্মনাথ গোহাঞিবৰুৱা অসমীয়া জাতীয় জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মানুহৰ ভিতৰত এজন। কিন্তু সাম্প্ৰদায়িক কাৰণত, বৰ্ণগত কাৰণত পদ্মনাথ গোহাঞিবৰুৱাই সমাজত যিধৰণৰ আসন পাব লাগিছিল, যিধৰণৰ স্বীকৃতি লাভ কৰিব লাগিছিল সেইধৰণৰ স্বীকৃতি লাভ কৰা নাই।' *১০ পৃষ্ঠাত চাওক*

# সাক্ষী-প্ৰমাণৰ অভাৱত দোষী সাৰি যাব নেকি অনিমেষ ভূঞাৰ হত্যাকাৰী?

সাক্ষ্য দিবলৈ অহা নাই প্ৰত্যক্ষদৰ্শী ■ আহ্বান জনাই হতাশ আৰক্ষী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১৬ ডিচেম্বৰ ঃ** দিন-দুপৰতে এজন তেজাল যুৱকক নগৰৰ মাজ-মজিয়াত হানি-খুচি হত্যা কৰা মুহূৰ্তত বাধা দিবলৈ ওলাই নাহি একাংশ লোকে লজ্জানত কৰিছিল যোৰহাটবাসীক। সেই নিৰ্মম ঘটনাটো নীৰৱে প্ৰত্যক্ষ কৰি থকা এইসকল প্ৰত্যক্ষদৰ্শীয়ে পুনৰ বিশ্ববাসীৰ ওচৰত যোৰহাটক লজ্জানত কৰাৰ পৰিৱেশ সৃষ্টি কৰিছে। কিয়নো দেৰগাঁৱৰ ছাত্ৰনেতা অনিমেষ ভূঞাৰ নাৰকীয় হত্যাকাণ্ডৰ জোৰদাৰ তদন্ত চলাই থকা আৰক্ষীৰ ওচৰত সাক্ষী দিবলৈ ওলাই অহা নাই কোনো এজন প্ৰত্যক্ষদৰ্শী। যাৰ বাবে *১০ পৃষ্ঠাত চাওক*

■ একোখন বিলৰ বাবদ উৎকোচ আদায় ছয়-সাত লাখ পৰ্যন্ত ■ মধ্যস্থতাকাৰীৰ জৰিয়তে দুৰ্নীতিগ্ৰস্ত বন বিষয়াৰে বুজাবুজি ■ কমেও ২০টা চোৰাং মাছমৰীয়াৰ দলৰ দৌৰাত্ম্য চলিছে

# অবৈধ মৎস্যচিকাৰত বহু কোটিৰ লেনদেন

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/ৰূপহীহাট, ১৬ ডিচেম্বৰ ঃ** নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অন্তৰ্গত লাওখোৱা আৰু বুঢ়াচাপৰি অভয়াৰণ্যৰ ভিতৰত প্ৰৱেশ কৰি চোৰাং মাছমৰীয়াৰ দলে দলবদ্ধভাৱে মাছ মাৰি থকাটো অতি ৰহস্যজনক বিষয়। ইয়েই প্ৰমাণ কৰে অভয়াৰণ্য দুখনৰ নিৰাপত্তাৰ ফোঁপোলা স্বৰূপ। উল্লেখ্য যে লাওখোৱা আৰু বুঢ়াচাপৰি অভয়াৰণ্যৰ ফৰেষ্ট ৰেঞ্জ অফিচ ক্ৰমে সুঁতিৰপাৰ, গড়াজান, লাওখোৱা আৰু ধনীয়াত অৱস্থিত। অভিযোগ অনুসৰি, এই ৰেঞ্জ অফিচত নিয়োজিত ৰেঞ্জাৰসকলে অভয়াৰণ্যৰ ভিতৰত প্ৰৱেশ কৰি পৰ্যবেক্ষণ নকৰে। ডিএফঅ'ৰেও অভয়াৰণ্যৰ ভিতৰলৈ গৈ পৰিস্থিতিৰ বুজ লোৱাৰ বিপৰীতে জীপৰে মথাউৰিৰ ওপৰে ওপৰেহে নিৰীক্ষণ কৰে। ইপিনে, ৰেঞ্জাৰসকলে ডিঅফঅ'ৰ আগমনৰ বতৰা পালেহে ৰেঞ্জ অফিচৰ পৰা বাহিৰ ওলায় বুলিও অভয়াৰণ্যৰ দাঁতি-কাষৰীয়া অঞ্চলৰ ৰাইজে অভিযোগ তুলিছে। সূত্ৰত প্ৰকাশ যে লাওখোৱা আৰু বুঢ়াচাপৰি অভয়াৰণ্যৰ ভিতৰৰ বিলসমূহৰ কাষতে ফৰেষ্ট কেম্পসমূহ অৱস্থিত। দুৰ্গম সেই বিলসমূহত বন বিভাগৰ লোকে নিতৌ পহৰা দি নাথাকে। যিহেতু উচ্চ পদস্থ *১০ পৃষ্ঠাত চাওক*



*কবি নীলমণি ফুকনক জ্ঞানপীঠ বঁটা বিজয়ৰ বাবে অভিনন্দন জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই, মহানগৰীৰ কবিৰ গৃহত বৃহস্পতিবাৰে।*

■ বৃহৎ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ তথ্য জব্দ

# ৰেলৱেৰ দুই শীৰ্ষস্থানীয় অভিযন্তাৰ সম্পত্তিৰ সমানে দুৰ্নীতিৰ পাহাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** বিষয়াৰ বিয়াগোম দুৰ্নীতিত পথচ্যুত হোৱা উত্তৰ-পূব সীমান্ত ৰেলৱেত চলা চিবিআইৰ অভিযানে কেলেংকাৰিৰ ন ন তথ্য পোহৰলৈ আনিছে। এই কেলেংকাৰিৰ শিপা কেৱল মালিগাঁৱতে সীমাবদ্ধ নাই বুলি নিশ্চিত কৰিছে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে। বৈদ্যুতিক শাখাৰ ধৃত মুখ্য অভিযন্তা ভি কে উপাধ্যায় আৰু উপ-মুখ্য অভিযন্তা ৰণজিৎ কুমাৰ বৰাৰ জৰিয়তে চিবিআই এই সন্দৰ্ভত তথ্য উদ্ধাৰ *আঠ পৃষ্ঠাত চাওক*

একেৰাহে দুনিশা আৰক্ষী থানাৰ লকআপত কটালে প্ৰদীপ বুঢ়াগোহাঁয়ে
■ আজি আদালতত হাজিৰ কৰিব ক্ৰিকেট সন্থাৰ প্ৰাক্তন সম্পাদকক

# দুই শতাধিক ভুৱা বিমান টিকট, ষ্টেডিয়াম ৰং কৰাৰ নামতো লুণ্ঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** একেৰাহে দুনিশা আৰক্ষী থানাৰ লক-আপত কটালে কোটি কোটি টকা আত্মসাৎ কৰি বিলাসী জীৱন কটোৱা অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সম্পাদক প্ৰদীপ বুঢ়াগোহাঁয়ে। যোৱা নিশা মহানগৰীৰ ফটাশিল আমবাৰী আৰক্ষী থানাৰ আৰক্ষীয়ে টিংখাঙত গ্ৰেপ্তাৰ কৰাৰ পাছত আজি এচিএৰ প্ৰাক্তন সম্পাদকজনক গ্ৰেপ্তাৰ কৰা হয়। কাইলৈ তেওঁক আদালতত হাজিৰ কৰাব *আঠ পৃষ্ঠাত চাওক*



সদস্যভৰ্তি অভিযান অব্যাহত সংগঠনৰ

# আলফা (স্বাঃ)ত যোগদানৰ উদ্দেশ্যে দুই যুৱক সন্ধানহীন

**ফিল'ৰাৰী, ১৬ ডিচেম্বৰ ঃ** একপক্ষীয় যুদ্ধবিৰতি ঘোষণা কৰা আলফা (স্বাধীন)ই সদস্যভৰ্তি অভিযান অব্যাহত ৰাখিছে। বিগত কিছুদিনত তিনিচুকীয়া জিলাৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈৰ লগতে কৰ্দৈগুৰিৰ তিনি যুৱকে সংগঠনটোত যোগদান কৰাৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা বহু যুৱক-যুৱতীয়ে আলফা (স্বাঃ)লৈ গমন কৰাৰ তথ্য *আঠ পৃষ্ঠাত চাওক*

# বিটিচিত প্ৰমোদ বড়োৱে আৰম্ভ কৰিলে জনতাৰ দৰবাৰ

সমস্যাৰ বুজ ল'ব

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১৬ ডিচেম্বৰ ঃ** 'বিটিচিত এতিয়া ভয় নাই, শান্তিৰ পৰিৱেশ ঘূৰি আহিছে।' এই মন্তব্য বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ। বিটিচিত বড়ো নেতৃত্বাধীন মিত্ৰজোঁটৰ পৰিষদখনে কালি এটা বছৰৰ কাৰ্যকাল পূৰ্ণ কৰে। ইয়াৰ পাছতে আজি কোকৰাঝাৰ চহৰৰ সমীপৱৰ্তী হৰিণাগুৰীত বিটিচি পৰিষদৰ উদ্যোগত অনুষ্ঠিত 'ভিলেজ কাউন্সিল এছেম্বলি' শীৰ্ষক এখন জনতাৰ দৰবাৰত *আঠ পৃষ্ঠাত চাওক*

■ তেজপুৰত পদ্মনাথ গোহাঞিবৰুৱাৰ আৱক্ষ মূৰ্তি উন্মোচন পীযুষৰ

# কাৰ্যালয়-আদালতত ব্যৱহাৰ নহ'লে অনতিপলমে লোপ পাব অসমীয়া ভাষা

স্মাৰকপত্ৰ অভাউসাসৰ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৬ ডিচেম্বৰ ঃ** সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ ১৫০ বছৰীয়া জন্মজয়ন্তী বৰ্ষৰ পৰাই ব্যৱসায়-বাণিজ্য আৰু চৰকাৰী কাৰ্যালয়সমূহত অসমীয়া ভাষা ব্যৱহাৰৰ আহ্বানেৰে আজি শোণিতপুৰৰ উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে অসমীয়া ভাষা উন্নতি সাধিনী সভাই। সাহিত্য কাণ্ডাৰীজনৰ স্মৃতি বিজড়িত সংস্থাটোৱে আজি *১০ পৃষ্ঠাত চাওক*



মোদী কেবিনেটৰ পদক্ষেপ ■ লিংগ সমতা স্থাপন-কম বয়সত সন্তান জন্ম ৰোধৰ পৰিকল্পনা

# কন্যাৰ বিবাহৰ বয়স ২১ বছৰলৈ বৃদ্ধি শীঘ্ৰে

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৬ ডিচেম্বৰ ঃ** কন্যাৰ বিবাহৰ বৈধ বয়স হ'ব ২১ বছৰ। বৰ্তমান ১৮ বছৰ বয়সতে এগৰাকী কন্যাই বিবাহৰ উপযুক্ততাৰ বৈধতা লাভ কৰে। আনহাতে, পুৰুষৰ বিবাহৰ বৈধ বয়স ২১ বছৰ। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা শেহতীয়া পদক্ষেপৰ ফলত পুৰুষ-মহিলাৰ বৈধ বিবাহৰ বয়স একে হ'ব। কেন্দ্ৰৰ



নৰেন্দ্ৰ মোদী চৰকাৰৰ কেবিনেটে কালি কন্যাৰ বিবাহৰ বৈধ বয়স বৰ্তমানৰ ১৮ৰ পৰা ২১ বছৰলৈ বৃদ্ধিৰ সিদ্ধান্ত লয়। এই সিদ্ধান্তৰ ফলত কেন্দ্ৰই পুৰুষ-মহিলাৰ বিবাহ উপযুক্ততাৰ বয়স সমপৰ্যায়ৰ কৰিব। মনকৰিবলগীয়া যে বাল্য বিবাহ ৰোধ আৰু নাবালিকাক আতিশয্যৰ পৰা ৰক্ষা কৰিবলৈ আইনৰ জৰিয়তে বিবাহৰ *১০ পৃষ্ঠাত চাওক*

## প্ৰসংগ গান্ধীজী ঃ খণ্ডিত আত্মা

দেশ-কাল-সমাজ

ড° দীনেশ বৈশ্য



অখণ্ড ভাৰতবৰ্ষ দুটা খণ্ডত বিভক্ত হৈ স্বাধীন হৈছিল। আচলতে সেয়াই আছিল ভাৰতবৰ্ষৰ পৰাধীনতা। ভাৰতবৰ্ষ স্বাধীন হ'ল; কিন্তু ভাৰতবৰ্ষৰ মানুহৰ মানৱতা, মানৱীয় মূল্যবোধ, মানৱতাৰ আত্মাৰ পৰাজয় হ'ল। ৭০ বছৰ আগতে ভাৰতবৰ্ষ দুটা খণ্ডত বিভক্ত হৈছিল, সেই বিভাজনৰ ধাৰাবাহিকতা আজিও থাকি গ'ল। বিভাজিত ভূখণ্ডত সেই বিভাজনৰ বিষবৃক্ষ আজিও *১০ পৃষ্ঠাত চাওক*


# নগাঁৱৰ জিডি নাৰ্ছিংহোমত প্ৰসূতিৰ মৃত্যুক কেন্দ্ৰ কৰি তীব্ৰ উত্তেজনা

মৃতকৰ আত্মীয়ই লণ্ডভণ্ড কৰিলে ব্যক্তিগত হাস্পতাল



**বিশেষ সংবাদদাতা**
**নগাঁও, ১৬ ডিচেম্বৰ ঃ** নগাঁও চহৰৰ এএছটিচিৰ এনআৰএল পেট্ৰ'ল পাম্পৰ সমীপৰ জি ডি নাৰ্ছিংহোমত আজি পুৱা এগৰাকী প্ৰসূতিৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আনকি মৃত প্ৰসূতিগৰাকীৰ *১০ পৃষ্ঠাত চাওক*

# বনৰীয়া হাতীৰ গচকত দুটি শিশুৰ মৃত্যু জামুগুৰিহাটত



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ১৬ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ উত্তৰ অঞ্চলত ক্ৰমাৎ বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত। নামেৰী বনাঞ্চলৰ পৰা ওলাই অহা বনৰীয়া হাতীয়ে নিতৌ ঘৰ-দুৱাৰ *১০ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১৩° |
| ডিব্ৰুগড় | ২৬° | ১২° |
| দিল্লী | ২০° | ০৯° |
| কলকাতা | ২৪° | ১৫° |
| মুম্বাই | ২৯° | ২২° |
| চেন্নাই | ২৮° | ২৪° |
| বাংগালুৰু | ২৭° | ১৭° |
| শ্বিলং | ১৯° | ০৬° |

*১৬ ডিচেম্বৰ, ২০২১*

## চেঙা তেল



*নাই নাই নহ'ব! ছাৰক লগ নাপাব! দেখা নাই, কি পৰিস্থিতি! ছাৰে দৌৰ প্ৰেকটিছ কৰিবলৈ গৈছে!*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৭ ডিচেম্বৰ, ২০২১ শুকুৰবাৰ পৃষ্ঠা তিনি

## বিলাসনন্দন চ'ৰা



# মন্দিৰে মন্দিৰে চাকৰি

**চকু** চৰহাবোৰে চকুবোৰ পিহি পিহি এনেয়ে কথাবোৰ কৈ থাকিলে নহয়তো! চান্স পালেই তেৰাসৰে বলকি থাকে যে দিল্লীৰ দৰবাৰে এক কোটি চাকৰি দিব বুলি কৈছিল, দুই কোটি চাকৰি দিব বুলি কৈছিল, ক'ত গ'ল সেইবোৰ চাকৰি? এতিয়া দেখোন এপদ এপদকৈ সৱ প্ৰাইভেট কোম্পানীক বেচিয়ে দিলে! চৰকাৰী চাকৰি বোলা বস্তুটোতো লাহে লাহে নোহোৱাই হ'বলৈ ধৰিছে। সৱতো কোম্পানীৰ চাকৰিয়ে হৈ গৈছে। কোম্পানীৰ চাকৰিবোৰতো কোম্পানীয়েহে দিব, চৰকাৰেতো দিব নোৱাৰে। তেন্তে সেই প্ৰতিশ্ৰুতিবোৰ ক'ত গ'ল? ধোঁৱাচাঙত উঠিল নেকি? এইবোৰ কথা শুনিলে দিল্লীৰ বাদশ্বাহৰ খঙে দাড়িৰ আগ পায়গৈ। আগেয়ে চুলিৰ আগ পাইছিল। কিন্তু তেওঁ দেখিলে যে খংবোৰে গৈ যেতিয়া চুলিৰ আগ পায়, তাৰ পৰা আৰু যাবলৈ কোনো জাগা নাপাই ধোঁৱা হৈ বতাহত বিলীন হৈ যায়। ফলত কি হয়, খংবোৰ চুলিৰ আগ পোৱাৰ পাছত বৰ বেছি সময় নিটিকে। কিন্তু দাড়িখিনি বুকুত লাগি থাকে। গতিকে খংখিনি দাড়িৰ আগ পালে সি গৈ বুকুত বা কলিজাত থিতাপি লয় আৰু বহুদিনলৈ টিকি থাকে। তেতিয়া কমচে কম গালি দিয়াবোৰৰ ওপৰত চুটকেছৰ পৰা উলিয়াই উলিয়াই কেছ জাপি দি ৰঙাঘৰত ভৰাব পাৰি আৰু ৰঙাঘৰৰ পৰা গেৰুৱা কৰি উলিয়াই আনিব পাৰি। সেই কাৰণে আজি-কালি বাদশ্বাহৰ খংবোৰে চুলিৰ আগ নাপায়, দাড়িৰ আগহে পায়। চাকৰিৰ এই মহঙা দিনতো বাদশ্বাহে কিন্তু দুটা চাকৰি পূৰ্ণৰূপৰ টিকাই ৰাখিছে, তাত নিতৌ যুক্তিহীনভাৱে নিযুক্তিও চলি আছে। সেইবোৰ হ'লে চকু চৰহাবোৰে কেতিয়াও নেদেখে। বৰ্তমান কোনো মান নোহোৱা লাভজনক চাকৰিটোৱে হ'ল বিপিএলৰ চাকৰি। মাহে মাহে একাউণ্টত টকা সোমায়, বিশুদ্ধ খোৱাপানীৰ পৰা ফ্ৰি চিলিণ্ডাৰকে ধৰি কত কিমান ফেচিলিটী! বিপিএলৰ চাকৰিয়াল যিমানে বাঢ়িব, সিমানে বাদশ্বাহৰ চাকৰিও খাটাং। আপাৰ




ক্লাছে আটাইবোৰ কিনি দেছ চলাই থাকিব আৰু বিপিএলে ফেচিলিটীজবোৰ বন্ধ হোৱাৰ ভয়ত ই ভি এমৰ বুটামটো টিপি থাকিব। আৰু বৰ বেছিকৈ শ্ল'গান গোৱা মিডল ক্লাছটোক সকলো ফালেদি মাধমাৰ দি ক্লাছলেছ কৰি কঁকাল ভঙাই দি পোতাশালত পেলাই থ'ব। এয়াই দিল্লীৰ দৰবাৰৰ 'দৰিদ্ৰৰ ভোট অভিজাতৰ নোট' নীতি, যাক শুনিবলৈ ভাল লগা কৰি কোৱা হয় 'সবকা সাথ সবকা বিকাশ।' আনটো চাকৰি হ'ল অন্ধভক্তৰ চাকৰি। এই পোষ্টটোতো নিতৌ নিযুক্তি চলি আছে। নিযুক্তি পোৱাটো তেনেই সহজ। অন্ধ ভক্তৰ চাৰ্টিফিকেটখন দেখুৱাই দিয়ক আৰু বনি যাওক কোনো চেনেলৰ এংকৰ। দৰমহাও ভাল, গ্লেমাৰো আছে। দায়িত্ব এটাই—গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক গণতন্ত্ৰৰ লম্ফ-জম্ফত পৰিণত কৰা।

তথাপি বাদশ্বাহে থমকি ৰোৱা নাই। তেওঁ ফিল কৰিছে যে তিনিশ কোটিৰ দেছখনত এতিয়াও বহুতে চাকৰি পাবলৈ বাকী আছে। লক্ষ লক্ষ বেকাৰ পৰি আছে। ঘৰে ঘৰে বেকাৰৰ হাহাকাৰ চলি আছে। গতিকে দিনে-ৰাতিয়ে বাদশ্বাহে এওঁলোকৰ সংস্থাপনৰ মাথা মাৰি আছে। কিন্তু স্থাপন কৰিবনো ক'ত? চৰকাৰী অফিচ বুলিতো একো নোহোৱাই হ'ল। সৱতো কোম্পানীৰ অফিচেই হ'ল। তথাপি বাদশ্বাহে মাথা মাৰিবলৈ এৰা নাই। বহু ভাবি-চিন্তি বাদশ্বাহে এদিন হঠাতে চিঞৰি উঠিল—পাই গ'লো!

ৰাজসভাত ভৰি দিয়ে বাদশ্বাহৰ মুখেদি এই শব্দ দুটাই প্ৰচণ্ড আত্মবিশ্বাসেৰে নিৰ্গত হ'ল—পাই গ'লো!

ৰাজসভাৰ বাকী দৰবাৰীবোৰে সুধিলে— 'কি পাই গ'ল জাহাপনা?'

ঃ আইডিয়া।

ঃ কিহৰ আইডিয়া?

ঃ ক'ত চাকৰি দিম তাৰেই আইডিয়া।

ঃ বুজা নাই জাহাপনা!

বাদশ্বাহে বুজাব ধৰিলে— 'চোৱা, আমাৰ দেছত বহু বেকাৰ আছে। সিহঁতক চাকৰি দিব লাগে। কিন্তু চৰকাৰী অফিচবোৰতো বেচি দি আমি সৱ প্ৰাইভেট অফিচ কৰি পেলাইছো। চাকৰি দিবলৈ জাগা নোহোৱা হৈছে। গতিকে মই কি ভাবিছো জানা?'

ঃ কি?

ঃ চাকৰি দিবলৈ নতুন নতুন অফিচ বনাব লাগিব।

ঃ হয় জাহাপনা!

ঃ এই অফিচবোৰক কি বোলা হ'ব জানা?

ঃ কি জাহাপনা?

ঃ মন্দিৰ!

আটায়ে ইজনে সিজনৰ মুখলৈ চালে। বাদশ্বাহে ক'লে— 'মন্দিৰ বেছিকৈ বনালে পুৰোহিত, যোগালি, ফুল-দুবা-তুলসী তোলা মানুহ, বিধি পঢ়া মানুহকে ধৰি বহু চাকৰি ওলাব।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# চামগুৰি মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ প্ৰাৰ্থীৰ পৰা ধন সংগ্ৰহক লৈ ক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ১৬ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি মহাবিদ্যালয়ত সমাগত ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থিত্ব প্ৰত্যাশী ছাত্ৰ-ছাত্ৰীৰ পৰা বুজন পৰিমাণৰ মাচুল সংগ্ৰহক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ছাত্ৰ একতা সভাৰ ১৩ টা পদৰ বাবে প্ৰাৰ্থিত্ব প্ৰত্যাশী একোজন ছাত্ৰ-ছাত্ৰীৰ পৰা চাৰিটা পদত তিনি হেজাৰ আৰু বাকী সাধাৰণ পদত দুহেজাৰ টকাকৈ মহাবিদ্যালয় কৰ্তৃপক্ষই সংগ্ৰহ কৰাক কেন্দ্ৰ কৰিয়েই এই বিতৰ্কৰ সূত্ৰপাত ঘটিছে। সমাগত ছাত্ৰ একতা সভাৰ নিৰ্বাচন পৰিচালনা সমিতিয়ে মনোনয়ন দাখিল কৰিবলগীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা মোটা অংকৰ ধন সংগ্ৰহক কেন্দ্ৰ কৰি এতিয়া মহাবিদ্যালয়খনত ক্ষোভৰ উদ্‌গীৰণ ঘটিছে। মহাবিদ্যালয়খনৰ নিৰ্বাচন পৰিচালনা সমিতিয়ে ধাৰ্য কৰা মাচুল অনুসৰি সভাপতি, সাধাৰণ সম্পাদক, ক্ৰীড়া সম্পাদক আৰু আলোচনী সম্পাদক পদৰ ইচ্ছুক প্ৰাৰ্থীয়ে তিনি হেজাৰ টকাকৈ মনোনয়নপত্ৰ দাখিলৰ লগত পৰিশোধ কৰাৰ বিপৰীতে আন কেইটা পদত ইতিমধ্যে দুহেজাৰ টকাকৈ পৰিশোধ কৰিবলগীয়া হৈছে। মহাবিদ্যালয় কৰ্তৃপক্ষই ইতিমধ্যে অহা ২১ ডিচেম্বৰত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি মহাবিদ্যালয়খনত মনোনয়ন দাখিল কৰাৰ অন্তিম সময় আছিল। মহাবিদ্যালয় কৰ্তৃপক্ষই নীতি বহিৰ্ভূতভাৱে মনোনয়নৰ নামত অধিক হাৰত মাচুল সংগ্ৰহৰ এনে হঠকাৰী সিদ্ধান্তই প্ৰকৃততে গ্ৰামাঞ্চলৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক গণতান্ত্ৰিক নিৰ্বাচনী প্ৰক্ৰিয়াৰ *ছয় পৃষ্ঠাত চাওক*

## সোঁতৰ বিপৰীতে



■ কোকৰাঝাৰত আক্ৰাছুৰ বিস্ফোৰক অভিযোগ ■চৰকাৰৰ বিৰুদ্ধে দিছপুৰত ধৰ্ণা

# কোচ ৰাজবংশীক বিভাজনেৰে হত্যা কৰিব বিচাৰিছে চৰকাৰে



*জনজাতিকৰণৰ দাবীত ডিগবৈত মন্ত্ৰী ৰামেশ্বৰ তেলী-সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ প্ৰতিকৃতি দাহ আদিবাসী ছাত্ৰ সন্থাৰ, বৃহস্পতিবাৰ।*

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৬ ডিচেম্বৰ ঃ** 'অসমৰ কোচ ৰাজবংশীসকলক বিজেপি চৰকাৰে বিভাজনৰ ৰাজনীতিৰে হত্যা কৰিব বিচাৰিছে।' এই অভিযোগ সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ। আজি কোকৰাঝাৰত এক সংবাদমেলত আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি বলোৰাম বৰ্মন আৰু সাধাৰণ সম্পাদক সোণাধৰ ৰায়ে কয় যে কেন্দ্ৰ আৰু ৰাজ্যৰ শাসকীয় বিজেপি নেতৃত্বাধীন চৰকাৰে কোচ-ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ আৰু জাতীয় সমস্যা সমাধানত কোনো ধৰণৰ সদিচ্ছা প্ৰকাশ কৰা নাই। অসমৰ বৃহত্তৰ জনগোষ্ঠী হিচাপে পৰিচিত কোচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় সমস্যাসমূহ বিগত তিনি দশক ধৰি পূৰ্বৰ কোনো এখন চৰকাৰে গুৰুত্ব নিদিয়াক লৈ উদ্বেগ ব্যক্ত কৰে। বিজেপি চৰকাৰখনেও আজিলৈকে ক্ষমতাৰ বাঘজৰী লৈ জনগোষ্ঠীটোৰ সমস্যালৈ পিঠি দি আহিছে। সংবাদমেলত আক্ৰাছুৰ নেতা দুজনে কেন্দ্ৰ আৰু ৰাজ্যত বিজেপিৰ চৰকাৰ থকাৰ পাছতো কোচ ৰাজবংশী জনগোষ্ঠীসকলৰ সমস্যা সমাধানৰ পৰিৱৰ্তে কেৱল ন ন ৰাজনীতি কৰি আহিছে বুলি অভিযোগ কৰি কয়, 'মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে কোচ ৰাজবংশীসকলৰ বৈশিষ্ট্যৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰক প্ৰদান নকৰি জঘন্য ৰাজনীতিত লিপ্ত *ছয় পৃষ্ঠাত চাওক*

# মৰিগাঁৱত মথাউৰি নিৰ্মাণৰ বাবে অনুমোদন ঃ নাবাৰ্ডৰ বৃহৎ পেকেজ ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ১৬ ডিচেম্বৰ ঃ** ১৯৬৯ৰ পৰা মৰিগাঁও জিলাৰ উত্তৰ-পশ্চিমাঞ্চলত আৰম্ভ হোৱা ব্ৰহ্মপুত্ৰৰ খহনীয়াই ক্ৰমে ভূৰাগাঁও, লাহৰীঘাট মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত ইখনৰ পাছত সিখন ৰাজহ গাঁও নিশ্চিহ্ন কৰে। তিনিটা ৰাজহ চক্ৰৰ ১২০খনৰো অধিক গাঁও নদীত জাহ যোৱাৰ পাছত ভূৰাগাঁও ৰাজহ চক্ৰৰ ১৬ হেজাৰ, লাহৰীঘাট ৰাজহ চক্ৰৰ ১২ হেজাৰ আৰু মায়ং ৰাজহ চক্ৰৰ পাঁচ হেজাৰ পৰিয়াল গৃহহীন হৈছে। তিনিওটা *ছয় পৃষ্ঠাত চাওক*

■ জনস্বাস্থ্য কাৰিকৰী-পশু চিকিৎসা বিভাগৰ আঁচনি ৰূপায়ণত ক্ষোভ ৰাইজৰ

# উজ্জ্বলপুৰ গাঁও পঞ্চায়তৰ গাঁও সভাত উপস্থিত নাথাকিল কৃষি বিভাগৰ প্ৰতিনিধি

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৬ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত উজ্জ্বলপুৰ গাঁও পঞ্চায়তৰ লখিমপুৰ উন্নয়ন খণ্ডৰ ২০২২-২৩ বিত্তীয় বৰ্ষৰ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনাৰ চূড়ান্তকৰণ সন্দৰ্ভত আজি অনুষ্ঠিত বিশেষ গাঁওসভাত কৃষি বিভাগকে ধৰি গৰিষ্ঠ সংখ্যক গুৰুত্বপূৰ্ণ বিভাগৰ বিষয়া-প্ৰতিনিধি অনুপস্থিত থকাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে এই গাঁওসভাত জিলা, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ নতুন পৰিকল্পনাৰ উদ্দেশ্যে আটাইকেইটা বিভাগৰ আঁচনিসমূহৰ সন্দৰ্ভত আলোকপাত কৰা হয় যদিও কৃষি বিভাগ, সমবায় *ছয় পৃষ্ঠাত চাওক*




দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ১ পুহ ১৪২৮ ভাস্কৰাব্দ ১৭ ডিচেম্বৰ ২০২১



## চকু দিব কোনে?

**কেন্দ্ৰীয়** চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ে এক জাননীযোগে অসমৰ দীপৰ বিলৰ জৈৱ পৰিৱেশ সংবেদনশীল স্পৰ্শকাতৰ অঞ্চল (ইক' ছেন্‌ছিটিভ জ'ন)ৰ সীমা বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰাত সচেতন মহলৰ মাজত আশাৰ সঞ্চাৰ হৈছিল। কেন্দ্ৰীয় চৰকাৰে দীপৰ বিলৰ জৈৱ পৰিৱেশৰ গুৰুত্বক স্বীকৃতি প্ৰদান কৰি দেশৰ অন্যতম এখন বৃহৎ জলাশয় হিচাপে ইয়াৰ সংৰক্ষণ আৰু সুৰক্ষা ব্যৱস্থা গঢ়ি তোলাৰ সিদ্ধান্ত লৈছে। উল্লেখ্য যে ভাৰত ৪৬ খন ৰামছাৰ ছাইটছ অথবা ৰামছাৰ জলাশয় অঞ্চলৰ ভিতৰত অসমৰ দীপৰ বিল অন্তৰ্ভুক্ত হৈ আছে। ৰামছাৰ জলাশয় অঞ্চল হিচাপে সেইবিলাক জলাশয়ক বুজায়, যিবিলাক আন্তঃৰাষ্ট্ৰীয়ভাৱে গুৰুত্বপূৰ্ণ। গুৱাহাটীৰ দীপৰ বিল জলাশয় অঞ্চল এক বৃহৎ জৈৱ-বৈচিত্ৰ্য তথা জৈৱ পৰিৱেশ অঞ্চল হিচাপে স্বীকৃত হৈ আহিছে। কেন্দ্ৰীয় মন্ত্ৰণালয়ৰ মতে দীপৰ বিল অঞ্চল জৈৱ-বৈচিত্ৰ্যৰে সমৃদ্ধ হৈ আছে আৰু সেয়ে ইয়াক সংৰক্ষণ কৰা আৰু সুৰক্ষিত ৰখাৰ প্ৰয়োজন হৈছে। উল্লেখ্য যে এই জৈৱ-বৈচিত্ৰ্য অঞ্চলতেই বৰ্তমান ঔদ্যোগিক কাৰ্যকলাপ, বেদখল আৰু মানুহৰ বসতি স্থাপন আদিয়ে ইয়াৰ প্ৰতি ভাবুকি আনিছে। দীপৰ বিলৰ দক্ষিণ-পশ্চিম অঞ্চলত ব্যাপক হাৰত মানুহৰ বসতি স্থাপন হৈছে আৰু তথাকথিত উন্নয়নমূলক কাৰ্যকলাপ চলি আছে। ঔদ্যোগিক আৰু মহানগৰৰ বৰ্জিত পদাৰ্থ পেলোৱাৰ ফলত অঞ্চলটোৰ জৈৱ বৈচিত্ৰ্য তথা জৈৱ পৰিৱেশ অসুৰক্ষিত হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰে দীপৰ বিলত অব্যাহত থকা এনে ধৰণৰ ক্ষতিকাৰক কাৰ্যকলাপ বন্ধ কৰিব বিচাৰে বুলি আশা কৰা আশা কৰা হৈছিল যদিও কাৰ্যক্ষেত্ৰত সেয়া নহ'ল।। দীপৰ বিলৰ জৈৱ পৰিৱেশ স্পৰ্শকাতৰ অঞ্চলটোৰ পৰিসীমা বহলোৱাৰ ফলত মানুহৰ বসতি স্থাপন, বিভিন্ন ঔদ্যোগিক কাৰ্যকলাপ বেআইনী হৈ পৰিব আৰু এনে ক্ষতিকাৰক কাৰ্যকলাপ চৰকাৰে আইন অনুসৰি বন্ধ কৰিব পাৰিব। স্মৰ্তব্য যে যোৱা ২০০২তেই কেন্দ্ৰীয় চৰকাৰে দীপৰ বিলক ৰামছাৰ ছাইট হিচাপে ঘোষণা কৰিছিল। অসমৰ এই বৃহৎ জলাশয় দীপৰ বিল অঞ্চল ২১১৯টা প্ৰজাতিৰ চৰাই আৰু ৭০ প্ৰজাতিৰ পৰিভ্ৰমী পক্ষীৰ আশ্ৰয় স্থল। ইয়াৰে এটা অঞ্চল গড়ভঙা আৰু ৰাণী সংৰক্ষিত বনাঞ্চল অন্তৰ্ভুক্ত হৈ আছে, যি অঞ্চল হাতীৰ বাসস্থান হিচাপে পৰিচিত; কিন্তু মানুহৰ বেদখল আৰু বসতি স্থাপন, ঔদ্যোগিক প্ৰতিষ্ঠান স্থাপন, আৱৰ্জনা পেলোৱা আদি কাৰ্যকলাপে দীপৰ বিলৰ পৰিসীমা সংকুচিত কৰিছে। উল্লেখ যে মুঠ ছহেজাৰ হেক্টৰ অঞ্চলটোৰ ৩৫ শতাংশ বেদখলৰ কবলত পৰিছে। স্থানীয় ৰাইজ, বিভিন্ন প্ৰকৃতিপ্ৰেমী সংগঠন, ছাত্ৰ-যুৱকৰ সংগঠন তথা সংবাদ মাধ্যমে দীপৰ বিলত হোৱা বেদখলৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ পাছতো চৰকাৰে ইয়াক বেদখলমুক্ত কৰিব পৰা নাই। ফলত দীপৰ বিল অঞ্চলৰ ৩৫ শতাংশ বেদখলকাৰীৰ কবলত পৰিল। সেয়ে কেন্দ্ৰীয় চৰকাৰে দীপৰ বিলৰ সংৰক্ষণ আৰু ইয়াক সুৰক্ষিত ৰখাৰ উদ্দেশ্যে জাননী জাৰি কৰি দীপৰ বিলৰ ইক'ছেনছিটিভ জ'নৰ পৰিসীমা বৃদ্ধি কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছিল। সেই মৰ্মে দীপৰ বিলৰ বৰ্দ্ধিত পৰিসীমাৰ অন্তৰ্গত অঞ্চলত মানুহৰ বেদখল, ঔদ্যোগিক কাৰ্যকলাপ আদি বেআইনী হ'ব আৰু এনে ক্ষতিকাৰক কাৰ্যকলাপ চৰকাৰ-প্ৰশাসনে তথা বন বিভাগে বন্ধ কৰিব পাৰিব বুলি আশা কৰা হৈছিল।

উল্লেখ্য যে অসমখন এটা সময়ত পুখুৰী, খাল-ডোং-বিল আদি জলাশয়ৰে ভৰি আছিল; কিন্তু ইয়াৰ বেছিভাগেই কালৰ বুকুত হেৰাই গ'ল। ব্যাপক বেদখল, কৃষিকৰ্ম, ঔদ্যোগিক প্ৰতিষ্ঠান স্থাপন আদি কাৰ্যকলাপৰ ফলত অসমৰ খাল-বিল-পুখুৰী আদি জলাশয় অঞ্চলবিলাক পোত গ'ল, শুকাই গ'ল, হেৰাই গ'ল। পৰিৱেশ, জৈৱ-বৈচিত্ৰ্য আৰু প্ৰাকৃতিক সম্পদ ৰক্ষা কৰাত অসমৰ মানুহ আৰু অসম চৰকাৰ, প্ৰশাসন সফল নহ'ল। জৈৱ পৰিৱেশ, জৈৱ-বৈচিত্ৰ্যৰ মূল্য তথা গুৰুত্ব চৰকাৰ তথা ৰাইজে বুজিব নোৱৰাটো অতি দুৰ্ভাগ্যজনক। অসমবাসীয়ে এই কথা পাহৰি যোৱা উচিত নহ'ব যে ৰাজ্যখনৰ খাল-বিল-পুখুৰী আদি জলাশয় সমূহক লৈ প্ৰকৃততে জৈৱ-বৈচিত্ৰ্য আৰু জৈৱ পৰিৱেশ সৃষ্টি হৈছে। জলাশয়সমূহ ধ্বংস হ'লে জৈৱ-বৈচিত্ৰ্য তথা জৈৱ পৰিৱেশো ধ্বংস হ'ব। এনে ঘটনাই জলবায়ু পৰিৱৰ্তন অনাত অৰিহণা যোগাব। ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগ, খৰাং বতৰ, শস্য বিনষ্টকাৰী কীট-পতংগৰ প্ৰাদুৰ্ভাৱে দেখা দিব। কৃষিভিত্তিক অসমত নানান সংকটে দেখা দিব।

## খো লা ম ঞ্চ

### অসমীয়াৰ বৰ্ণাঢ্য সাজ-পাৰবোৰ হেৰাই যাব নেকি?



**অসমখন** বিভিন্ন জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ। অসমত বিভিন্ন ভাষা, বিভিন্ন পৰম্পৰা, সংস্কৃতি, নীতি- নিয়ম, খাদ্য আৰু সাজ-পাৰৰ সমাহাৰ আছে। এইবোৰৰ জৰিয়তে চিনাকি হয় এটা জাতিৰ। আমি অসমীয়া, অসমখনক লৈ সদায় গৌৰৱ কৰি আহিছো; কিন্তু এতিয়া লাহে লাহে সকলো বস্তুৰেই সলনি হৈ গৈ আছে, মানুহবোৰ যিমানে শিক্ষিত হৈ গৈছে সিমানে বেছি আধুনিক হোৱা যেন অনুভৱ নহয়নে? এই আধুনিকতাৰ লগত কেৱল অসমীয়াৰে নহয় সমগ্ৰ অসমৰে পৰিৱৰ্তন ঘটিছে। সময়ৰ লগত পৰিৱৰ্তন হ'ব লাগে পিছে এনেকুৱা পৰিৱৰ্তন য'ত নিজৰ পৰম্পৰা-সংস্কৃতিৰ লগতে সাজ-পাৰ পৰ্যন্ত সলনি হৈ যাবলৈ আৰম্ভ হৈছে। এয়া কি পৰিৱৰ্তন, যিয়ে অসমীয়াক অসমীয়া হিচাপে চিনাকি দিবলৈ লাজ কৰে!

আইতা, মা, মাহী, মামী, বৰমাহঁতে পিন্ধি থকা ৰিহাখন আৰু মেখেলা-চাদৰযোৰৰ যি সৌন্দৰ্য তাৰ তুলনাত বেলেগ কাপোৰ পিছ পৰি ৰয়। আমাৰ মেখেলা-চাদৰযোৰে এগৰাকী নাৰীক যিমান ধুনীয়া কৰি তোলে অন্য কাপোৰ আধুনিক হ'লেও কোনো সৌন্দৰ্য নাই বুলি ভাবো। নাৰীসকলৰ দৰে পুৰুষ সমাজৰো সাজ- পাৰৰ সুকীয়া স্থান এটা আছে। বিয়াত পিন্ধা কইনাই সেই বগা পাটৰ কাপোৰযোৰ আৰু দৰাই পিন্ধা পাটৰ চোলা আৰু ধুতিখনৰ কথাই বেলেগ। কেৱল কইনা বুলিয়ে নহয় আমাৰ অসমত পিন্ধা পাটকাপোৰৰ সৌন্দৰ্য অতুলনীয়, কিন্তু আজিৰ দিনত যেন নতুন প্ৰজন্মই গ্ৰহণ কৰিব পৰা নাই। অসমীয়া কপোৰবোৰ বিকৃত ৰূপত পিন্ধা আৰম্ভ কৰিছে। উদাহৰণ স্বৰূপে কইনাই পিন্ধা পাটৰ কাপোৰযোৰ এতিয়া লেহেংগা ৰূপত বিয়াত পিন্ধিব লৈছে। পাটৰ কাপোৰযোৰ মেখেলা-চাদৰ হিচাপে পিন্ধিলে কি বেয়া দেখি? বাহিৰৰ প্ৰভাৱটো অসমত কিয় পৰিলে? ক'বলৈ গ'লে আমি চিএঙৰি থাকো আমি অসমীয়া। পিছে অসমীয়াই অসমখনক বেলেগ দিশে লৈ যোৱা নাই নে?

**মীনাক্ষী মজুমদাৰ ডেকা,** *লেখিকা*

আজিৰ সমাজত কোনে ক'ত কি ধৰণৰ কাপোৰ পিন্ধি যাব লাগে ক'ত কি পিন্ধিলে ভাল দেখি সেই বিষয়ে একো নাজানে। বিশেষকৈ আজিৰ যুৱ প্ৰজন্মই নিজৰ পৰম্পৰা-সংস্কৃতি সাজ-পাৰক লৈ বৰ ইতিকিং কৰে। নীতি-নিয়ম মানি চলিবলৈ হেলা কৰে। তাৰ ফলস্বৰূপে অসমীয়া সমাজখন বিশৃংখল হ'বলৈ লৈছে। নিজৰ বিহু, বিহুৰ লগত যি সাজ-পাৰ পিন্ধি নৃত্য কৰে, তাৰো সাল-সলনি কৰিবলৈ পিছ পৰি থকা নাই। টি ভি ত দেখা চিনেমা, ধাৰাবাহিক গীতসমূহৰ পৰা নিজকে সলনি কৰোঁত কৰোঁতে ইমানে আধুনিক হৈ পৰিছে যে লাজ কি বস্তু গমে নাপায়। এইটো সচাঁ কথা যে যিসকলে বাহিৰত চাকৰি কৰে তেওঁলোকে সদায় মেখেলা-চাদৰ, ধুতি-চুৰিয়া পিন্ধি অফিচলৈ যাব নোৱাৰে, সেয়েহে সহজে পিন্ধি যাব পৰা কাপোৰে পৰিধান কৰে। ইয়াত বেয়া পাব লগা একো নাই; কিন্তু বিয়া, সভা অনুষ্ঠানত নাইবা পূজা বা বিহু বুলিতো নিজৰ পৰম্পৰাৰ সাজযোৰ পিন্ধিব পাৰি । মই এইটো ক'ব বিচৰা নাই যে আধুনিক বস্ত্ৰ নিপিন্ধিব। মাৰ্জিত কাপোৰত সদায় ছোৱালী-বোৱাৰী শুৱনি।

কেতিয়াবা সময়ৰ লগত চলি যাবলৈ নিজেও পৰিৱৰ্তন হ'ব লাগে; কিন্তু নিজৰ অসমীয়া সাজ-পোছাকযোৰ অৱহেলা কৰি নহয়। অসমীয়া সাজ-পাৰে বৰ্তমান ভাৰত বুলি নহয় বিদেশতো এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বিদেশী মহিলাসকলে আজি-কালি পাটৰ কাপোৰ, মুগাৰ কাপোৰ পিন্ধি ঘূৰি ফুৰে। তেনে ক্ষেত্ৰত অসমীয়া হৈ কিয় অসমীয়া সাজ-পাৰক আমি অৱহেলা কৰো। আমাৰ অসমীয়া পাটৰ কাপোৰ, মুগা কাপোৰৰ দৰে ধুনীয়া কাপোৰ ক'তো নাই, সেয়েহে হয়তো ইয়াৰ চাহিদা অসমৰ বাহিৰত দিনক দিনে বৃদ্ধি হৈ গৈ আছে। গতিকে আমাৰ অসমীয়া যুৱ প্ৰজন্মই অসমৰ বৰ্ণাঢ্য সাজ-পাৰৰ প্ৰতি সন্মান ৰাখি অসমীয়া হিচাপে গৌৰৱ কৰক আৰু ভৱিষ্যতত যাতে এই সাজ-পাৰবোৰ হেৰাই নাযায়, তাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰক। ফোন ঃ ৬৯০০৯৭৪৬৩৫

# মানৱ প্ৰব্ৰজনৰ ইতিহাসৰ ধাৰা

**মালথাছে কৈছিল যে জনসংখ্যা বৃদ্ধিৰ যিটো গতি তাৰ পৰা অনুমান কৰিব পাৰি যে এই বৃদ্ধি সম্পদ বৃদ্ধিতকৈ বহু বেছি হ'ব**


বৰ্তমান কালত ভাৰত তথা অসমত 'হিন্দুত্ব'ৰ ধ্বজা উৰি থকাৰ সময়ত এচামে দাবী কৰে যে ভাৰত হিন্দুৰ দেশ, হেজাৰ হেজাৰ বছৰৰ আগতেই ৰচনা কৰা হিন্দু শাস্ত্ৰবোৰে প্ৰৱৰ্তন কৰা হিন্দু ধৰ্ম আৰু হিন্দু সংস্কৃতি মতেই দেশ চলিব লাগিব, বহিৰাগতসকলৰ মাতব্বৰী ভাৰতত নচলিব ইত্যাদি। এইবোৰ দাবীৰ লগত আন বহু আনুষংগিক বিষয় নিহিত হৈ থাকে। যেনে— বহিৰাগতৰ প্ৰব্ৰজন, আৰ্য-অনাৰ্যৰ দ্বন্দ্ব তথা জীৱনধাৰা, হিন্দুধৰ্মৰ নামৰ আধাৰৰ প্ৰাচীনতা, একেদৰে বোঁৱতী সুঁতিৰ দৰে গণ্য কৰা যিকোনো সংস্কৃতিৰ স্থৱিৰতাৰ যথাৰ্থতা— ইত্যাদি। এইবোৰক লৈ আগতেও নানা তৰ্ক-বিতৰ্ক হৈছে, কোনটো ধাৰণা সঁচা বা মিছা, সেয়া নিৰ্ণয় কৰাটো সঁচাকৈয়ে কঠিন; বাস্তৱ কথাটো হ'ল— এইবোৰ বিষয়ৰ ইতিহাস আৰু বিদ্যায়তনিক দিশৰ আলোচনা নিশ্চয় আদৰণীয়, পিছে অত্যাধুনিক বিজ্ঞান-প্ৰযুক্তিৰ যুগত এনেবোৰ কথাৰে সমাজ আৰু সভ্যতা আগবঢ়াই নিব নোৱাৰি, ইতিহাসৰ পৰা শিক্ষা অৱশ্যেই ল'ব লাগে।

প্ৰথমে প্ৰব্ৰজনৰ কথাটোকেই লোৱা যাওক। শাস্ত্ৰৰ মতে নহয়, ক্ৰমবিকাশৰ তত্ত্বমতে মানুহ বা হোমো ছেপিয়ান্‌ছ ছেপিয়ান্‌ছৰ সৃষ্টিৰ সময়ৰ পৰা ধৰিলে ক'ব লাগিব যে মানুহৰ ইতিহাস প্ৰব্ৰজনৰ ইতিহাস। ভাৰতীয় শাস্ত্ৰসমূহত মানুহৰ প্ৰব্ৰজনৰ ইতিহাস বৰকৈ পাবলৈ নাই; সমুদ্ৰ মন্থনৰ ঘটনাটোক পৃথিৱীৰ বিভিন্ন সাগৰত প্ৰাচীন ভাৰতীয়সকলে পৰিভ্ৰমণ কৰি অমৃত, কল্পতৰু, সুৰভি গাই আদি অনেক মূল্যৱান বস্তু সংগ্ৰহ কৰাৰ কাহিনী বুলি কিছুমানে ব্যাখ্যা কৰিব খোজে। আনহাতে, পশ্চিমীয়াসকলে বাইবেলৰ আদম-ঈভৰ ঘটনা আৰু ইডেনৰ বাগিচাত আদমে নিষিদ্ধ ফল বা আপেল খাই অভিশপ্ত হোৱাৰ ঘটনাক আদিম মানৱৰ প্ৰব্ৰজনৰ প্ৰথম আৰম্ভণি বুলি দেখুৱাব খোজে।

ইউৰোপৰ নৱজাগৰণৰ সময়ৰ ধৰ্ম বিষয়ক চিত্ৰশিল্পীসকলৰ এটি সমস্যা হৈছিল— আদম-ঈভক অঁকাৰ সময়ত এওঁলোকৰ নাড়ী বা নাভি অঁকা হ'ব নে নহয়? নাভি থকা বুলি দেখুওৱাটো ঈশ্বৰ বিৰোধী হ'ব, কাৰণ নাভি থকা মানেই আদম আৰু ঈভৰ একোজনীকৈ মাতৃ আছিল। পিছে ঈশ্বৰে মাটিৰ পৰা মানুহৰ আকাৰৰ মূৰ্তি সাজি তাতে ফুঁ মাৰি আদমৰ সৃষ্টি কৰিছিল, সেইদৰে আদমৰ অকলশৰীয়া বোধক আঁতৰ কৰিবলৈ ঈভৰ সৃষ্টি কৰিছিল আদমৰ বুকুৰ হাঁড়ৰ পৰা, অৰ্থাৎ আদম-ঈভ কোনো মাতৃৰ পৰা সৃষ্ট নাছিল, তাৰ মানে তেওঁলোকৰ নাড়ীও থাকিব নালাগে। পিছে নাড়ী নেদেখুৱালে নগ্ন চিত্ৰ সম্পূৰ্ণ নহয়। বহু কৌশলেৰে চিত্ৰশিল্পীসকলে পেটৰ অঞ্চলত গছ-বন আঁকি ঢাকি দিছিল যদিও সমস্যাৰ সমাধান নহ'ল। দ্বিতীয় এটা সমস্যা হৈছিল ইডেনৰ অৱস্থিতি ক'ত? এইখন বাগিচাতে আদমে নিষিদ্ধ ফল খাইছিল। বিভিন্ন তত্ত্বমতে ঠাইখন ইজৰাইল, আফ্ৰিকা, আমেৰিকা আদি কে'বা ঠাইতো আছে বুলি ভবা হয়, কিছুমানে আকৌ ভাৰততহে ইডেন বাগিচা (কলকাতাৰখন নহয়) আছে বুলি কয়। বাইবেল বৰ্ণিত আদম-ঈভৰ বংশধৰসকলৰ বয়স যোগ কৰিলে পোৱা যায় যে মানুহ সৃষ্টিৰো আগৰ বিশ্বব্ৰহ্মাণ্ডৰ আৰম্ভণি ঘটিছিল ৪০০৪ খ্ৰীঃপূঃৰ ২৩ অক্টোবৰত; এই তাৰিখ অৱশ্যেই হাস্যকৰ।



ইডেন পৰিত্যাগ কৰাৰ কাৰণ আছিল স্পষ্ট। আদম-ঈভ অৰ্থাৎ প্ৰথম দম্পতী যুগলৰ ৰূপত আদিম অধিবাসীসকলে এটা আপেলৰ সহায়ত নতুন কিবা এটা শিকিলে আৰু তাৰেই শাস্তিস্বৰূপে তেওঁলোকক বিশ্বৰ বিভিন্ন ঠাইলৈ খেদি পঠিওৱা হ'ল। ইডেনত পোৱা যায় ঈশ্বৰ প্ৰদত্ত খাদ্য। মানুহক সেই খাদ্যৰ পৰা বঞ্চিত কৰা হ'ল, মানুহে নিজৰ খাদ্য নিজে বিচাৰি ল'ব লাগিব, অৰ্থাৎ মানুহে জীৱিকা অৰ্জন কৰিব লাগিব। এয়াই হেনো অৰ্থনীতিৰ আৰম্ভণি। ইডেনৰ পৰা মানুহৰ প্ৰব্ৰজন আৰু পৃথিৱীৰ বিভিন্ন ঠাইলৈ গৈ বসতি স্থাপনৰ লগত আদিমতম অৰ্থনৈতিক বিকাশৰ সম্বন্ধ আছে বুলি কোৱা হয় আৰু ইয়াৰ লগত আধুনিক জৈৱ প্ৰযুক্তিবিদসকলে বংশানু বা জিন বা ডি এন এৰ পৰিৱৰ্তনৰো সম্বন্ধ বিচাৰি পাইছে। ওলোটাকৈ বংশানুৰ পৰিৱৰ্তন অধ্যয়ন কৰি মানুহৰ বিভিন্ন ঠাইলৈ প্ৰব্ৰজনৰ ইতিহাসো উদ্ধাৰ কৰিছে জীৱ বিজ্ঞানীসকলে। বিষয়টো অৱশ্যেই জটিল। পিছে অৰ্থনীতিৰ তত্ত্ব আৰু বিৱৰ্তনৰ তত্ত্বৰ যে স্পষ্ট সম্পৰ্ক আছে, সেয়া পুৰণি অৰ্থনীতিবিদ মালথাছৰ দ্বাৰা ক্ৰমবিকাশ তত্ত্বৰ জনক ডাৰউইন বাৰুকৈয়ে প্ৰভাৱিত হোৱাৰ পৰাই বুজিব পাৰি। মালথাছে কৈছিল যে জনসংখ্যা বৃদ্ধিৰ যিটো গতি তাৰ পৰা অনুমান কৰিব পাৰি যে এই বৃদ্ধি সম্পদ বৃদ্ধিতকৈ বহু বেছি হ'ব— 'সম্পদ বৃদ্ধি গাণিতিক হাৰত (২, ৪, ৬, ৮ ইত্যাদি) আৰু জনসংখ্যা বৃদ্ধি জ্যামিতিক হাৰত (২, ৪, ৮, ১৬, ৩২ ইত্যাদি) হ'ব।' ডাৰউইনে লিখিছিল যে এই তত্ত্বই তেওঁৰ মনত প্ৰাকৃতিক নিৰ্বাচনৰ ধাৰণাৰ সৃষ্টি কৰিছিল— 'প্ৰকৃতিয়ে যোগ্যতম বাচি থাকিবৰ বাবে নিৰ্বাচিত কৰে।'



**দৃষ্টিপাত**

**ড° খৰ্গেশ্বৰ ভূঞা**

জীৱাশ্মবোৰৰ পৰা ধাৰণা কৰা হৈছে যে মানুহৰ স্তৰলৈ বিৱৰ্তিত হোৱাৰ প্ৰায় লগে লগেই মানুহে প্ৰব্ৰজন আৰম্ভ কৰিছে। মানুহৰ পূৰ্বপুৰুষে একে ঠাইতে স্থিৰ হৈ নাথাকি প্ৰব্ৰজনৰ প্ৰতি ইমান আগ্ৰহী কিয় আছিল, সেয়া সঠিকভাৱে জনা নাযায়। পৰিৱেশ তথা বতৰৰ পৰিৱৰ্তনো এটা কাৰণ বুলি ভবা হয়। এসময়ত চাহাৰা মৰুভূমি আছিল এখন বিশাল তৃণভূমি আৰু 'চাড' হ্ৰদ আছিল বৰ্তমানৰ কাস্পিয়ান সাগৰতকৈ ডাঙৰ এখন সমুদ্ৰ। এক লাখ মান বছৰৰ আগতে তৃণভূমি আৰু সাগৰ দুয়োখনেই শুকাই গৈ হৈ পৰিল এখন বিশাল মৰুভূমি। ইয়াৰ ফলত স্থানীয় অধিবাসীৰ খাদ্যৰ অভাৱ ঘটিল আৰু মানুহবোৰ দিহিঙে-দিপাঙে বিয়পি পৰিল। অপেক্ষাকৃতভাৱে আধুনিক কালত চাহাৰাৰ দক্ষিণ প্ৰান্তত একে ধৰণৰ ঘটনা ঘটিছে। অনাবৃষ্টিৰ ফলত 'চাহেল'ক মৰুভূমিয়ে গ্ৰাস কৰিবলৈ লৈছে আৰু ইয়াৰ বাসিন্দাসকলৰ প্ৰব্ৰজন আৰম্ভ হৈছে।

জীয়াই থাকিবলৈ মানুহে (আৰু সকলো জীৱই) খাদ্য খাব লাগে, খাদ্য সংগ্ৰহৰ কথাটো আদিম অৰ্থনীতিৰ লগত জড়িত। এই অৰ্থনীতিৰ ভেটি হ'ল প্ৰকৃতিত পোৱা উদ্ভিদ আৰু পশুৰ ব্যৱহাৰ। নিজে উদ্ভিদৰ জন্ম দিয়া বা খেতি কৰা তথা পশুক পোহনীয়া কৰাৰ আগতে প্ৰকৃতিত যি পোৱা যায় মানুহে তাকেই খাইছিল অন্য জীৱৰ দৰেই। এটা জীৱই আন এটাক মাৰি খাই জীয়াই থকাটো ভাৰতীয় শাস্ত্ৰত 'মৎস্য ন্যায়' হিচাপে জনা যায় বুলি আগতেও লিখা হৈছিল। আদিম কালত মানুহ থকা এডোখৰ ঠাইত প্ৰকৃতিৰ ভাণ্ডাৰত যি পোৱা যায়, সেইবোৰ শেষ হৈ নোযোৱা পৰ্যন্ত মানুহে ব্যৱহাৰ কৰে আৰু শেষ হ'লে নাখাই মৰাতকৈ অন্য ঠাইলৈ প্ৰব্ৰজন কৰে। এই প্ৰব্ৰজন পৃথিৱীৰ বিভিন্ন ঠাইলৈ হ'ব পাৰে। আদিম মানুহৰ প্ৰব্ৰজনৰ লগত নিমিলিলেও অৰুণাচল বা আন পাহাৰীয়া তথা অৰণ্যবাসীৰ ক্ষেত্ৰত একে ঠাইতে থিতাপি লাগি নথকাৰ উদাহৰণ কিছুকালৰ আগলৈকে আছিল। অৰুণাচলৰ একোখন গাঁৱৰ লোকে এখন ঠাইত ঝুম খেতি কৰি কেইবছৰ মান থাকে। সেই ঠাইত বনজ সম্পদ কমি গ'লে তথা ঝুম খেতি ভালকৈ নোহোৱা হ'লে সেই ঠাই এৰি দ্বিতীয় এখন ঠাইলৈ যায়। তাৰ পৰাও একে কাৰণতে আঁতৰি গৈ তৃতীয় এখন ঠাইত থিতাপি লয়। তাত ছয়/সাত বছৰ কটোৱাৰ পাছত প্ৰথম ঠাইখনলৈ ঘূৰি আহে। জনশূন্য হৈ থকা প্ৰথমখন ঠাই ১৫ বছৰমানৰ ভিতৰত ফল-ফুলে জাতিষ্কাৰ হয় আৰু ঝুমখেতিৰ বাবে ঠাইখন উপযুক্ত হয়। এনেদৰে সীমিতভাৱে প্ৰব্ৰজন ঘটি থাকে।

এনে প্ৰব্ৰজনৰ লগত অৱশ্যে আদিম মানৱৰ প্ৰায়বোৰ কথাই নিমিলে। আদি কালত মানুহে বাস কৰা একোখন ঠাইৰ সুস্বাদু পশু-পক্ষীবোৰ বেয়াকৈ ধ্বংস হৈ বিলুপ্তিৰ গৰাহলৈ গৈছিল। সমস্ত পৃথিৱী জুৰি বৃহৎ আৰু সুস্বাদু পশুৰ জীৱাশ্ম সিঁচৰতি হৈ আছে, যিবোৰ পশু মানুহৰ আবিৰ্ভাৱৰ পাছতেই অৱলুপ্ত হৈছিল। জীৱাশ্ম নোপোৱা অথচ বিলুপ্ত হৈ যোৱা আন বহু জীৱও হয়তো আছিল, যিবোৰ মানুহে নিৰ্বিচাৰে খাদ্যৰূপে ব্যৱহাৰ কৰাৰ পাছত সেইবোৰ নাইকিয়া হ'ল। অতি বৃহৎ জীৱ মেমথৰ উদাহৰণ এই বিলুপ্ত জীৱবোৰৰ ভিতৰত বিখ্যাত (?)। চাইবেৰিয়াত ইমান বেছি মেমথ হত্যা কৰা হৈছিল যে মানুহে ইয়াৰ হাঁড়েৰে গৃহ নিৰ্মাণ কৰিছিল। অষ্ট্ৰেলিয়াত মানুহ প্ৰৱেশ কৰাৰ

**আধুনিক মানুহে আফ্ৰিকাৰ পৰা পূব অষ্ট্ৰেলিয়াৰ ফাললৈ যেতিয়া প্ৰব্ৰজিত হৈছিল, তেতিয়া ইউৰোপ আৰু মধ্যপ্ৰাচ্যৰ সকলোতকৈ বৃহৎ স্তন্যপায়ী জীৱ আছিল নিয়াণ্ডাৰথেল মানৱ, এইসকল আছিল মানুহৰ লগত একে প্ৰজাতিৰ— হোমো ছেপিয়ান্‌ছ। উপ-প্ৰজাতিটোৰ নাম হোমো ছেপিয়ান্‌ছ নিয়াণ্ডাৰথেলিছ। দুই লাখ বছৰ এওঁলোকে অস্তিত্ব ৰক্ষা কৰি আছিল**

আগতে আছিল বৃহৎ বৃক্ষৰ অটব্য অৰণ্য। মানুহ আহি মহাদেশখনৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰব্ৰজন কৰাৰ পাছত অৰণ্যবোৰ জ্বলাই দিয়াৰ ফলত সকলোবোৰ অৰণ্য তৃণভূমিলৈ পৰিৱৰ্তিত হৈছিল। গ্ৰীণলেণ্ডৰ বৰফৰ তলত আছে ধ্বংসৰ নথি। হেজাৰ হেজাৰ বছৰৰ আগতে যি তুষাৰপাত হৈছিল, তাৰ তলত জমা আছে বিশাল দাবানলৰ ছাই আৰু এঙাৰ, এইবোৰৰ কিছুমান অন্ততঃ মানুহে লগাইছিল বুলি অনুমান কৰিব পাৰি। ত্ৰয়োদশ শতিকাতহে নিউজিলেণ্ডত মানুহৰ বসতি স্থাপন হৈছিল। তাত আছিল উৰিব নোৱৰা বিশালাকায় মোৱা পক্ষী। ইয়াৰ ১২টামান প্ৰজাতি দুশ বছৰমানৰ ভিতৰতে ধ্বংস হৈ গৈছিল। এই ধ্বংসযজ্ঞৰে এটি কৃষ্টিৰ বিকাশ ঘটিছিল। এইবোৰ চৰাইৰ পাখিৰে তৈয়াৰ কৰা স্মৃতিচিহ্ন সকলোফালে দেখা যায়। এখন বিশেষ বধ্যভূমিত আনুষ্ঠানিকভাৱে চৰাইবোৰ হত্যা কৰা হৈছিল, আধুনিক কালত ঠাইখনত পাঁচ লাখ চৰাইৰ কংকাল পোৱা গৈছে। ১০ হেজাৰ বছৰৰ আগলৈকে ক্ৰীট, চাইপ্ৰাছ আৰু কৰ্চিকাত মানুহৰ বসতি নাছিল। তাত আছিল কিছুমান বিশেষ ধৰণৰ প্ৰাণী, যেনে— ক্ষুদ্ৰ জলহস্তী, হৰিণা, বিশেষ ধৰণৰ হাতী, বৃহৎ ডৰমাইচ (এন্দুৰ সদৃশ প্ৰাণী, ফেঁচা, কাছ ইত্যাদি। মানুহে তাত বসবাস কৰিবলৈ লোৱাৰ এশ বছৰ নৌহওঁতেই এইবোৰ প্ৰাণী বিলুপ্ত হৈ গ'ল, যিবোৰৰ হাঁড়-মূৰ মানুহৰ দেহাৱশেষৰ লগতে পোৱা গৈছে।

আধুনিক মানুহে আফ্ৰিকাৰ পৰা পূব অষ্ট্ৰেলিয়াৰ ফাললৈ যেতিয়া প্ৰব্ৰজিত হৈছিল, তেতিয়া ইউৰোপ আৰু মধ্যপ্ৰাচ্যৰ সকলোতকৈ বৃহৎ স্তন্যপায়ী জীৱ আছিল নিয়াণ্ডাৰথেল মানৱ, এইসকল আছিল মানুহৰ লগত একে প্ৰজাতিৰ— হোমো ছেপিয়ান্‌ছ। উপ-প্ৰজাতিটোৰ নাম হোমো ছেপিয়ান্‌ছ নিয়াণ্ডাৰথেলিছ। দুই লাখ বছৰ এওঁলোকে অস্তিত্ব ৰক্ষা কৰি আছিল। আনকি আধুনিক মানুহৰ পূৰ্বপুৰুষ (হোমো ছেপিয়ান্‌ছ ছেপিয়ান্‌ছ)ৰ লগতো একে সময়তে তেওঁলোকেও বাস কৰিছিল। তেওঁলোকৰ এটা ভাষা আছিল। মাটিৰ তলৰ ঠাণ্ডাত খাদ্য সংৰক্ষণ কৰিব জানিছিল তেওঁলোকে, চোকা অস্ত্ৰও ব্যৱহাৰ কৰিব জানিছিল ইত্যাদি। তেওঁলোকৰ নিজা ধৰণৰ এটি পৰিশীলিত সংস্কৃতিও আছিল। তথাপি তেওঁলোক নিশ্চিহ্ন হ'ল। ইয়াৰ বহু কাৰণ আগবঢ়োৱা হয় যদিও সকলোতকৈ সম্ভাব্য কাৰণটো হ'ল তেওঁলোকৰ জীৱন-ধাৰণৰ পদ্ধতিত কোনো প্ৰগতি হোৱা নাছিল প্ৰায় এক লাখ বছৰ ধৰি।

প্ৰাচীন কালৰ মানুহৰ প্ৰব্ৰজনৰ ইতিহাস অতি বিস্তৃত। মানৱ জাতিয়ে নিজৰ জন্ম মহাদেশ পৰিত্যাগৰ কিছুকালৰ ভিতৰতেই যথেষ্ট দ্ৰুতভাৱে পৃথিৱীৰ প্ৰায় সকলো স্থানকে জনাকীৰ্ণ কৰি তোলে। প্ৰথম অষ্ট্ৰেলীয়সকলৰ আবিৰ্ভাৱ হয় প্ৰায় ৫০ হেজাৰ বছৰৰ আগেয়ে। এওঁলোকৰ আদিমতম চিহ্ন আছে উত্তৰ অষ্ট্ৰেলিয়াৰ আৰ্ণহেমলেণ্ডৰ দুটা স্থানত, তাত আছে পাথৰৰ অস্ত্ৰসমূহ আৰু অন্যান্য স্মৃতিচিহ্ন। প্ৰাচীনতম অষ্ট্ৰেলীয় মাথাৰ লাওখোলাটো হৈছে ৩০ হেজাৰ বছৰ আগৰ।

পৃথিৱীৰ উত্তৰ মেৰু, প্ৰশান্ত মহাসাগৰৰ দ্বীপসমূহ, ছাইবেৰিয়া আৰু শেষত উত্তৰ আমেৰিকা, তাৰ পাছত দক্ষিণ আমেৰিকালৈ মানৱ প্ৰব্ৰজনৰ ইতিহাস বিচাৰি উলিয়াব পাৰি। কথাটো হ'ল— পৃথিৱীৰ বিভিন্ন স্থানত আদিম মানৱে প্ৰথম বসতি স্থাপন কৰাৰ পাছতো সেই ঠাইলৈ পুনৰ নতুন নতুন মানুহ আহি স্থানীয় হৈছিল। সেয়েহে একোটা বিশেষ জনগোষ্ঠীৰ মানুহেই সেই ঠাইৰ অধিকাৰী ধৰণৰ কথাবোৰ যথেষ্ট গোলমলীয়া। প্ৰব্ৰজনৰ বিষয়ে অধিক আলোচনাৰ থল আছে।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*


## অনিমেষ ভূঞাৰ হত্যাকাণ্ড —

# মানৱীয় প্ৰমূল্যবোধৰ চূড়ান্ত অৱক্ষয়

**যোৰহাট** নগৰৰ মাজ-মজিয়াত এচাম উদ্ভ্ৰান্ত আৰু বিবেকশূন্য মানুহৰ আক্ৰমণত গোলাঘাট জিলাৰ দেৰগাঁৱৰ এক নম্বৰ খকগুগুৰি গাঁৱৰ কৰ্মোদ্যোগী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সক্ৰিয় কৰ্মী অনিমেশ ভূঞাই অকাল মৃত্যুক সাবটি ল'ব লগা হ'ল। নৃশংস গণ-প্ৰহাৰত অনিমেষৰ দুজন বন্ধুও গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'ল। অনিমেষৰ হত্যাকাণ্ডই পুনৰ মনত পেলাই দিলে ২০১৩ত ডিফুত এচাম উদণ্ড অট'চালকৰ নিষ্ঠুৰ আক্ৰমণত অসহায় পিতৃৰ সন্মুখতে কেনেদৰে ফুলকুমলীয়া ঝংকাৰ শইকীয়াই মৃত্যুক আঁকোৱালি লৈছিল আৰু ২০১৮ত কাৰ্বি আংলঙৰ ডকমকা অঞ্চলত নীলোৎপল দাস আৰু অভিজিৎ নাথ নামৰ দুজন প্ৰকৃতিপ্ৰেমী যুৱকক শিশু অপহৰণকাৰী বুলি মিছা সন্দেহ আৰু অপ-প্ৰচাৰত একাংশ হিতাহিত জ্ঞানশূন্য মানুহে হত্যা কৰাৰ কৰুণ কাহিনী। ডাঃ দেৱেন দত্তৰ হত্যাকাণ্ডও মানুহে পাহৰিব পৰা নাই। এনে অলেখ ঘটনা অসমত হ'বলৈ ধৰিছে। এনেবোৰ ঘটনাই বিবেকবান মানুহক ব্যথিত কৰিছে, বহুতে নিন্দা কৰিছে, প্ৰতিবাদ কৰিছে। দোষীসকলৰ কঠোৰ শাস্তিৰ দাবী উত্থাপন কৰিছে। আমাৰ দৃষ্টিত এইবোৰ গতানুগতিক প্ৰতিক্ৰিয়া। এচাম বিবেকশূন্য মানুহে ক্ষন্তেকৰ পৰিস্থিতিগত আৱেগৰ বশৱৰ্তী হৈ যেনেদৰে আক্ৰমণ কৰি হত্যা কৰিছে, তেনেদৰেই বিবেকৱান বুলি কোৱা 'আমি' চামেও আৱেগৰ বশৱৰ্তী হৈয়েই ব্যথিত হৈছো, নিন্দা কৰিছো, প্ৰতিবাদ কৰিছো। এই আৱেগ ক্ষন্তেকীয়া, কিয়নো ই দীঘলীয়া সময়ৰ বাবে নাথাকে। সময় যোৱাৰ লগে লগে আমি সকলো পাহৰি যাওঁ। এনে ঘটনা পুনৰাবৃত্তি নোহোৱালৈকে আমাৰ আৱেগ নিশ্চুপ হৈ থাকে। এনে ঘটনা প্ৰতিৰোধৰ বাবে আমি কোনো চিন্তাই নকৰোঁ, ইয়াৰ কাৰণ কি বা এনে অৱক্ষয়ৰ অন্তৰ্নিহিত কাৰণ কি হ'ব পাৰে, তাৰো আমি বিচাৰ নকৰো। এনেদৰেই চলি আছে ঘটনা-পৰিঘটনা, ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু আমাৰ সভ্য সমাজৰ জীৱন পৰিক্ৰমা।

শেহতীয়া অনিমেষৰ হত্যাকাণ্ডৰ ঘটনাত দেখা গ'ল— এচাম মানুহে অনিমেষক টানি-আঁজুৰি মাৰ-পিট কৰি থকাৰ জীৱন্ত ছবি তাত উপস্থিত থকা বহুতেই নিজ নিজ ম'বাইল ফোনৰ কেমেৰাৰে ধৰি ৰাখিবলৈ যত্ন কৰিছে। জীৱন্ত ফটো ধৰি ৰাখিবলৈ চেষ্টা কৰাসকলৰ ভিতৰত হয়তো কোনো সাংবাদিকো থাকিব পাৰে! অনিমেষক মৃত্যুৰ মুখলৈ ঠেলি দিয়াৰ সময়ত এইচাম মানুহৰ দায়িত্ব কি হোৱা উচিত আছিল? অনিমেষৰ জীৱন ৰক্ষা কৰিবলৈ সেইচাম মানুহৰ ভিতৰত এজন মানুহো আগবাঢ়ি নাহিল কিয়? হয়তো হিংস্ৰ, উদণ্ড মানুহ চামক বাধা দিবলৈ সাহস নকৰিলে! এয়া মানৱীয় প্ৰমূল্যবোধৰ চূড়ান্ত অৱক্ষয় নহয়নে? তাৰ মানে, আমি বিবেকৱান বুলি কোৱা মানুহ চামে পৰিস্থিতিগত তেনে অবাঞ্ছিত, অবিবেচক ক্ৰিয়া-কাণ্ডৰ ওচৰত আত্মসমৰ্পণ কৰিছো! এনে পৰিস্থিতিয়ে যোৰহাট বা ডিফু অথবা ডকমকা অঞ্চল কিয়, অসমৰ সকলো অঞ্চলতে তেনে ঘটনা পুনৰাবৃত্তি হোৱাৰ সম্ভাৱনাক সাৰ-পানী যোগাব। প্ৰকৃততে, আমাৰ সমাজৰ চাৰিওফালে তেনেবোৰ ঘটনাৰ পৰিস্থিতিগত পটভূমি এটা তৈয়াৰ হৈছেই। ভোগবাদী আধুনিক সমাজে ভোগৰ সমস্ত উপাদান উপভোগ কৰিবলৈ প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে আনহাতে, বৌদ্ধিক অনুশীলনৰ ক্ষেত্ৰখন ক্ৰমান্বয়ে সংকুচিত হৈ আহিছে। প্ৰযুক্তি বিদ্যাৰ যুগত মানুহে তথ্য আহৰণত সফল হৈছে, অথচ জ্ঞান আহৰণত ব্যৰ্থ হৈছে। এই পৰিণতিয়ে আধুনিক সভ্যতাৰ সমাজখনক অদূৰ ভৱিষ্যতত অধিক বিপৰ্যয়ৰ মুখলৈ টানি দিব।

অনিমেষ হত্যাকাণ্ড সংঘটিত কৰাৰ অভিযোগত ১৫ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ঘটনাৰ মূল অভিযুক্ত বুলি কোৱা এজনৰ ৰহস্যজনকভাৱে (?) ইতিমধ্যে মৃত্যু ঘটিছে। ঘটনাৰ প্ৰকৃত অপৰাধীসকলৰ কঠোৰতম শাস্তিৰ দাবী উত্থাপিত হৈছে। আৰক্ষী বিভাগেও তৎপৰতাৰে অভিযুক্তসকলক কৰায়ত্ত কৰিছে। বিচাৰৰ কাঠগৰাত থিয় কৰোৱাৰ যাৱতীয় কাম-কাজ কৰা হৈছে। এক অনিৰ্দিষ্ট সময়ৰ ভিতৰত হয়তো প্ৰকৃত অপৰাধীৰ শাস্তি হ'ব। নাইবা, আইনৰ সুৰুঙাৰে কোনোবা হয়তো সাৰি যাব। আমি অনিৰ্দিষ্ট বুলি এই কাৰণেই কৈছো যে অভি-নীলৰ হত্যাকাণ্ডৰ বিচাৰ ফাষ্ট ট্ৰেক্ আদালতত দিয়াৰ পাছতো চূড়ান্ত ৰায় আজিলৈকে হোৱা নাই। এইবোৰ গতানুগতিক প্ৰক্ৰিয়া। কথা হ'ল— এনেবোৰ অপৰাধী সমাজত সৃষ্টি হৈছে কেলেই বা এনে অপৰাধপ্ৰৱণ মানসিকতাই চাৰিওফালে বিস্তাৰ লাভ কৰিছে কেলেই? কেৱল অনিমেষ বা অভি-নীলৰ হত্যাৰ স'তে জড়িতসকলেই নে, সমাজৰ চাৰিওফালে এনে অপৰাধপ্ৰৱণ মানুহ পিত্‌পিতাই ঘূৰি ফুৰিছে। সুযোগ পালেই অপৰাধপ্ৰৱণ মানসিকতাক বাস্তৱত কামত লগাব। অৰ্থাৎ সমাজত এচাম অপৰাধপ্ৰৱণ মানুহৰ উৎপন্ন হৈ আছে। এই উৎপাদনথলীখন কিন্তু সমাজখনেই।



**পৰ্যালোচনা**

**মিলেশ্বৰ পাতৰ**

বৰ্তমান সমাজৰ সামাজিক ব্যৱস্থাটো অতি প্ৰদূষিত। প্ৰদূষণৰ উপাদানবোৰ বিভিন্ন ধৰণৰ। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিকভাৱে সমাজখন প্ৰদূষিত। সকলোতে মূল্যবোধৰ অৱক্ষয়। মূল্যবোধসম্পন্ন সমাজ গঢ়াৰ ভেটিটো প্ৰায় ধ্বংস হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অভাৱনীয় সফলতাই সমাজখনক যান্ত্ৰিকতাৰ মাজত আৱদ্ধ কৰিছে। আধুনিক জীৱনশৈলীৰ উপভোগৰ সকলো উপাদান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই উপলব্ধ কৰিছে। সমৰ্থৱানসকলে সকলো উপভোগ কৰিছে। বিপৰীতে, সামৰ্থ্যহীনসকলে বঞ্চিত হৈ হতাশাগ্ৰস্ত হৈছে, দিক্-বিদিক্ হেৰুৱাইছে, পথভ্ৰষ্ট হৈছে। নতুন প্ৰজন্মৰ ক্ষেত্ৰত এই সমস্যাটো অতি উদ্বেগজনক। ভোগৰ লালসা সকলোৰে আছে, ইয়াত ধনী-দুখীয়া বুলি কথা নাই। ভোগৰ লালসা চৰিতাৰ্থ কৰিব নোৱৰা চামে পথভ্ৰষ্ট হয়, হিতাহিত জ্ঞানশূন্য হয়। এয়াই কেৱল সামাজিক অৱক্ষয়ৰ একমাত্ৰ কাৰণ নহয়। সামাজিক পৰিমণ্ডলটো বিভিন্ন ধৰণেৰে আক্ৰান্ত। চৰিত্ৰ গঠনৰ মূল ভেটিটো প্ৰায় নোহোৱাৰ দৰে। সমাজত 'নাপায়', 'বেয়া', 'পাপ'— এইবোৰ প্ৰায় নোহোৱা হৈছে। সামাজিক ন্যায় ব্যৱস্থাটো প্ৰায় নাইকিয়া হ'ল। এখন সমাজ ধৰি ৰখা বা সুস্থ-সবল কৰাৰ ক্ষেত্ৰত সামাজিক ন্যায় ব্যৱস্থাটো এসময়ত বৰ গুৰুত্বপূৰ্ণ আছিল। বৰ্তমান সেই পৰিৱেশ নাই। শিশু কালতেই নীতিশিক্ষাৰ পাঠ দিয়াৰ ব্যৱস্থাটো নাইকিয়া হ'ল। 'আনক হিংসা নকৰিবা', 'সদায় সত্য কথা ক'বা', 'নৰহত্যা মহাপাপ'— এইবোৰ নীতিশিক্ষা নোহোৱা হ'ল। আধুনিক শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তনটোক আমি বিৰোধিতা কৰা নাই; কিন্তু মানৱীয় গুণৰ বিকাশৰ পৰিকাঠামোটো সুৰক্ষিত ৰাখিহে এনে পৰিৱৰ্তন আদৰণীয়। বৰ্তমান সময়ত ভোগৰ উপাদানবোৰে মানুহক কোঠাৰ ভিতৰৰ চাৰিবেৰৰ মাজত এনেদৰে আৱদ্ধ কৰি পেলাইছে যে মানুহ ব্যক্তিকেন্দ্ৰিক আৰু স্বাৰ্থপৰ হৈ পৰিছে। ব্যক্তিকেন্দ্ৰিকতাই মানুহক সামাজিকভাৱে দায়বদ্ধহীন কৰি তুলিছে। এই অৱস্থাই মানুহক সম্ভাৱ, সম্প্ৰীতি আৰু সহৃদয়তাৰ পৰা বিচ্ছিন্ন কৰিছে। মানৱীয় উপাদানবোৰৰ অনুশীলনৰ অভাৱে মানুহক অমানৱীয় আচৰণ কৰিবলৈ প্ৰৰোচিত কৰিছে। আমাৰ এই চিন্তাৰ বিপৰীতে কোনোবাই ক'ব পাৰে যে নহয় সমাজত মানৱতা এতিয়াও বৰ্তি আছে, মানৱীয় গুণসম্পন্ন মানুহ এতিয়াও আছে। হয়, আমিও স্বীকাৰ কৰো— সমাজত ভাল মানুহ আছে। পিছে সমাজত এনে মানুহৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাইছে।



ধৰ্ম আৰু বিজ্ঞানৰ মাজত সদায় এক সংঘাত আছে; কিন্তু এই দুয়োটাৰ মাজত এক ভাৱসাম্যযুক্ত পথৰ অভাৱে নানা আহুকালৰ সৃষ্টি নকৰাকৈ থকা নাই। মানৱীয় উপাদানবোৰ ধৰ্ম আৰু আধ্যাত্মিকতাৰ অনুশীলনত অধিক শক্তিশালী হয়। ধৰ্মীয় আচৰণে মানুহৰ মন, চিত্ত আৰু অহংকাৰক নিয়ন্ত্ৰিত কৰে। কাম, ক্ৰোধ, লোভ, মোহৰ পৰা মানুহক কিছু নিলগাই ৰখাত সহায় কৰে। মানুহৰ জীৱনশৈলীক পৰিমাৰ্জিত কৰে; কিন্তু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰে পৰিপুষ্ট আধুনিক মানুহে ধৰ্ম আচৰণৰ প্ৰতি উদাসীন হৈছে বা কৰিলেও সেয়া আন্তৰিকতাবিহীন। বিশেষকৈ নতুন প্ৰজন্ম ধৰ্মৰ চাৰিসীমাত আৱদ্ধ থাকিবলৈ ইচ্ছুক নহয়। এই পৰিস্থিতিটোৱে আমাৰ সামাজিক পৰিমণ্ডলটোক আঘাত নকৰাকৈ থকা নাই। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই আমাক তথ্য আৰু জ্ঞান দিছে; কিন্তু নৈতিক উৎকৰ্ষ সাধনত বা বৌদ্ধিক বিকাশত তেনেদৰে সহায় কৰা নাই। বিজ্ঞানক বাদ দি বৰ্তমান যুগত যেনেদৰে আমি এখোজো দিব নোৱাৰো, তেনেদৰে ধৰ্ম আৰু আধ্যাত্মিক অনুশীলনৰ অবিহনেও মানৱীয় গুণৰ বিকাশ আশা কৰিব নোৱাৰি। বৌদ্ধিক বিকাশ প্ৰযুক্তিৰ সহায়ত নহয়, প্ৰজ্ঞাৰ অনুশীলনতহে ই সম্ভৱ।

আদৰ্শৰ প্ৰতি মানুহে মান্যতা দিয়াৰ পৰিৱৰ্তে প্ৰতিপত্তিশীল এচামে সেই স্থান দখল কৰিছে। একোখন সমাজ সুস্থ-সবল হিচাপে গঢ় লৈ উঠিব হ'লে আদৰ্শৰ প্ৰতিভূ হ'বই লাগিব। আদৰ্শহীন নেতৃত্বই আদৰ্শ প্ৰতিষ্ঠা কৰিব নোৱাৰে। ইয়াৰ ব্যতিৰেকে সমাজ অৱক্ষয়ৰ গৰাহত পৰাটো নিতান্ত অৱশ্যম্ভাৱী।

বৰ্তমান সময়ত আৰক্ষী বিভাগৰ কিছু কাম-কাজে কিছু আশাৰ বতৰা কঢ়িয়াই আনিলেও সমাজৰ সামগ্ৰিক ধাৰণাটো এতিয়াও আস্থাশীল হৈ উঠা নাই। যিয়ে অপৰাধপ্ৰৱণ লোকক অপৰাধ কৰাত বাধা দিব পৰা নাই। আইনৰ সুৰঙাৰে দোষী সাৰি যোৱাৰ দৃষ্টান্তই অপৰাধীক উৎসাহিত কৰিছে আৰু ন্যায় ব্যৱস্থাৰ প্ৰতিও আস্থাহীন কৰি তুলিছে। এইবোৰ ব্যৱস্থাও বৰ্তমান সময়ত বিবেচনাযোগ্য বিষয় বা পৰ্যালোচনা হোৱা দৰকাৰ। অন্যথা অনিমেষৰ হত্যাকাণ্ডৰ দৰে ঘটনা প্ৰতিৰোধ কৰাটো সম্ভৱ নহয়।

আমি দোহাৰিব খোজো— সমাজৰ মাজত ক্ৰমান্বয়ে হেৰাই যাবলৈ ধৰা সম্ভাৱ, সম্প্ৰীতি, আদান-প্ৰদান, সহানুভূতি— এইবোৰক উজ্জীৱিত কৰাৰ বাবে সচেতন সমাজে আগভাগ লোৱাৰ প্ৰয়োজন আছে। সামাজিক অনুষ্ঠান বিলাকে এইক্ষেত্ৰত আগভাগ ল'ব লাগে। গণ-উন্মাদনা, গণ-প্ৰহাৰ, অপপ্ৰচাৰ, অন্ধবিশ্বাস— এইবোৰৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ ক্ষেত্ৰত সামাজিক অনুষ্ঠানবোৰে আগবাঢ়ি আহিব লাগে। আৰক্ষী বিভাগে এই ক্ষেত্ৰত সহযোগিতা বা পৃষ্ঠপোষকতা কৰিব লাগে। প্ৰচাৰ মাধ্যমসমূহেও মানৱীয় প্ৰমূল্যবোধ প্ৰসাৰিত কৰা বা-বাতৰিবিলাক গুৰুত্ব সহকাৰে প্ৰচাৰ কৰিব লাগে। সকলো দুষ্কাৰ্য প্ৰতিৰোধৰ দায়িত্ব কেৱল চৰকাৰ কৰ্তৃপক্ষৰহে বুলি ভাবি হাত সাবটি বহি নাথাকি সচেতন ব্যক্তি, সমাজ, সামাজিক অনুষ্ঠান— সকলোৰেই আগবাঢ়ি অহাটো বৰ্তমান সময়ৰ আহ্বান। সমাজ সুৰক্ষিত হৈ নাথাকিলে ব্যক্তিৰ নিৰাপত্তাও অৰ্থহীন। *ফোন ঃ ৮৮৭৬১৭০৫৯১*



## ৭০ উৰ্দ্ধৰ লোকেও কৰিব পাৰিব হজযাত্ৰা

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৬ ডিচেম্বৰ ঃ** হজযাত্ৰীসকলৰ বাবে এক সুখবৰ। ২০২২ বৰ্ষৰ হজযাত্ৰাৰ বাবে বয়সৰ ঊৰ্দ্ধ সীমা প্ৰত্যাহাৰ কৰা হ'ল। ৭০ উৰ্দ্ধৰ বয়সৰ লোকেও ২০২২ বৰ্ষত হজযাত্ৰাত অংশ ল'ব পাৰিব। উল্লেখ্য যে কৰ'নাৰ ব্যাপক সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত ১৮ অনূৰ্দ্ধ আৰু ৬৫তকৈ অধিক বয়সৰ লোকৰ হজযাত্ৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। ২০২২ বৰ্ষৰ হজযাত্ৰাৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব। তদুপৰি চলিত বৰ্ষৰ হজযাত্ৰাৰ বাবে বিমান ভ্ৰমণ কেৱল লক্ষ্ণৌ আৰু নতুন দিল্লীৰ পৰা সম্পন্ন হ'ব।

## ব্ৰিটেইনত এদিনত ৭৮ হেজাৰ হ'ল আক্ৰান্ত ঃ সংক্ৰমণৰ অভিলেখ




**নিউজ ব্যুৰ', লণ্ডন, ১৬ ডিচেম্বৰ ঃ** অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধিৰ মাজতে ব্ৰিটেইনত ক'ভিড-১৯ৰ প্ৰকোপ অভিলেখ হাৰত বৃদ্ধি পাইছে। দৰাচলতে যোৱা ২৪ ঘণ্টাত দেশখনত কৰ'নাৰ সংক্ৰমণে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিলে। দেশখনত বিগত এদিনত সৰ্বাধিক সংখ্যক ৭৮,৬১০ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। ব্ৰিটেইনৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা অনুসৰি, এতিয়ালৈকে দেশখনত এক কোটিৰো অধিক লোক কৰ'নাত আক্ৰান্ত হ'ল। ব্ৰিটেইনৰ মুঠ জনসংখ্যা হৈছে ৬.৭ কোটি। আগন্তুক বৰদিনৰ সময়ত ব্ৰিটেইনৰ লগতে ইউৰোপৰ আন দেশসমূহতো ক'ভিডৰ নতুন সংক্ৰমণ বৃদ্ধিৰ শংকা প্ৰকট হৈছে। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে ইতিমধ্যে দেশবাসীক উৎসৱৰ বতৰত সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু ক'ভিড টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাইছে।

## প্ৰভাৱ হ্ৰাস মোদীৰ! বিশ্বৰ সবাতোকৈ প্ৰশংসিত ব্যক্তিৰ তালিকাত অষ্টম নম্বৰত ভাৰতৰ প্ৰধানমন্ত্ৰী

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ ডিচেম্বৰ ঃ** জনপ্ৰিয়তা হ্ৰাস পাইছে নেকি প্ৰধানমন্ত্ৰী মোদীৰ? 'ইউগভ' নামৰ এটা তথ্য বিশ্লেষণ সংস্থাৰ সাম্প্ৰতিক প্ৰতিবেদনত এনে ইংগিতে দিলে। পূৰ্বে সংস্থাটোৱে প্ৰকাশ কৰা বিশ্বৰ সবাতোকৈ প্ৰশংসিত ব্যক্তিৰ তালিকাত চাৰি নম্বৰত আছিল ভাৰতৰ প্ৰধানমন্ত্ৰীগৰাকী। কিন্তু শেহতীয়াভাৱে 'ইউগভ'-এ প্ৰকাশ কৰা বিশ্বৰ সবাতোকৈ প্ৰশংসিত ব্যক্তিৰ তালিকাত অষ্টম স্থানলৈ অৱনমিত হ'ল মোদী। অৱশ্যে তালিকাত স্থান অৱনমিত হ'লেও এতিয়াও আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন, পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খান, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনতকৈ ওপৰত আছে মোদী। ২০২১ত সমগ্ৰ বিশ্বৰ সবাতোকৈ প্ৰশংসিত ব্যক্তি হিচাপে শীৰ্ষস্থান লাভ কৰিলে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামাই।



## সবাতোকৈ প্ৰশংসিত মহিলাৰ তালিকাত শীৰ্ষ ১০ত প্ৰিয়ংকা চোপ্ৰা



**নিউজ ব্যুৰ', মুম্বাই, ১৬ ডিচেম্বৰ ঃ** ২০২১ বৰ্ষৰ 'ম'ষ্ট এডমায়াৰ্ড অ'মেন' অৰ্থাৎ সবাতোকৈ প্ৰশংসিত মহিলাৰ তালিকাত শীৰ্ষ ১০ স্থানত অন্তৰ্ভুক্ত হ'ল বলিউডৰ অভিনেত্ৰী প্ৰিয়ংকা চোপ্ৰা। তালিকাখনত প্ৰথম স্থান লাভ কৰিছে মিছেল অ'বামাই। এই তালিকাত এঞ্জেলিনা জ'লী, স্কাৰলেট জনছন, এমা ৱাটছন, টেলৰ ছুইফট, ৰাণী এলিজাবেথ, অ'প্ৰা উইনফ্ৰে, এঞ্জেলা ম'ৰ্কেল, মালালা ইউছুফজায়েও স্থান লাভ কৰিছে। শীৰ্ষ ২০ গৰাকী সবাতোকৈ প্ৰশংসিত মহিলাৰ তালিকাত কমলা হেৰিছ, হিলাৰী ক্লিণ্টন, ঐশ্বৰ্য ৰায় বচ্ছন, সুধা মূৰ্তি, গ্ৰেটা থনবৰ্গ, মেলেনিয়া ট্ৰাম্প, লিছা, লয়ু য়াইফে, য়াংগ মী আৰু জেচিণ্ডা অৰ্ডেৰ্নেও স্থান লাভ কৰিছে।

**আজিৰ দেশৰ সংবাদপত্ৰৰ সংবাদ পৰিৱেশনৰ ধাৰাত আক্ষেপ প্ৰকাশ কৰিলে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে**

# ভাৰতীয় সংবাদ মাধ্যমৰ পৰা হেৰাইছে অনুসন্ধানমূলক সাংবাদিকতা ঃ ৰামানা

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৬ ডিচেম্বৰ ঃ** পূৰ্বে যিদৰে সংবাদ মাধ্যমে আলোড়ন সৃষ্টিকাৰী সংবাদ পৰিৱেশন কৰিছিল, আজি সংবাদ পৰিৱেশনৰ সেই ধাৰা প্ৰত্যক্ষ নহয়। এইদৰে আক্ষেপ প্ৰকাশ কৰিলে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই। অনুসন্ধানমূলক সাংবাদিকতাক পূৰ্বৰ ৰূপত এতিয়া আৰু ভাৰতত প্ৰত্যক্ষ কৰিব নোৱাৰি। আক্ষেপৰ সুৰৰে দেশৰ মুখ্য ন্যায়াধীশে এই মন্তব্য প্ৰকাশ কৰিলে সাংবাদিক ইউ সুধাকৰ ৰেড্ডীৰ ৰচিত এখন গ্ৰন্থ প্ৰকাশৰ অনুষ্ঠানত অনলাইনযোগে অংশ লোৱাৰ সময়ত। এই অনুষ্ঠানত ৰামানাই আক্ষেপেৰে কয় যে পূৰ্বে যিদৰে আলোড়ন সৃষ্টিকাৰী খবৰ দেশৰ সংবাদ মাধ্যমে প্ৰচাৰ কৰিছিল, এতিয়া সংবাদ পৰিৱেশনৰ এনে ধাৰা দেশবাসীৰ প্ৰত্যক্ষ নহয়। কালি গ্ৰন্থ উন্মোচনী অনলাইন অনুষ্ঠানত অংশ লোৱাৰ সময়ত ৰামানাই এইদৰে কৈছিল, 'মই আজিৰ সংবাদ মাধ্যমৰ



সন্দৰ্ভত ব্যক্তিগত মতামত প্ৰকাশৰ স্বাধীনতা বিচাৰিছো। দুৰ্ভাগ্যবশত ভাৰতীয় সংবাদ মাধ্যমৰ পৰা অনুসন্ধানমূলক সাংবাদিকতা লাহে লাহে নোহোৱা হ'বলৈ ধৰিছে। আমি যেতিয়া ডাঙৰ-দীঘল হৈছিলো, সেই সময়ত আমি সদায় অধীৰ আগ্ৰহৰে সংবাদপত্ৰৰ বাবে অপেক্ষা কৰিছিলো। সেই সময়ত দেশৰ বৃহৎ বৃহৎ সকলো কেলেংকাৰি ফাদিল কৰিছিল সংবাদ মাধ্যমে। সেই সময়ৰ সংবাদপত্ৰসমূহে আমাক হতাশ কৰা নাছিল। গুৰুত্বপূৰ্ণ খবৰক লৈ পৰিৱেশন কৰা সংবাদপত্ৰৰ প্ৰতিবেদনে পৰৱৰ্তী সময়ত গুৰুতৰ প্ৰভাৱ পেলাইছিল। কিন্তু আজি, এখন বা দুখন বাদ দি, সেই ধৰণৰ প্ৰভাৱ বিস্তাৰকাৰী প্ৰতিবেদন সংবাদপত্ৰত পঢ়িবলৈ পোৱাৰ কথা মই মনত পেলাব পৰা নাই।' ৰামানাই লগতে কয় যে জনসাধাৰণক সচেতন কৰাৰ দায়িত্ব দেশৰ সংবাদ মাধ্যমে গ্ৰহণ কৰিব লাগিব। ব্যক্তি আৰু প্ৰতিষ্ঠানৰ সমষ্টিগত ব্যৰ্থতাক সংবাদ মাধ্যমে জনসাধাৰণৰ আগত দাঙি ধৰিব লাগিব বুলিও মত প্ৰকাশ কৰিলে দেশৰ মুখ্য ন্যায়াধীশজনে।



## অ'মিক্ৰন আক্ৰান্ত মুৰ্ছিদাবাদৰ শিশু এদিনতে হ'ল সুস্থ

**নিউজ ব্যুৰ' মালদহ, ১৬ ডিচেম্বৰ ঃ** পশ্চিমবংগৰ মুৰ্ছিদাবাদত এদিন পূৰ্বে ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত প্ৰথমজন ৰোগীক চিনাক্ত কৰা হৈছিল। অ'মিক্ৰনত আক্ৰান্ত সাত বছৰীয়া শিশুটি মাত্ৰ এদিন পাছতে এই ভাইৰাছৰ সংক্ৰমণ মুক্ত হ'ল। আজি শিশুটিৰ ক'ভিডৰ নমুনা পৰীক্ষা কৰাত ফলাফল 'নিগেটিভ' লাভ কৰে। মালদহ মেডিকেল কলেজত কালি ভৰ্তি কৰোৱা শিশুটিক আন কোনো উপসৰ্গ নথকাত আজি চিকিৎসকে ঘৰলৈ যোৱাৰ অনুমতি দিয়ে।



## কেন্দ্ৰীয় বিশ্ববিদ্যালয়, আই আই টি, আই আই এমত খালী হৈ আছে ১০ হেজাৰ শিক্ষকৰ পদ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ৰাজ্যসভাত প্ৰকাশ কৰা তথ্য অনুসৰি দেশৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন'লজি (আই আই টি) আৰু ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্ট (আই আই এম)ত ১০,০০০ ৰো অধিক শিক্ষকৰ পদ খালী হৈ আছে। কালি ৰাজ্যসভাত এক লিখিত প্ৰশ্নৰ উত্তৰ দি প্ৰধানে এই তথ্য সদৰী কৰিছিল, 'কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত ৬,৫৩৫ পূৰ্ণকালীন শিক্ষকৰ পদ, ২০ খন আই আই এমত ৪০৩টা শিক্ষকৰ পদ আৰু ২৩খন আই আই টিত ৩,৮৭৬টা শিক্ষকৰ পদ বৰ্তমানে খালী হৈ আছে।' কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ এই তথ্যৰ প্ৰসংগত আজি কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পি চিদাম্বৰমে নৰেন্দ্ৰ মোদী চৰকাৰক তীব্ৰ কটাক্ষ কৰিলে। টুইটাৰত চিদাম্বৰমে কয়, 'মোদী চৰকাৰৰ ফালৰ পৰা বৰ্ষৰ সমাপ্তিত আৰু এটা উপহাৰ ঃ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, আই আই টি আৰু আই আই এমত ১০,০০০ ৰো অধিক শিক্ষকৰ পদ খালী হৈ আছে। ইয়াৰে ৪১২৬ টা পদ অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছ পৰা সম্প্ৰদায়ৰ বাবে সংৰক্ষিত।'

## মিছ ইউনিভাৰ্ছ হৰনাজক শুভেচ্ছা জনাই সামাজিক মাধ্যমত চৰ্চিত সাংসদ থাৰুৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৬ ডিচেম্বৰ ঃ** সদ্য মিছ ইউনিভাৰ্ছ খিতাপ জয়ী ভাৰতীয় সুন্দৰী হৰনাজ কৌৰক শুভেচ্ছা জনাবলৈ গৈ সামাজিক মাধ্যমত তীব্ৰ সমালোচনাৰ পাত্ৰ হ'ল কংগ্ৰেছ সাংসদ শশী থাৰুৰ। পঞ্জাৱ নিবাসী হৰনাজে স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰাৰ পাছতে কংগ্ৰেছ সাংসদ থাৰুৰে হৰনাজক সাক্ষাৎ কৰি টুইটাৰত কেইখনমান ফটো আপলোড কৰিছিল। হৰনাজক শুভেচ্ছা জনাই আনন্দিত হোৱা বুলিও টুইটত থাৰুৰে উল্লেখ কৰিছিল। থাৰুৰৰ এই ফটো আৰু টুইট প্ৰত্যক্ষ কৰি সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে কংগ্ৰেছ সাংসদজনক নানা ধৰণৰে কটাক্ষ কৰিলে। তৰুণ যোশী নামৰ এজন টুইটাৰ ব্যৱহাৰকাৰীয়ে টুইট কৰি কয়, 'আপুনি ৰাজনীতিৰ ৰণবীৰ কপুৰ।' আন এজন ব্যক্তিয়ে কয়, 'লড়কী হু, লড় চকটি হু— অভিযানৰ বাবে হৰনাজ সৰ্বশ্ৰেষ্ঠ।' সত্যেন্দ্ৰ সিং



নামৰ টুইটাৰ ব্যৱহাৰকাৰীজনে থাৰুৰক উদ্দেশি কয়, 'ছাৰ, এটা বাৰ্তা গ্ৰুপ কেপ্টেইন বৰুণ সিঙৰ বাবেও প্ৰেৰণ কৰক, অনুগ্ৰহ কৰি।' আন এজন লোকে প্ৰশ্ন কৰি কয় যে শশী থাৰুৰে ৰামানুজন বঁটা লাভ কৰা ভাৰতীয় গণিতজ্ঞ নীনা গুপ্তাক শুভেচ্ছা জনালে নে?'



## ড'মিনিকান গণৰাজ্যত বিমান দুৰ্ঘটনাত নিহত কমেও নজন লোক

**নিউজ ব্যুৰ' ছেণ্ট' ড'মিংগ', ১৬ ডিচেম্বৰ ঃ** ড'মিনিকান গণৰাজ্যত সংঘটিত হ'ল ভয়াৱহ বিমান দুৰ্ঘটনা। জৰুৰীকালীন অৱতৰণৰ সময়তে এখন বিমান ভাঙি পৰি এই দুৰ্ঘটনা সংঘটিত হয়। প্ৰকাশিত বাতৰি অনুসৰি, বিমান দুৰ্ঘটনাটোত কমেও নজন যাত্ৰীৰ মৃত্যু হৈছে। নিহতসকলৰ সাতজন যাত্ৰী আৰু দুজন বিমানৰ কৰ্মচাৰী। কি কাৰণত বিমানৰ দুৰ্ঘটনা সংঘটিত হ'ল সেয়া এতিয়াও জানিব পৰা হোৱা নাই। বিমানখনত ছজন বিদেশী নাগৰিক আছিল।


## ক'ভিড প্ৰতিৰোধৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰি দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতিয়ে ক'লে, 'মই দুখিত'



**নিউজ ব্যুৰ', ছিউল, ১৬ ডিচেম্বৰ ঃ** দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি মুন জে-ইনে আজি দেশখনত কৰ'না ভাইৰাছৰ সংক্ৰমণ আৰু মৃত্যু বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ক'ভিড প্ৰতিৰোধৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণৰ কথা ঘোষণা কৰিলে। ৰাষ্ট্ৰপতিজনে দেশবাসীক কৰ'না প্ৰতিৰোধৰ বাবে শাৰীৰিক দূৰত্ব বিধি কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিয়ে। ৰাজহুৱা স্থানত সৰ্বাধিক চাৰিজনতকৈ অধিক লোকৰ সমাবেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি ৰেস্তোৰাঁ আৰু কেফেৰ দৰে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ নিশা ন বজালৈকে খোলা ৰখাৰ অনুমতি দিয়া হৈছে। নতুনকৈ কঠোৰ ক'ভিড বিধি বলৱৎ কৰাৰ বাবে জে-ইনে দেশবাসীৰ পৰা ক্ষমা বিচাৰি কয়, 'মই দুখিত'।

## কমলা হেৰিছৰ জনপ্ৰিয়তা হ্ৰাসত চিন্তিত ডেম'ক্ৰেটিক পাৰ্টি

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৬ ডিচেম্বৰ ঃ** আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ মাত্ৰ ১০ মাহৰ পাছতে আমেৰিকাবাসীৰ মাজত এনে এক ধাৰণাৰ সৃষ্টি হৈছে যে কমলা হেৰিছে এগৰাকী প্ৰেৰণাদায়ী নেত্ৰী হিচাপে নিজকে উপস্থাপন কৰিবলৈ বিফল হৈছে। প্ৰকাশিত বাতৰি অনুসৰি হেৰিছৰ জনপ্ৰিয়তা অৱনমিত হ'বলৈ ধৰিছে। ১০ মাহ পূৰ্বে আমেৰিকাৰ নাগৰিকে ধাৰণা কৰিছিল যে ২০২৪ৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত হেৰিছ ডেম'ক্ৰেটিক দলৰ প্ৰভাৱশালী প্ৰাৰ্থী হ'ব। কিন্তু মাত্ৰ ১০ মাহতে হেৰিছৰ জনপ্ৰিয়তা হ্ৰাস হ'বলৈ ধৰাত ডেম'ক্ৰেটিক পাৰ্টিয়ে ৰাষ্ট্ৰপতিৰ আগন্তুক নিৰ্বাচনৰ বাবে একাধিক প্ৰাৰ্থীৰ নাম বিবেচনা কৰিছে। চি এন এনৰ বাতৰি অনুসৰি, ডেম'ক্ৰেটিক পাৰ্টিয়ে ৰাষ্ট্ৰপতিৰ পদপ্ৰাৰ্থী হিচাপে ১১ জন লোকৰ নাম বিবেচনা কৰিছে। অৱশ্যে এই ১১ জন প্ৰাৰ্থীৰ মাজত হেৰিছৰ নামো আছে। কিন্তু হেৰিছে ৰাষ্ট্ৰপতিৰ পদৰ প্ৰাৰ্থিত্ব লাভৰ ক্ষেত্ৰত কিমানদূৰ সফল হ'ব তাক লৈ ইতিমধ্যে দলটোত প্ৰশ্ন উত্থাপিত হৈছে। বৰ্তমানৰ ৰাষ্ট্ৰপতি জ' বাইডেনে ২০২৪ৰ নিৰ্বাচনতো প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰিছে যদিও বাইডেনৰো জনপ্ৰিয়তা হ্ৰাস আৰু বৰ্ধিত বয়সৰ কাৰণত তেওঁৰ এই ইচ্ছা কিমানদূৰ পূৰণ হ'ব তাতো সন্দেহৰ অৱকাশ নথকা নহয়।



# বিশ্বত ২০২১ বৰ্ষত ৪৬ সাংবাদিকক হত্যা, ৪৮৮ জনক বিহিলে কাৰাদণ্ড

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ ডিচেম্বৰ ঃ** এটা স্বেচ্ছাসেৱী সংগঠনৰ তথ্য অনুসৰি বৰ্তমানে বিশ্বৰ বিভিন্ন দেশত ৪৮৮ জন পেছাদাৰী সাংবাদিক কাৰাবন্দী হৈ আছে। 'ৰিপ'ৰ্টাৰ্ছ উইডাউট ব'ৰ্ডাৰ্ছ' নামৰ সংস্থাটোৱে প্ৰকাশ কৰা মতে, বিগত ২৫ বছৰৰ ভিতৰত এয়ে সৰ্বাধিকসংখ্যক সাংবাদিকক বিশ্বত কাৰাবন্দী কৰি ৰখা হৈছে। প্ৰতিষ্ঠানটোৱে লগতে কয় যে ২০২১ বৰ্ষত বিশ্বত ৪৬ জন সাংবাদিকক হত্যা কৰা হ'ল। আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৱে প্ৰতি বছৰে সাংবাদিক নিৰ্যাতনৰ সন্দৰ্ভত নিজা প্ৰতিবেদন প্ৰকাশ কৰি আহিছে। প্ৰতিষ্ঠানটোৰ তথ্য অনুসৰি, বিশ্বত বিগত ২৫ বছৰত এয়ে প্ৰথমবাৰ হত্যাৰ বলি হোৱা সাংবাদিকৰ সংখ্যা



সবাতোকৈ কম হ'ল। ম্যানমাৰ, বেলাৰুছ আৰু হংকঙত চলিত বৰ্ষত সংবাদ মাধ্যম আৰু সাংবাদিকৰ বিৰুদ্ধে বিশ্বৰ ভিতৰতে সৰ্বাধিক আতিশয্য চলিছিল। তদুপৰি চীনতো ১২৭ জন সাংবাদিকক কাৰাবন্দী কৰাৰ তথ্য শেহতীয়াভাৱে পোহৰলৈ আহিছিল। চলিত বৰ্ষত বিশ্বৰ বিভিন্ন দেশত ৬০ গৰাকী মহিলা সাংবাদিকক কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল। ম্যানমাৰত চলিত বৰ্ষত ৫৩ জন সাংবাদিকক কাৰাবন্দী কৰা হৈছিল। চলিত বৰ্ষত বৰ্তমানলৈকে ভিয়েটনামত ৪৩, বেলাৰুছত ৩২ আৰু ছৌদি আৰৱত ৩১ জন সাংবাদিকক কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছে। ভাৰততো চলিত বৰ্ষত কে'বাজনো সাংবাদিকৰ বিৰুদ্ধে বাতৰি পৰিৱেশনৰ অভিযোগত গোচৰ ৰুজু কৰা হৈছিল আৰু একাধিক সাংবাদিকক এনে গোচৰত গ্ৰেপ্তাৰো কৰা হৈছিল। সাংবাদিকৰ বিৰুদ্ধে ৰাষ্ট্ৰদ্ৰোহৰ দৰে গুৰুতৰ অভিযোগ দেশত উত্থাপিত হোৱাক লৈ স্বয়ং ভাৰতৰ উচ্চতম ন্যায়ালয়েও উদ্বেগ প্ৰকাশ কৰিছিল।



## কাশ্মীৰত পুনৰ সেনাৰ অভিযানত নিহত হিজবুলৰ দুই জেহাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১৬ ডিচেম্বৰ ঃ** কাশ্মীৰত সন্ত্ৰাস দমনত বৃহৎ সাফল্য লাভ কৰিলে সেনা বাহিনীয়ে। বুধবাৰে নিশাৰ পৰা কাশ্মীৰৰ কুলগামত সন্ত্ৰাসবাদীৰ সন্ধানত নিৰাপত্তা বাহিনীয়ে অভিযান চলাই দুজন সন্ত্ৰাসবাদীক ধৰাশায়ী কৰে। কুলগামত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি লাভৰ পাছতে সেনা আৰু আৰক্ষীয়ে অঞ্চলটোত যৌথ অভিযান আৰম্ভ কৰিছিল। সন্ত্ৰাসবাদীক নিৰাপত্তা বাহিনীয়ে আত্মসমৰ্পণৰ নিৰ্দেশ দিছিল যদিও সন্ত্ৰাসবাদীয়ে সেনালৈ গুলিবৰ্ষণ কৰাত উভয় পক্ষৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছিল। দীৰ্ঘ সময় ধৰি হোৱা গুলীয়াগুলিত দুজন সন্ত্ৰাসবাদী নিহত হয়। নিহত দুই সন্ত্ৰাসবাদী হিজবুল মুজাহিদিনৰ সদস্য আছিল।

## আম্বানী-আদানিক কটাক্ষ কৰে ৰাহুলে, ৰাজস্থানৰ কংগ্ৰেছ চৰকাৰে দিলে ১৬০০ হেক্টৰৰ ভূমি আবণ্টন

**নিউজ ব্যুৰ', জয়পুৰ, ১৬ ডিচেম্বৰ ঃ** চৰকাৰে নহয়, দেশ পৰিচালনা কৰি আহিছে তিনি-চাৰিজন পুঁজিপতিয়ে। কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীয়ে প্ৰায়ে এই মন্তব্যৰে কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰক কঠোৰ সমালোচনা কৰি আহিছে। যোৱা ১২ ডিচেম্বৰতো ৰাজস্থানৰ জয়পুৰত কংগ্ৰেছৰ মূল্যবৃদ্ধিৰ মহাৰেলীত অংশ লৈ ৰাহুলে গৌতম আদানী আৰু মুকেশ আম্বানীক কেন্দ্ৰৰ চৰকাৰে লাভৱান কৰিবলৈ বিভিন্ন সুযোগ প্ৰদান কৰি অহা বুলি অভিযোগ কৰিছিল। ভাষণ প্ৰসংগত ৰাহুলে আদানী-আম্বানীক কটাক্ষ কৰি কৈছিল, 'বিমানকোঠ, কয়লা খনি, ছুপাৰ মাৰ্কেট; যলৈকে চাওক, তাত দুজন ব্যক্তিকে প্ৰত্যক্ষ কৰিব, আদানীজী-আম্বানীজী।' সঘনে দেশৰ এই দুই উদ্যোগপতিক কেন্দ্ৰৰ মোদী চৰকাৰে অবৈধভাৱে ব্যৱসায়িক সা-সুবিধা প্ৰদান কৰা বুলি ৰাহুলে অভিযোগ কৰি অহাৰ সময়তে স্বয়ং ৰাজস্থানত কংগ্ৰেছ চৰকাৰে আদানী গ্ৰুপক ভূমি আবণ্টন দিয়া ঘটনাই দেশৰ ৰাজনীতিত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি, ৰাজস্থানৰ কংগ্ৰেছ চৰকাৰে ছ'লাৰ পাৰ্ক নিৰ্মাণৰ বাবে আদানী গ্ৰুপক ১৬০০ হেক্টৰ ভূমি লীজত দিয়াৰ সিদ্ধান্ত লৈছে। ১৫০০ মেগাৱাটৰ ছ'লাৰ পাৰ্ক নিৰ্মাণৰ বাবে আদানী আৰু ৰাজস্থান চৰকাৰৰ যৌথ প্ৰতিষ্ঠান আদানী ৰিনুৱেল এনাৰ্জী পাৰ্কৰ মাজত ইতিমধ্যে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। ইয়াৰ জৰিয়তে জেইছলমেৰৰ ভীমছৰ, মাধ'পুৰা, ছদৰাচৰ গাঁৱত ১৩২৪.১৪ হেক্টৰ আৰু বাটয়াদু আৰু নেডানগাঁৱত ২৭৬.৮৬ হেক্টৰ চৰকাৰী ভূমি আবণ্টনৰ বাবে ৰাজস্থান চৰকাৰে অনুমোদন জনাইছে। আনহাতে, কেৰালিয়া গাঁৱত ৬৪.৩৮ হেক্টৰ চৰকাৰী ভূমি লীজত দিয়াৰ বাবেও চৰকাৰে অনুমতি দিছে। স্বয়ং কংগ্ৰেছ চৰকাৰে এইদৰে বিতৰ্কিত উদ্যোগপতি আদানীৰ প্ৰতিষ্ঠানক চৰকাৰী ভূমি আবণ্টন দিয়া ঘটনাই ৰাজনৈতিক মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।



## দেশত ক'ভিডৰ দৈনিক সংক্ৰমণ সামান্য বৃদ্ধি, ২৪ ঘণ্টাত ৩৪৩ জনৰ মৃত্যু



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৬ ডিচেম্বৰ ঃ** দেশৰ ক'ভিডৰ দৈনিক সংক্ৰমণ মণ্ডল আৰু বুধবাৰৰ তুলনাত আজি সামান্য বৃদ্ধি পালে। অৱশ্যে বৃহস্পতিবাৰেও আক্ৰান্তৰ সংখ্যা সাত হেজাৰৰ ঘৰতে আছে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ৭,৯৭৪ জন লোক। কেৱল কেৰালাতে যোৱা ২৪ ঘণ্টাত ক'ভিড আক্ৰান্ত হ'ল ৪,০০৬ জন লোক। ইফালে, বৃহস্পতিবাৰে ক'ভিডত মৃতকৰ সংখ্যা ৩৪৩ জনলৈ বৃদ্ধি পালে। কেৰালাত মৃত্যু বৃদ্ধিৰ ফলতে দেশৰ দৈনিক ক'ভিড মৃতকৰ সংখ্যা বাঢ়িলে। কেৰালাত ২৮২, পশ্চিমবংগত ১৩, তামিলনাডুত ১১ আৰু মহাৰাষ্ট্ৰত ১০ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানে ভাৰতত ৮৭,২৪৫ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## দিল্লীত পুনৰ চাৰি অ'মিক্ৰন আক্ৰান্তক চিনাক্ত, দেশৰ ১১ ৰাজ্যলৈ বিয়পিল নতুন প্ৰজাতি

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৬ ডিচেম্বৰ ঃ** ভাৰতত অ'মিক্ৰনৰ সংক্ৰমণ ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। দেশৰ ৰাজধানী দিল্লীত আজি পুনৰ ক'ভিডৰ এই নতুন প্ৰজাতিত আক্ৰান্ত চাৰিজন ৰোগীক চিনাক্ত কৰা হ'ল। বৰ্তমানলৈকে দিল্লীত অ'মিক্ৰনত আক্ৰান্তৰ সংখ্যা ১০ জনলৈ বৃদ্ধি পালে। দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দ্ৰ জৈনে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ১০ অ'মিক্ৰন আক্ৰান্তৰ এজন সুস্থ হোৱাত আজি তেওঁক চিকিৎসালয়ৰ পৰা ঘৰলৈ যোৱাৰ



অনুমতি দিয়া হয়। বৰ্তমানে দিল্লীৰ এল এন জে পি চিকিৎসালয়ত নজন অ'মিক্ৰন আক্ৰান্ত চিকিৎসাধীন হৈ আছে। এই আঠাইকেইজন আক্ৰান্ত সম্পূৰ্ণ সুস্থ থকা বুলিও স্বাস্থ্যমন্ত্ৰীজনে জানিবলৈ দিয়ে। বৃহস্পতিবাৰে দুপৰীয়া ১২ বজালৈকে লাভ কৰা পৰিসংখ্যা অনুসৰি, দেশৰ ১১ খন ৰাজ্যলৈ ক'ভিডৰ এই নতুন প্ৰজাতিৰ সংক্ৰমণ ইতিমধ্যে বিয়পিছে। আজি দুপৰীয়ালৈকে দেশত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৭৭ জনলৈ বৃদ্ধি পায়। দেশৰ ভিতৰতে মহাৰাষ্ট্ৰত সৰ্বাধিক ৩২ আৰু ৰাজস্থানত ১৭ জন লোক অ'মিক্ৰনত আক্ৰান্ত হৈছে। কৰ্ণাটকত তিনিজন, গুজৰাটত চাৰিজন, কেৰালাত পাঁচজন, তেলেংগানাত তিনিজন, দিল্লীত ১০ জন, পশ্চিমবংগত এজন, অন্ধ্ৰ প্ৰদেশত এজন আৰু চণ্ডীগড়ত এজন লোক অ'মিক্ৰনত আক্ৰান্ত হৈছে।







■ ডিব্ৰুগড়ৰ জিলা শিক্ষা বিষয়াৰ আকস্মিক পৰিদৰ্শন

# ডিব্ৰুগড় পাব্লিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ পাঁচ শিক্ষক-শিক্ষয়িত্ৰীৰ দৰমহা কৰ্তন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৬ ডিচেম্বৰ ঃ** ক'ভিড পৰিস্থিতিৰ বাবে দীৰ্ঘদিন ধৰি বন্ধ হৈ থকা শিক্ষানুষ্ঠানসমূহ নতুনকৈ খোল খাইছে যদিও একাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে পালমৰা নীতিৰে মাহৰ পাৰিতোষিক আদায় কৰি আহিছে। দীৰ্ঘদিন ধৰি ক'ভিডৰ বাবে বন্ধ হৈ পৰা বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে এতিয়াও বিদ্যালয়লৈ যাবলৈ ইচ্ছা নকৰাৰ অভিযোগ প্ৰমাণিত হ'ল আজি ডিব্ৰুগড় জিলাত। জিলাখনৰ জিলা শিক্ষা বিষয়াই আজি ডিব্ৰুগড় পাব্লিক উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কালত পাঁচগৰাকীকৈ শিক্ষক-শিক্ষয়িত্ৰীয়ে অনুমতি অবিহনে উপস্থিত নথকাৰ তথ্য পোহৰলৈ আহে। জিলা শিক্ষা বিষয়া দীপিকা চৌধাৰীয়ে আজি বিদ্যালয়খন পৰিদৰ্শনৰ কালত ১০ শিক্ষকৰ বিপৰীতে এজন ছুটীত থকাৰ বিপৰীতে চাৰিগৰাকীহে উপস্থিত থকা প্ৰত্যক্ষ কৰে। ইয়াৰ বিপৰীতে পাঁচগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অনুমতি অবিহনে উপস্থিত নাছিল। যাৰ বাবে আটাইকেইজনলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰাৰ লগতে এদিনৰ দৰমহা কৰ্তন কৰে। তদুপৰি ২৪ ঘণ্টাৰ ভিতৰত কাৰণ দৰ্শোৱাৰ জাননীৰ প্ৰত্যুত্তৰ নিদিলে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ হুংকাৰ দিছে। কাৰণ দৰ্শোৱাৰ জাননী জাৰি তথা দৰমহা কৰ্তন কৰা শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে বিশ্বজিত বৰবৰুৱা, হিমাদ্ৰী গগৈ, মুছাহাৰ্ফ আলী আৰু নিৰ্মলা সেনাপতিসহ প্ৰধান শিক্ষয়িত্ৰী যমুনা বৰুৱা। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী বৰুৱাৰ প্ৰশাসনিক দুৰ্বলতাৰ বাবে বিদ্যালয়খনত শৈক্ষিক পৰিৱেশ বিনষ্ট হৈ অহাৰ লগতে মধ্যাহ্ন ভোজন তথা আন আন আঁচনি ৰূপায়ণত ব্যৰ্থ হৈ অহাত প্ৰধান শিক্ষয়িত্ৰীকো ২৪ ঘণ্টাৰ ভিতৰত কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। ৰাজ্যৰ শিক্ষাখণ্ডক বিতৰ্কমুক্ত কৰাৰ লক্ষ্যৰে বৰ্তমানৰ শিক্ষা বিভাগে পদক্ষেপ গ্ৰহণ কৰিলেও একাংশ শিক্ষকৰ এনে কাণ্ডই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনহাতে, বিদ্যালয়ত প্ৰতিদিনে পলমকৈ উপস্থিত থকা এজন শিক্ষকে সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'মই ঘৰৰ পৰা আহোতে বাটত দুখন ৰেল গেট পাওঁ। সেয়েহে দেৰি হয়। মোৰ গা বেয়া, যানবাহনৰ ভিৰ, নিজৰ জীৱন শেষ কৰিটো স্কুলত আহিব নোৱাৰো। বয়সো হৈছে, গা বেয়া। ভাবিছো চাকৰিৰ পৰা ভিআৰএছ ল'ম।'

# প্ৰবীণ শিক্ষাবিদ-সমাজ সংগঠক প্ৰিতম সিঙৰ বিয়োগ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/বেবেজীয়া, ১৬ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বৰক'লা গাঁৱৰ প্ৰবীণ শিক্ষাবিদ, অসমীয়া শিখ সমাজৰ বটবৃক্ষ স্বৰূপ, সমাজকৰ্মী প্ৰিতম সিং (৮৫)ৰ আজি পুৱা সাত বজাত নগাঁও চহৰৰ ফৌজদাৰীপট্টিৰ বাসগৃহত মৃত্যু হয়। তেওঁ বিগত কিছুদিন ধৰি শাৰীৰিকভাৱে অসুস্থ হৈ চিকিৎসাধীন হৈ আছিল। নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপকৰূপে অৱসৰ গ্ৰহণ কৰা সিঙে অসমীয়া শিখ সন্থা অসমৰ সভাপতি, বৰক'লা শিখ সংগতৰ সভাপতি, বৰক'লা মধ্য ইংৰাজী বিদ্যালয়ৰ সম্পাদক, বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ আসন শুৱনি কৰিছিল। অসম সাহিত্য সভাৰ আজীৱন সভ্য সিঙে বিভিন্ন অনুষ্ঠানৰ স'তে জড়িত হৈ নিঃস্বাৰ্থ সেৱা আগবঢ়াইছিল। পাছত বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়, নানকসৰ গুৰুদ্বাৰ, কেন্দ্ৰীয় গুৰুদ্বাৰ, পুৰণা গুৰুদ্বাৰলৈ তেওঁৰ মৃতদেহ আনি শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিঙৰ লগতে গুৰুমুখ সিং, ললিত সিং, দৰবাৰ সিং, কমল সিং, ভজন সিং, কৰ্তাৰ সিং, ৰাজবীৰ সিং, প্ৰতাপ সিং, ভদ্ৰকান্ত ডেকা, দীপক বৰদলৈ, ললিত নাথ, ব্ৰজেন বৰা আদি বিশিষ্ট ব্যক্তিসকলৰ উপৰি বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যসকল, বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু গাঁৱৰ ৰাইজে তেওঁৰ প্ৰতি শেষশ্ৰদ্ধা জ্ঞাপন কৰে। বৰক'লা গাঁৱতে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। অন্তিম যাত্ৰাত তেওঁৰ পুত্ৰ নাট্যকাৰ অৱতাৰ সিং, কন্যা আৰু ৰাইজ উপস্থিত থাকে।

■ স্বেচ্ছাসেৱী অনুষ্ঠান 'ছত্ৰ'ৰ উদ্যোগত আলোচনা সভা

# পঞ্চায়তীৰাজৰে ক্ষমতাৰ বিকেন্দ্ৰিকৰণেৰে স্থানীয় ব্যৱস্থাক অধিক শক্তিশালী কৰিছে

**অগ্ৰদূত বাৰ্তা**

**নগাঁও, ১৬ ডিচেম্বৰ ঃ** দৰঙৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান 'ছত্ৰ'ই শিশু আৰু মহিলা কেন্দ্ৰিক আঁচনি গ্ৰাম পঞ্চায়ত উন্নয়ন পৰিকল্পনাত অন্তৰ্ভুক্ত কৰাৰ বাবে দিনজোৰা কাৰ্যসূচীৰে দৰং জিলাৰ গাঁও পঞ্চায়তসমূহৰ প্ৰভাৱশালী নাগৰিকসকলৰ স'তে 'ছত্ৰ'ৰ সভাকক্ষত এখন আলোচনা সভা অনুষ্ঠিত হয়। ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি চন্দ্ৰকান্ত নাথ, ভাৰতীয় জনতা পাৰ্টিৰ দৰং জিলা সমিতিৰ সম্পাদক অমূল্য দাসৰ লগতে অৰ্ধশতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত কৰা উক্ত সভাৰ আৰম্ভণিতে উপস্থিত সকলোকে আদৰণি জনায় 'ছত্ৰ'ৰ জেষ্ঠ্য কৰ্মী জগদীশ হাজৰিকাই। ছত্ৰৰ কাৰ্যবাহী সঞ্চালক ননী কুমাৰ শইকীয়াই আঁত ধৰা সভাখনত গ্ৰাম পঞ্চায়ত উন্নয়ন পৰিকল্পনাৰ ওপৰত এক মনোজ্ঞ আলোচনা দাঙি ধৰে ছত্ৰৰ প্ৰকল্প বিষয়া শশীন্দ্ৰ শৰ্মাই। আনহাতে শিশু আৰু মহিলা কেন্দ্ৰীক বাতানুকুল পঞ্চায়ত নিৰ্মাণৰ বাবে আন্তঃৰাষ্ট্ৰীয় সংস্থা একছন এইড এছ'চিয়েছনৰ কাৰ্যবাহী সমীৰ দত্তই এক দীঘলীয়া আলোচনা দাঙি ধৰে। লগতে ভাৰতৰ বিভিন্ন পঞ্চায়তৰ ভ্ৰমণত পোৱা ভিন্ন অভিজ্ঞতা বৰ্ণনাৰে উপস্থিত ৰাইজক সন্মোহিত কৰে। ভাৰতীয় সংবিধানে ১৯৯২ত হোৱা সংবিধান সংশোধনীৰ জৰিয়তে পঞ্চায়তীৰাজ ব্যৱস্থাক সাংবিধানিক স্বীকৃতি প্ৰদানৰ জৰিয়তে সংবিধানৰ অনুচ্ছেদ ২৪৩ত উল্লিখিত ১১ সংখ্যক সূচীত সন্নিবিষ্ট ২৯টা বিষয়ৰ ওপৰত পঞ্চায়তীৰাজ ব্যৱস্থাক কৰ্তৃত্ব প্ৰদান কৰিছে। ইয়াৰ দ্বাৰা ৰাজ্য চৰকাৰে পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে ক্ষমতা আৰু কৰ্তৃত্ব বিকেন্দ্ৰীকৰণ জৰিয়তে স্থানীয় চৰকাৰ ব্যৱস্থাক আৰু অধিক টনকিয়াল কৰিবলৈ মাত্ৰা প্ৰদান কৰিছে। জনসাধাৰণৰ আৰ্থিক-সামাজিক আৰু সাংস্কৃতিক ন্যায় সাধন নিশ্চিত কৰিবলৈ ৰাইজৰ সুবিধাৰ্থে আঁচনি ৰূপায়ণ আৰু কাৰ্যকৰীকৰণৰ ওপৰত স্থানীয় চৰকাৰসমূহৰ গুৰুত্ব বৃদ্ধি কৰিবলৈ চৰকাৰৰ সহযোগিতা কামনা কৰে। আন্তঃৰাষ্ট্ৰীয় সংস্থা ইউনিচেফ আৰু একছন এইড এছ'চিয়েছনৰ সহযোগত ছত্ৰই আয়োজন কৰা আজিৰ এই আলোচনা সভাত ৰমণী ডেকা, দ্বিজেন চলিহা, অনামিকা দাস অজিত নাথ, অমূল্য দাস আদি ব্যক্তিয়ে আলোচনাত ভাগ লয়। সভাখনৰ মুকলি আলোচনাত চৰকাৰী নানা নিৰ্দেশনাত বন্দী আঁচনিসমূহৰ কাৰ্যকৰীকৰণৰ অসুবিধাসমূহ আলোচনা কৰে। শিশু আৰু মহিলাৰ বাবে গাঁওসভাযোগে অহা আঁচনিসমূহক অগ্ৰাধিকাৰ ভিত্তিক সমাধানৰ পৰিকল্পনা গ্ৰহণৰ সংকল্পৰে ছত্ৰৰ সমন্বয়ক জগদীশ হাজৰিকাৰ শলাগনি বাৰ্তাৰে কাৰ্যসূচীৰ সমাপ্তি ঘটায়।

# এছএছবিৰ উদ্যোগত সীমান্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক ৰাজ্যৰ বাহিৰলৈ শৈক্ষিক ভ্ৰমণৰ বাবে প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১৬ ডিচেম্বৰ ঃ** হাউলীস্থিত ২৭ বেটেলিয়ন এছএছবিৰ উদ্যোগত ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলৰ বাগ্‌সা জিলাৰ ১৪ জন শিক্ষিত যুৱক-যুৱতী আজি সাত দিনীয়া শিক্ষামূলক ভ্ৰমণ সূচীৰে দিল্লীলৈ ৰাওনা হয়। উক্ত শৈক্ষিক ভ্ৰমণৰ আনুষ্ঠানিকভাৱে ফ্লেগ অফ কৰে বাহিনীটোৰ ৰঙিয়াস্থিত ছেক্টৰ হেড কোৱাৰ্টাৰ উপ-মহাপৰিদৰ্শক জগদীপ পাল সিঙে। উল্লেখ্য যে এছএছবিৰ উদ্যোগত আয়োজিত ভ্ৰমণসূচীত অংশগ্ৰহণ কৰা শিক্ষাৰ্থীৰ দলটোক ভ্ৰমণৰ পূৰ্বে আনুষ্ঠানিকভাৱে অভিনন্দন জ্ঞাপন কৰে বাহিনীটোৰ ৰঙিয়াৰ ছেক্টৰ ডিআইজি জগদীপ পাল সিঙে। এই উপলক্ষে ২৭ বেটেলিয়ন এছএছবিৰ হাউলীস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত কৰা অভিনন্দন অনুষ্ঠানত ১৪ জন যুৱক-যুৱতীক কাপোৰ, বেগ তথা বহি কলেমেৰে অভিনন্দন জনায়। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বাহিনীটোৰ ৰঙিয়াৰ ছেক্টৰ ডিআইজি জগদীপ পাল সিঙে। অনুষ্ঠানত উপস্থিত থাকি ডিআইজি সিঙে ভাষণত কয় যে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ ঠাইত কেনেধৰণৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক দিশত শিক্ষাৰ্থী আৰু সমাজ ব্যৱস্থা আগবাঢ়িছে সেই সকলো দিশ দেখুওৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক এনে ভ্ৰমণ সূচীত লৈ যোৱা হৈছে। যাতে এই ছাত্ৰ-ছাত্ৰীসকলে ঘৰলৈ উভতি আহি ভাৰত-ভূটান সীমান্তত আৰ্থ-সামাজিক আৰু শৈক্ষিক দিশত উন্নত কৰাত অৰিহণা যোগাব পাৰে। এয়া প্ৰধান উদ্দেশ্য। তদুপৰি দেশৰ সুৰক্ষাৰ দায়িত্বত নিয়োজিত কৰ্মীসকলে কিদৰে দেশপ্ৰেমমূলক কামত নিয়োজিত হৈ থাকে সেই কথা শিকোৱাৰ ক্ষেত্ৰতো গুৰুত্ব দিব বুলি মন্তব্য কৰে। উল্লেখ্য যে আজিৰে পৰা ভ্ৰমণৰ কাৰ্যসূচী আৰম্ভ হোৱা ছাত্ৰ-ছাত্ৰীৰ দলটোক দেশৰ কে'বাখনো প্ৰদেশত ভ্ৰমণ কৰোৱাৰ লগতে ৰাজস্থান আৰু দিল্লীৰ ঐতিহাসিক আৰু সাংস্কৃতিক অনুষ্ঠান পৰিদৰ্শন কৰাব। দলটো অহা ২৩ ডিচেম্বৰত ৰাজ্যলৈ পুনৰ উভতি আহিব।

# ভানুকুছি মজলীয়া বিদ্যালয়ৰ পুথিভঁৰাল ডাঃ কৈলাস ভট্টাচাৰ্যৰ স্মৃতিত উৎসৰ্গিত

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১৬ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগৰ ভানুকুছি মজলীয়া বিদ্যালয়ৰ পুথিভঁৰালটো আজি ভানুকুছিৰ সু-সন্তান, খ্যাতিমান চিকিৎসক, যশস্বী কাব্যসাধক ডাঃ কৈলাশ ভট্টাচাৰ্যৰ স্মৃতিত উৎসৰ্গা কৰা হয়। বিগত ১৬ নৱেম্বৰত আকস্মিকভাৱে ইহসংসাৰৰ পৰা মেলানি মগা মানৱ দৰদী, সুনিপুণ অনুবাদক ডাঃ কৈলাস ভট্টাচাৰ্যৰ স্মৃতিত পুথিভঁৰালটো নান্দনিক পৰিৱেশত, মাংগলিক আচাৰ-ৰীতিৰ মাজেৰে ফিটা কাটি আনুষ্ঠাকিভাৱে উন্মোচন কৰে ডাঃ ভট্টাচাৰ্যৰ সহধৰ্মীণী ললিতা দেৱীয়ে। অনুষ্ঠানত শুভেচ্ছামূলক বক্তব্য ৰাখি ডাঃ ভট্টাচাৰ্যৰ কনিষ্ঠ ভ্ৰাতৃ, দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সূৰ্যকান্ত ভট্টাচাৰ্যই বিদ্যালয়ত মজুত থকা অতিৰিক্ত কিতাপসমূহ সংৰক্ষণ কৰাৰ বাবে এটা আলমাৰী প্ৰদান কৰিব বুলি ব্যক্ত কৰে। বৃহত্তৰ অঞ্চলটোৰ কে'বাগৰাকীও বিশিষ্ট শুভাকাংক্ষী উপস্থিত থকা অনুষ্ঠানটোত আদৰণি বক্তব্য প্ৰদান কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক তপন তালুকদাৰে।

# বজালীৰ অকয়াত ১৯৭১ৰ যুদ্ধৰ ছহিদ জোৱানক সশ্ৰদ্ধ সোঁৱৰণ



অৱসৰপ্ৰাপ্ত সৈনিক ধীৰেণ সিংহই আজিও আবেগত চকুপানী টোকে

**বিশেষ সম্বাদদাতা**

**পাঠশালা, ১৬ ডিচেম্বৰ ঃ** ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা ১৯৭১ৰ যুদ্ধত

## ৰাষ্ট্ৰৰ ছহিদ জাতিৰ শৌৰ্য

ভাৰতীয় সেনাৰ হাতত পাকিস্তান পৰাজিত হোৱাৰ পাছত বাংলাদেশৰ জন্ম হৈছিল। এই ভয়াবহ যুদ্ধৰ স্মৃতি বুকুত লৈ বজালীৰ আৰু যুদ্ধ জয়ৰ আজি ১৬ ডিচেম্বৰৰ দিনটোত অকয়া গাঁৱৰ সত্ৰৰ সমীপৰ স্বগৃহত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি ৰাষ্ট্ৰৰ ছহিদসকলক স্মৰণ কৰে। এনে উদ্দেশ্যতেই আজি ধীৰেণ সিংহই আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান বন্তি প্ৰজ্বলনেৰে মুকলি কৰি ছহিদসকলে ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা অম্লান বৰঙণিক মনত পেলাই বজালীৰ উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীয়ে কয় যে ৰাষ্ট্ৰৰ ছহিদসকল জাতিৰ শৌৰ্য। উপায়ুক্ত দেৱচৌধুৰীয়ে সেই সময়ৰ যুদ্ধৰ বিভীষিকাময় সময় কেনে ভয়ংকৰ আছিল সেই কথাও তেওঁ বৰ্ণনা কৰে। অনুষ্ঠানত অৱসৰী সৈনিক ধীৰেণ সিংহয়ো সবিস্তাৰে সেই যুদ্ধৰ ভয়াবহতাক অনৰ্গল ৰাইজক কৈ যায়। এই যুদ্ধত সৈনিক সিংহও আহত হৈছিল। সেয়ে সকলো কথা তেওঁৰ আজি চকুত ভাহি উঠা বুলিও তেওঁ আবেগ বিহ্বল হৈ ব্যক্ত কৰে।

# উজ্জ্বলপুৰ গাঁও পঞ্চায়তৰ গাঁও সভাত

*তিনি পৃষ্ঠাৰ পৰা* বিভাগ, মীন বিভাগকে ধৰি গৰিষ্ঠ সংখ্যক গুৰুত্বপূৰ্ণ বিভাগৰ প্ৰতিনিধিৰ উপস্থিতি আছিল শূন্য। যাৰ বাবে আজি উপস্থিতসকলে শোক প্ৰকাশ কৰে। এনে বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীৰ অনুপস্থিতিত কি পৰিকল্পনা গ্ৰহণ কৰা হ'ব বুলিও প্ৰশ্ন তোলে। উল্লেখ্য যে উজ্জ্বলপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ টা ৱাৰ্ডৰ ভিতৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জল জীৱন আঁচনিৰ অন্তৰ্গত বিশুদ্ধ খোৱাপানী ব্যৱস্থা ইতিমধ্যে উজ্জ্বলপুৰ কাচিপথাৰ, চতকপুৰ আৰু ৰাজগড় আদি ৱাৰ্ডত ব্যৱস্থা কৰা হৈছে যদিও কাচিপথাৰ ৱাৰ্ডৰ টেপৰ পাইপসমূহ পুৰণা পাইপেৰে মেৰামতি কৰাৰ অভিযোগ উত্থাপন কৰিছে গাঁওবাসীয়ে। আনহাতে, ৰাজগড় বঙালী, নপাম ৱাৰ্ডৰ বাবে নতুন বৰ্ষৰ জানুৱাৰীৰ পৰা অনুমোদন হ'ব বুলি বিভাগীয় বিষয়াগৰাকীয়ে সদৰী কৰে। তদুপৰি পশু চিকিৎসা বিভাগৰ অন্তৰ্গত লীলাবাৰী উপ-স্বাস্থ্য কেন্দ্ৰটো কেৱল নামতহে থকাৰ অভিযোগ কৰে ভুক্তভোগী ৰাইজে। পঞ্চায়তৰ জৰিয়তে গাঁওসমূহলৈ ষ্ট্ৰিট লাইটৰ সুব্যৱস্থা দিয়া হৈছে যদিও এতিয়াও প্ৰায়বোৰ গাঁৱেই এই সুব্যৱস্থাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে।

# কোচ ৰাজবংশীক বিভাজনেৰে হত্যা

*তিনি পৃষ্ঠাৰ পৰা* হৈছে। ইয়াৰ প্ৰতিবাদতে আক্ৰাছুৱে অহা ২২ ডিচেম্বৰত বিজেপি চৰকাৰৰ প্ৰতাৰণাৰ বিৰুদ্ধে গুৱাহাটীৰ লাষ্টগেটত তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী হাতত লৈছে।' ইফালে, কমতাপুৰ স্বায়ত্ত পৰিষদ (কে এ চি) গঠন প্ৰসংগত তেওঁলোকে কয়, 'আক্ৰাছুৱে কেতিয়াও কে এ চি বিচৰা নাছিল আৰু চৰকাৰৰ উপহাৰক বিৰোধ কৰাও নাছিল। কিন্তু জন্মলগ্নৰ পৰা দাবী আছিল কোচ ৰাজবংশীসকলক জনজাতিকৰণৰ মৰ্যাদা দিয়ক। কিন্তু তাকে নকৰি চৰকাৰে ভেঁকোভাওনাৰে কে এ চি প্ৰদান কৰি কোচ ৰাজবংশীসকলক ভাগ ভাগ কৰিলে।' নৱগঠিত কেন্দ্ৰীয় সমিতিখনে কোচ ৰাজবংশী জনগোষ্ঠীৰ আবেগ-অনুভূতিক লৈ চৰকাৰৰ কোনো ধৰণৰ হেতালি খেলা সহ্য কৰা নহ'ব বুলি হুংকাৰ দিয়ে। আনহাতে, সশস্ত্ৰ সংগঠন কেএলঅ'ৰ স'তে অসম চৰকাৰৰ আলোচনা প্ৰক্ৰিয়াৰ সন্দৰ্ভতো শান্তি আলোচনাৰ নামত বিপ্লৱী সংগঠনটোই মূল সুঁতিলৈ আহক বুলি কৈ আক্ৰাছুৰ কোনো আপত্তি নাই বুলি কয়। কিন্তু আলোচনাৰ নামত ছহিদৰ ত্যাগক অৱজ্ঞা নকৰিবলৈ আহ্বান জনাই কেএলঅ'ৰ স'তে চৰকাৰৰ শান্তি আলোচনা প্ৰক্ৰিয়াৰ মধ্যস্থতাকাৰীক লৈ আক্ৰাছুৰ কিছু সন্দেহ ওপজা বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে আক্ৰাছুৰ সাধাৰণ সম্পাদক ৰায়ে। আনহাতে, ধুবুৰী জিলাৰ শালকোছাত গণতান্ত্ৰিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰা জনতাৰ ওপৰত গৌৰীপুৰ মহকুমা আৰক্ষী বিষয়াই বৰ্বৰভাৱে লাঠিচালনা কৰা ঘটনাক আক্ৰাছুই কঠোৰ ভাষাৰে গৰিহণা দি আৰক্ষী বিষয়াজনক নিলম্বনৰ দাবী তুলিছে। অন্যথা দুই-এদিনৰ ভিতৰতে প্ৰতিবাদত নমাৰ হুংকাৰ দিয়ে। ইফালে, সংগঠনটোৰ ২১ সংখ্যক জাতীয় ছহিদ দিৱস এইবেলি গোসাঁইগাঁও মহকুমাত অহা পহিলা বৰ্ষৰ সাত জানুৱাৰীত কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰা হ'ব বুলি কয়। আজিৰ এই সংবাদমেলত আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি দেৱজিৎ ৰায়, উপ-সভাপতি নৃপেন পাটগিৰি, শিক্ষা সম্পাদক মিণ্টু বৰ্মন, প্ৰাঞ্জল চৌধুৰী, হেমন্ত বৰ্মন, কৃষ্ণ বৰ্মন, প্ৰহ্লাদ বৰ্মন আদি উপস্থিত থাকে।

# চামগুৰি মহাবিদ্যালয়ত ছাত্ৰ একতা

*তিনি পৃষ্ঠাৰ পৰা* পৰা বঞ্চিত কৰিছে বুলি বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে অভিযোগ উত্থাপন কৰিছে। চৰকাৰী স্বীকৃতিপ্ৰাপ্ত এই মহাবিদ্যালয়খনৰ নিৰ্বাচনী পৰিচালনা সমিতিয়ে ছাত্ৰ-ছাত্ৰীৰ পৰা অধিক হাৰত মাচুল কিয় সংগ্ৰহ কৰিছে বুলি আজি নিৰ্বাচন পৰিচালনা সমিতিৰ দায়িত্বত থকা এজন অধ্যাপকে কয়, 'নিৰ্বাচনৰ দিনটোত মহাবিদ্যালয়খনত শান্তি-শৃংখলা বজাই ৰাখিবৰ বাবে নিয়োগ হ'বলগীয়া আৰক্ষীক খোৱা-বোৱাৰ ব্যৱস্থা কৰিবলগীয়া হয়। লগতে নিৰ্বাচনৰ দিনা নিৰ্বাচনত জড়িত অধ্যাপক-কৰ্মচাৰীক ব্যক্তিগত বাহনত থৈ আহিবলগীয়া হয়। ইয়াৰ লগতে অন্যান্য ব্যয় বহন কৰিবলগীয়া হোৱাৰ বাবেহে ছাত্ৰ-ছাত্ৰীৰ পৰা অধিক মাচুল সংগ্ৰহ কৰিবলগীয়া হৈছে। 'মহাবিদ্যালয়খনত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা প্ৰাৰ্থীৰ পৰা ধন সংগ্ৰহ কৰা কাৰ্যক কেন্দ্ৰ কৰি চামগুৰি অঞ্চলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# মৰিগাঁৱত মথাউৰি নিৰ্মাণৰ বাবে

*তিনি পৃষ্ঠাৰ পৰা* ৰাজহ চক্ৰ মিলি প্ৰায় এক লাখ ৩০ হেজাৰ বিঘা কৃষিভূমি খহনীয়াত জাহ গৈছে। তদুপৰি বহু শিক্ষানুষ্ঠান, মন্দিৰ, নামঘৰ, মছজিদ আৰু অন্যান্য চৰকাৰী তথা সামাজিক অনুষ্ঠানৰ কাৰ্যালয় আদি জাহ গৈছে নদীৰ বুকুত। যোৱা ৫০ বছৰে নদীৰ খহনীয়া প্ৰতিৰোধ আৰু অপৰিকল্পিত মথাউৰিৰ নামত কোটি কোটি টকা লুণ্ঠন হৈছে গ্ৰামোন্নয়ন আৰু জলসম্পদ বিভাগত। বৰ্তমানৰ চৰকাৰখনে নিৰ্বাচনৰ আগতে মৰিগাঁও জিলাৰ ভয়াবহ সমস্যাটোৰ সমাধানৰ বাবে আশ্বাস দিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মৰিগাঁওবাসীক নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি অৱশেষত ৫০ বছৰৰ পাছত মৰিগাঁওবাসীলৈ আহিছে এটি ভাল খবৰ। মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ প্ৰচেষ্টাৰ বাবে এই বৰ্ষত নাবাৰ্ডে প্ৰথমবাৰৰ বাবে মথাউৰি নিৰ্মাণৰ হেতু মৰিগাঁও জিলালৈ এক পেকেজত অনুমোদন জনাইছে। সেই পেকেজ অনুসৰি, ভূৰাগাঁৱৰ পশ্চিমাঞ্চলত আঠ কিলোমিটাৰ আৰু ৫.৫ কিলোমিটাৰ দুটা মথাউৰি নিৰ্মাণৰ বাবে ক্ৰমে ৩৫.১৫ কোটি আৰু ২৩.৯ কোটি পুঁজি ধাৰ্য কৰি দিছে। বৰ্তমানলৈ অসমত মথাউৰি নিৰ্মাণৰ বাবে নাবাৰ্ডে অনুমোদন জনোৱা এইটোৱে হৈছে সৰ্ববৃহৎ পেকেজ। নাবাৰ্ডৰ দ্বাৰা অনুমোদিত পুঁজিৰে মথাউৰি দুটা নিৰ্মাণ কৰিবৰ বাবে মৰিগাঁও জিলা জলসম্পদ বিভাগেও ক্ষেত্ৰত যুদ্ধকালীন তৎপৰতাৰে মথাউৰিৰ স্থান নিৰূপণ কৰি কাম আৰম্ভ কৰিবৰ বাবে তৎপৰ হৈছে। মৰিগাঁও জিলা জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা লোচন চৌধুৰীয়ে উল্লেখ কৰা মতে, ইতিমধ্যে বিভাগীয়ভাৱে মথাউৰিৰ স্থান নিৰূপণ কৰা হৈছে। কাৰ্যবাহী অভিযন্তাজনে কয় যে জলসম্পদ মন্ত্ৰীৰ নিৰ্দেশ অনুসৰি এইবাৰ সময়মতে মথাউৰি দুটাৰ কাম সম্পূৰ্ণ কৰাৰ বাবে সকলো ব্যৱস্থা লোৱা হৈছে। কাৰ্যবাহী অভিযন্তাজনৰ এনে আশ্বাসৰ বিপৰীতে ভূৰাগাঁও আৰু বৰালিমাৰীৰ একাংশ স্থানীয় লোকে ক্ষেত্ৰত বিভিন্ন ধৰণে আলোচনা কৰি মথাউৰিটোৰ স্থান সলনি কৰাৰ বাবে শক্তি প্ৰয়োগৰ চেষ্টাত নামিছে। ভূৰাগাঁৱৰ এইসকল লোকে নিজৰ ঘৰ বাৰীৰ ওপৰেদি যাতে মথাউৰি নাযায় তাৰ বাবে মথাউৰিটোৰ স্থান-সাল সলনিৰ চেষ্টা কৰাৰ বিপৰীতে বৰালিমাৰীৰ লোকসকলে বৰালিমাৰী বজাৰখনৰ ওপৰেদি মথাউৰি নিৰ্মাণ নকৰিবৰ বাবে এক ছায়া যুদ্ধত অৱতীৰ্ণ হৈছে। এনে অশুভ শক্তিবোৰে যাতে চৰকাৰখনৰ এক যোগাত্মক কামত বাধাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে বুধবাৰে ভূৰাগাঁও ৰাজহ চক্ৰ কাৰ্যালয়ত চক্ৰ বিষয়া প্ৰিয়ংকা দাসৰ উপস্থিতিত মৰিগাঁও জিলা জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা লোচন চৌধুৰীয়ে অঞ্চলৰ একাংশ সচেতন লোকৰ স'তে মত বিনিময় কৰি মথাউৰি দুটাৰ স্থান সম্পৰ্কে নিশ্চিত কৰি দিয়াৰ পাছত পুণৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে এটা শক্তিয়ে মথাউৰি দুটা নিৰ্মাণত বিধি-পথালি দিয়াৰ চেষ্টাত নামিছে। সেয়ে অঞ্চলৰ সচেতন লোকসকলে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী, জলসম্পদ মন্ত্ৰী তথা মৰিগাঁও জিলা প্ৰশাসনক অশুভ শক্তিৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি হ'লেও বাৰিষাৰ আগতেই জলসম্পদ বিভাগে নিৰ্ণয় কৰা বিজ্ঞানসন্মত নিৰ্ভৰযোগ্য স্থানত নদীৰ পাৰৰ পৰা নিৰ্দিষ্ট দুৰত্বত মথাউৰিদুটা নিৰ্মাণ কৰি এক দীৰ্ঘদিনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে দাবী জনাইছে।

# আধাৰ সংযোগ, পঞ্চায়ত-গ্ৰামোন্নয়ন আৰু আদৰ্শ গাঁও যোজনা সন্দৰ্ভত পৰ্যালোচনা

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৬ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়াই বুধবাৰে বিয়লি বঙাইগাঁও জিলা পৰিষদৰ সভাকক্ষত ৰেছন কাৰ্ড, জবকাৰ্ড আদি ব্যক্তিগত পৰিচয়সূচক কাৰ্ডৰ লগত হিতাধিকাৰীৰ আধাৰ সংযোগ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত উন্নয়ন খণ্ডসমূহত চলি থকা কাম-কাজ আৰু আদৰ্শ গ্ৰাম যোজনা আদি বিষয়ত সংশ্লিষ্ট বিষয়াসকলৰ লগত পৰ্যালোচনা কৰে। জিলাখনত খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ ৰেছন কাৰ্ড, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন যোজনাৰ অধীনত দিয়া জবকাৰ্ড আদিৰ লগত আধাৰ নম্বৰ সংযোগ কৰা কাম অতি শীঘ্ৰে সমাপ্ত কৰিবলৈ খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ অধীক্ষক আৰু খণ্ড উন্নয়ন বিষয়াসকলক উপায়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে।

# বিহালীৰ পণ্ডিত দীনদয়াল আদৰ্শ মহাবিদ্যালয়ৰ প্ৰবক্তাৰ দেহত ক'ভিড

## চাৰিদিনৰ বাবে মহাবিদ্যালয় বন্ধ ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৬ ডিচেম্বৰ ঃ** বিশ্বনাথ জিলাৰ বিহালী সমষ্টিৰ অন্তৰ্গত পণ্ডিত দীনদয়াল আদৰ্শ মহাবিদ্যালয়ৰ এগৰাকী প্ৰবক্তাৰ দেহত ক'ভিডৰ উপস্থিতি ধৰা পৰাত আতংকিত হৈ পৰিছে শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে শিক্ষাৰ্থীসকল। মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ প্ৰবক্তা জাহ্নবী নাথৰ দেহত ক'ভিডৰ উপস্থিতি ধৰা পৰিছে। যাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই আজিৰে পৰা অহা ২০ ডিচেম্বৰলৈকে শিক্ষানুষ্ঠান সম্পূৰ্ণ বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰাপ্ত তথ্য মতে, প্ৰবক্তাগৰাকীয়ে তিনি চাৰিদিন পূৰ্বে অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ পৰা আহিছিল।

# জনজাতিকৰণৰ দাবীত আছাৰ উত্তাল প্ৰতিবাদ, পুত্তলিকা দাহ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১৬ ডিচেম্বৰ ঃ** আদিবাসীসকলক জনজাতিকৰণাৰ দাবীত আদিবাসী ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ আহ্বানমৰ্মে আজি তিনিচুকীয়া জিলাৰ ১৮খনকৈ আঞ্চলিক সমিতিয়ে নিজা নিজা অঞ্চলত প্ৰতিবাদ সাব্যস্ত কৰাৰ সমান্তৰালভাৱে তিনিচুকীয়াৰ থানা চাৰিআলিত আদিবাসী ছাত্ৰ সন্থাৰ তিনিচুকীয়া আঞ্চলিক সমিতিয়ে আৰু গুইজান চাৰিআলিত গুইজান আঞ্চলিক সমিতিয়ে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু সাংসদ পল্লৱলোচন দাসৰ প্ৰতিকৃতী দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদৰ জৰিয়তে সংসদত দুজন প্ৰতিনিধি থকাৰ পাছতো আদিবাসীসকলৰ অভাৱ-অভিযোগ তথা সমস্যাসমূহ উত্থাপন নকৰাৰ অভিযোগ কৰিছে সংগঠনটোৱে। উক্ত প্ৰতিবাদৰ জৰিয়তে আদিবাসীসকলক জনজাতিকৰণৰ লগতে ভূমিৰ পট্টা প্ৰদান কৰা আৰু আদিবাসীসকলক আদিবাসী নামেৰে জাতিগত প্ৰমাণপত্ৰ প্ৰদানৰ দাবী জনায় সংগঠনটোৱে। আজি তিনিচুকীয়াৰ প্ৰতিবাদস্থলীত আদিবাসী ছাত্ৰ সন্থাৰ তিনিচুকীয়া আঞ্চলিক সমিতিৰ সভাপতি শ্যাম হৰপাল, সম্পাদক কুনাল বাগ আৰু গুইজানত গুইজান আঞ্চলিক সমিতিৰ সভাপতি অতুল কাইটা, সম্পাদক চনু ত্ৰীপাঠীৰ লগতে ভালেসংখ্যক কৰ্মকৰ্তা উপস্থিত থাকে।

# বকোৰ হাতীচৰাত কিশোৰীৰ ৰহস্যজনক মৃত্যু ঃ গ্ৰেপ্তাৰ দুই

**আলোপতি, ১৬ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ মন্দিৰা আৰক্ষী চকীৰ অন্তৰ্গত হাতীচৰাত যোৱা ১২ ডিচেম্বৰৰ নিশা গাঁওখনৰ এগৰাকী কিশোৰীৰ ৰহস্যজনক মৃত্যুৰ স'তে জড়িত দুজন অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে একেখন আৰক্ষী চকীৰ অধীনস্থ বামুণবড়ীৰ তাইজুদ্দিন আহমেদ নামৰ যুৱকজনে ঘৰত কোনো নথকাৰ সুযোগত হাতীচৰা গাঁৱৰ প্ৰেমিকাক ঘৰলৈ লৈ যায়। নিশা তিনি বজাত তাইজুদ্দিনৰ ঘৰৰ পৰা কিশোৰীগৰাকীৰ পৰিয়ালৰ লোকক তেওঁলোকৰ ঘৰলৈ যাবলৈ কোৱাৰ পাছত ৰহস্যজনকভাৱে মৃত্যু হয়। পুৱতি নিশা পিতৃয়ে ততাতৈয়াকৈ হেকৰা চিকিৎসালয়লৈ যায় যদিও কিশোৰীগৰাকীৰ মৃত্যু হয়। পৰিয়ালৰ লোকে কিশোৰীগৰাকীক কৰি হত্যা কৰা হৈছিল বুলি অভিযোগ উত্থাপন কৰে। ৰাইজে অভিযুক্তক কৰায়ত্ত কৰি উচিত শাস্তি প্ৰদানৰ দাবীত প্ৰতিবাদ অব্যাহত ৰাখে। ইফালে, কিশোৰীগৰাকীৰ পৰিয়ালৰ এজাহাৰৰ ভিত্তিত বকো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখি অৱশেষত উক্ত ঘটনাৰ লগত জড়িত দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ হোৱা মূল অভিযুক্ত তাইজুদ্দিন আলী(২২) আৰু ছহিদুল আলী (২২)ক ইতিমধ্যে জেল হাজোতলৈ প্ৰেৰণ কৰা হৈছে।

# ওদালগুৰিত পথ দুৰ্ঘটনাত নিহত এজন

## ভুক্তভোগীক চিকিৎসা কৰিবলৈ জৰুৰী বিভাগত নাই চিকিৎসক

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৬ ডিচেম্বৰ ঃ** পুনৰ ওদালগুৰিত আজি সংঘটিত হয় পথ দুৰ্ঘটনা। উক্ত দুৰ্ঘটনাত ট্ৰেক্টৰৰ খুন্দাত প্ৰাণ হেৰুৱাই সৌমখৰ বড়ো (২০) নামৰ এজন যুৱকে। উল্লেখ্য যে যুৱকজনে আন এজনে সংগীৰ স'তে মটৰ চাইকেলেৰে নিজ ঘৰলৈ গৈ থকা সময়তে হৰপুৰ অঞ্চলত ৰৈ থকা আন এখন বাহনক পাৰ হৈ যাব বিচাৰোতে হঠাৎ মটৰ চাইকেলসহ দুয়ো ৰাজপথত বাগৰি পৰে। ইয়াৰ পাছতে পিছফালৰ পৰা আহি থকা এখন ট্ৰেক্টৰৰ চকাৰ তলত দুৰ্ভাগ্যজনকভাৱে সৌমখৰ বড়ো সোমাই আহত হয়। লগে লগে ১০৮ এম্বুলেন্সেৰে আহত দুয়োজনকে ওদালগুৰি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। কিন্তু কিছু সময়ৰ পাছতে গুৰুতৰভাৱে আহত সৌমখৰ বড়োৱে শেষ নিশ্বাস ত্যাগ কৰে। ইয়াৰ পাছতে চিকিৎসালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে উত্থাপিত হয় এক অভিযোগ। ৯.৩০ বজাত চিকিৎসালয়লৈ অনা আহত যুৱকজনক চিকিৎসা কৰিবলৈ জৰুৰী বিভাগত নাছিল কোনো এজন চিকিৎসক। এই গুৰুতৰ অভিযোগ উত্থাপন কৰে আনজন আহত যুৱকসহ চিকিৎসালয়খনলৈ যোৱা আন ৰোগীয়ে। কিন্তু অতি আশ্চৰ্যজনক বিষয় এয়ে যে বিগত পূৰ্বেও এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োৱে চিকিৎসালয়খনলৈ চিকিৎসাৰ বাবে গৈ চিকিৎসালয়খনত কোনো চিকিৎসক নোপোৱাৰ বিষয়টো অধীক্ষকজনক অভিযোগ দাখিল কৰিছিল।

# অভয়াপুৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ৰফিকুল ইছলামৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**



**অভয়াপুৰী, ১৬ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়ৰ আৰবী বিভাগৰ সহকাৰী অধ্যাপক তথা মেৰেৰচৰ নিবাসী ৰফিকুল ইছালম (৪৪)ৰ কালি অকাল বিয়োগ ঘটাত শোকৰ ছাঁ পৰিছে মহাবিদ্যালয় তথা অঞ্চলটোৰ ৰাইজৰ মাজত। ইছলামৰ নশ্বৰদেহ নিজ গৃহলৈ অনাৰ পাছত আত্মীয় স্বজন তথা গুণমুগ্ধসকলে শ্ৰদ্ধা জনোৱাৰ পাছত নিশাই জানাজা সম্পন্ন কৰে। অভয়াপুৰীৰ নিকটৱৰ্তী মেৰেৰচৰ গাঁও পঞ্চায়তৰ কুশবাৰীত জন্মগ্ৰহণ কৰা হাছেম আলীৰ পুত্ৰ ইছলাম দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। কালি আবেলি গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত তেওঁৰ মৃত্যু হয়। সুললিত কণ্ঠত গজল পৰিবেশন কৰি বহুতকে মোহাবিষ্ট কৰা ইছলামৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে অভয়াপুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সদানন্দ নাথ, উপাধ্যক্ষ চিন্তামণি শৰ্মা, ছাত্ৰ একতা সভা, কলেজ শিক্ষক সন্থা, মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ সভাপতি, সম্পাদক ক্ৰমে কুন্তলকান্তি পাঠক, বিক্ৰমৰঞ্জন ৰয়, ৰাষ্ট্ৰীয় সেৱা যোজনা গোট, অভয়াপুৰী, আৰোহণ একাডেমী অভয়াপুৰীকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে। উল্লেখ্য যে ইছলামে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা গ্ৰহণ স্থানীয় বিদ্যালয়ত আৰু অভয়াপুৰী মহাবিদ্যালয়ৰ পৰা স্নাতক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আৰবী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰ পাছত আৰোহণ একাডেমীত কিছুদিন কাম কৰাৰ পাছত অভয়াপুৰী মহাবিদ্যালয়ত অংশকালীন সহকাৰী অধ্যাপক হিচাপে কাম কৰে। ডেৰমাহমান পূৰ্বে ইছলাম দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ থকাৰ পাছত যোৱা ১৩ ডিচেম্বৰত গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰোৱা হৈছিল।

# বিটিআৰৰ কৃষক ৰাইজ পূৰ্বতকৈ বেছি উপকৃত হৈছে ঃ ই এম বৰুৱা

**অগ্ৰদূত বাৰ্তা**

**কলাইগাঁও, ১৬ ডিচেম্বৰ ঃ** মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিআৰৰ চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে জলসিঞ্চন বিভাগৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাই আজি কলাইগাঁৱত এখন সংবাদমেল আহ্বান কৰি বিটিআৰবাসী ৰাইজক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে বিগত বছৰটোৰ জলসিঞ্চন বিভাগৰ খতিয়ান দাঙি ধৰে। সংবাদমেলৰ আৰম্ভণিতে তেওঁ বিগত বছৰটোত ৮৩খন জলসিঞ্চন আঁচনি মেৰামতি সম্পন্ন কৰি কৃষক ৰাইজৰ উপকৃত হোৱা বুলি সদৰী কৰে। আনহাতে, যোৱা বিটিচি চৰকাৰৰ কাৰ্যকালত ২০০৯-১০ আৰু ২০১৩-১৪ত কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদিত এ বি ভি পিৰ ধনেৰে আঁচনিসমূহক তিনিটা শ্ৰেণীত ভাগ কৰি ৰূপায়ণ কৰা হ'ব বুলি অৱগত কৰে। সেই অনুসৰি, যিখিনি আঁচনিৰ দ্বাৰা বৰ্তমানলৈকে কৃষক ৰাইজে উপকৃত হৈ আছে বা পানী খাই আছে সেই আঁচনিকেইখন আৰু যিকেইখন আঁচনিত সামান্য ধন খৰচ কৰিলেই সুচল হয় সেইকেইখন আঁচনি 'বি'ৰে চিহ্নিত কৰাৰ বিপৰীতে যিকেইখন আঁচনি অৰ্থহীন পৰি আছে সেই আঁচনিসমূহ 'চি' কেটেগৰী হিচাপে চিহ্নিত কৰা বুলি জনায়। যিকেইখন আঁচনি কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্য চৰকাৰে আৰ্থিক অনুদান দিলেহে সফল ৰূপায়ণ কৰিব পৰা যাব। বি কেটেগৰীত অন্তৰ্ভুক্ত কৰা আঁচনি কেইখনৰ জৰিয়তে কৃষক ৰাইজৰ পৰ্যাপ্ত পৰিমাণৰ পানী যোগান ধৰি উপকৃত কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। আনহাতে, আগৰ চৰকাৰৰ কাৰ্যকালত আসোঁৱাহপূৰ্ণভাৱে ৰূপায়িত আঁচনিসমূহ চিএছডিৰ জৰিয়তে পুনৰীক্ষণ কৰি কোনখন আঁচনিত কিমান টকা দিলে সফল ৰূপায়ণ হ'ব সেই মতে কৰা হ'ব বুলি জানিবলৈ দিয়ে। সংবাদমেলত তেওঁ আৰু কয় যে যিহেতু কৃষি বিভাগটো জলসিঞ্চন বিভাগৰ স'তে সম্পৰ্কিত বিভাগ সেয়ে কৃষক ৰাইজ যাতে উপকৃত হ'ব পাৰে তাৰ কাৰণে কৃষি বিভাগৰ স'তেও আলাপ-আলোচনাৰে আঁচনি ৰূপায়ণত মনোনিবেশ কৰিব বুলি জনায়। ইপিনে, কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰত্যক্ষভাৱে অনুমোদন দিয়া পুঁজিৰ ধন এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই বুলি উল্লেখ কৰি এই বাজেটত সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ স'তে যোগাযোগ কৰি থকা বুলি সদৰী কৰে। তদুপৰি দীৰ্ঘদিন ধৰি আধৰুৱা হৈ থকা ধনশিৰি, জলসিঞ্চন প্ৰকল্পৰ কাম এই বছৰৰ ভিতৰতে সম্পূৰ্ণ কৰিব বুলিও সংবাদমেলখনত জানিবলৈ দিয়ে। বছৰটোৰ খতিয়ান হিচাপে ২০২০-২১ত এছ অ'পি ডি বাজেটৰ ১১ কোটি ৭০ লাখ টকাৰে ৭৩ খন আঁচনি মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰাৰ বিপৰীতে ২০২১-২২ৰ ১২ কোটি ১০ লাখ টকাৰে ৮৭খন আঁচনি মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰা হৈছে বুলি জনায়। তদুপৰি দীৰ্ঘদিন ধৰি আধৰুৱা হৈ পৰি থকা আন জলসিঞ্চন প্ৰকল্প শুক্লাই জলসিঞ্চন আঁচনি নিৰ্মাণৰ বাবে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ২৫৮ কোটি টকা অনুমোদন দিয়াৰ কথা সদৰী কৰে। যিটো আঁচনিয়ে ১২১৫০ হেক্টৰ কৃষিভূমিত পানী যোগান ধৰিবলৈ সক্ষম হ'ব।

# অসমীয়া সমাজত তামোল-পাণক গুৰুত্ব কিয় দিয়া হয়?

**দৈনিক** ভাত সাঁজ খোৱাৰ অন্তত মুহুদি কৰাটো অসমীয়া সমাজত আদিৰে পৰা এক পৰম্পৰা হিচাপে চলি আহিছে। মুহুদি কৰা মানে ভোজনৰ পাছত খোৱা বস্তুৰ আস্বাদ আৰু গোন্ধ গুচাবৰ নিমিত্তে তামোল-পাণ চোবোৱা কাৰ্য। ভাত খোৱাৰ অন্তত তামোল-পাণ খোৱাৰ পৰম্পৰাটো আদিতেও অসমীয়া সমাজত আছিল, আজিও আছে আৰু ভৱিষ্যতেও অসমীয়া সমাজত চলি থাকিব। সিফালে, এযোৰ তামোল-পাণ অসমীয়া সমাজৰ বাবে সন্মানৰ প্ৰতীক। ভগৱানৰ চৰণত অৰ্পণ কৰা শৰাইখনত এযোৰ তামোল-পাণ আগনবঢ়ালে শৰাইখনৰ মৰ্যাদা ম্লান হোৱাই নহয়, ভগৱানো সন্তুষ্ট নহয় বুলি জ্ঞানীসকলে কৈ আহিছে। আকৌ বিয়া-সবাহলৈ নিমন্ত্ৰণ কৰা বঁটাটোত এজোৰ তামোল-পাণ আগবঢ়াইছে অতিথিক নিমন্ত্ৰণ কৰিলে অতিথিক ভক্তি আৰু সন্মান কৰা বুজায়। ভাত বা জলপান খোৱাৰ অন্তত মুহুদি কৰাটো স্বাস্থ্যৰ কাৰণে ভাল বুলি কোৱা হয়। কাৰণ মুহুদি কৰিলে আমাৰ মুখৰ ভিতৰত থকা লেলাউটিৰ গ্ৰন্থিসমূহ সবল আৰু সক্ৰিয় হৈ থাকে। ফলত আমি খোৱা আহাৰসমূহে প্ৰচুৰ লেলাৰতি লাভ কৰে আৰু আহাৰ হজম হোৱাত সহজ হয়। আকৌ নিয়মিতভাৱে মুহুদি কৰিলে দাঁত আৰু দাঁতৰ আলুবিলাক সুস্থ হৈ থাকে বুলি জ্যেষ্ঠ লোকসকলে কোৱা শুনিছিলো। লগতে কৈছিল চূণ-চাদাৰে তামোল-পাণ চোবালে তাৰ পৰা মুখৰ ভিতৰত উৎপন্ন হোৱা পিক গিলিলে ডিঙিত আৰু পেটত অচিন বেমাৰ হ'ব পাৰে। সেয়ে মুখৰ পিক পেলাব লাগে। সেয়ে হয়তো আমি দেখা পাইছিলো দেউতা আৰু মাৰ মৃত্যুৰ সময়তো তেওঁলোকৰ দাঁত সৰা নাছিল। মাত্ৰ দাঁতবোৰ ক্ষয়হে হৈছিল নিয়মিতভাৱে মুহুদি কৰাৰ বাবে।



সি যি নহওক, তামোল এবিধ স্বৰ্গত হোৱা ফল। জনশ্ৰুতি আছে, এই ফলবিধ হেনো নাৰদে স্বৰ্গৰ পৰা অতি গোপনে আনি এই পৃথিৱীৰ বুকুত ৰোপণ কৰিছিল। সেয়ে হয়তো মাংগলিক অনুষ্ঠান, পূজা-পাৰ্বণ, নামঘৰত ভগৱানৰ নামত উছৰ্গা কৰা শৰাইখনত এযোৰ তামোল-পাণ, মাহ-প্ৰসাদ, ফল-মূলৰ স'তে আগবঢ়োৱা হয়। বুৰঞ্জীত তামোল-পাণ সম্পৰ্কে বিশদভাৱে পঢ়িবলৈ পোৱা নাযায় যদিও এটা কথা সত্য যে ভাৰতবৰ্ষৰ মানুহে অতীতৰে পৰা তামোল-পাণ খাই আহিছে যদিও এই তামোল-পাণৰ খেতি প্ৰথমে ভাৰতবৰ্ষৰ কোন ৰাজ্যত কৰা হৈছিল সেই বিষয়ে জানিব পৰা নাযায়। তথাপি মোগলৰ ৰাজত্ব কালত তেওঁলোকৰ ৰজাই তামোল-পাণ খাইছিল। ইয়াৰ প্ৰমাণ তেওঁলোকে সেই সময়ত ব্যৱহাৰ কৰা পিক্‌দানিসমূহ। অসমত আহোমৰ ৰাজত্ব কালত ৰাজ্যৰ জনতাৰ লগতে স্বৰ্গদেউসকলে তামোল-পাণ খাইছিল। কাৰণ সেই সময়ত নেচাংগ অৰ্থা মোমাই তামুলী বৰবৰুৱাই নিজেও তামোলৰ খেতি কৰাৰ লগতে আনকো তামোলৰ খেতিৰ লগতে বিভিন্ন প্ৰকাৰৰ খেতি কৰাৰ বাবে জ্ঞান দিছিল। তথাপি আহোম ৰজাই ব্যৱহাৰ কৰা পিক্‌দানিয়েই তামোল খোৱাৰ প্ৰমাণ দিয়ে। কনৌজৰ ৰজা মহেন্দ্ৰ পালৰ দিনত তেওঁৰ ৰাজসভাত এজন কবিয়ে কবিতা পাঠ কৰি সকলোকে আনন্দৰ খোৰাক দিব লগা হৈছিল। ৰাজ্যৰ ৰজাৰ নিৰ্দেশ অনুসৰি কবিজনে কবিতা সৃষ্টি কৰাৰ সংক্ৰান্তত তামোল-পাণ চোবাই দুয়োটা ওঁঠ ৰঙা কৰিব লগা হৈছিল। সেয়েহে ক'ব পাৰি কনৌজৰ ৰজা মহেন্দ্ৰ পালৰ ৰাজত্ব কালত তামোল-পাণ খোৱাৰ ব্যৱস্থা আছিল।


জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে প্ৰতিজন অসমীয়া মানুহে ভাত সাঁজ খোৱাৰ অন্তত একোখন তামোল খায়। একোখন তামোল তৈয়াৰ কৰাৰ বাবে প্ৰয়োজন হয় এডোখৰ তামোলৰ স'তে পাণ, সামান্য পৰিমাণৰ চূণ আৰু চাদা। একোখন তামোল মুখৰ ভিতৰত লৈ চোবাই থাকিলে তামোলখনৰ পাগ উঠে। এনে অৱস্থাত কাৰোবাক যদি সুস্বাদু মিঠাই খাবলৈ দিয়া হয় মানুহজনে পাগ উঠা তামোলখন পেলাই দি মিঠাই খাবলৈ আগ্ৰহ প্ৰকাশ নকৰে। যি নহওক আমি তামোলৰ খেতি কৰি তামোল পাওঁ। চূণৰ খনিৰ পৰা চূণ পাওঁ যদিও শামুকৰ খোলা পুৰিও চূণ পাব পাৰো। ইংৰাজে যিদৰে চাহ গছ গভীৰ অৰণ্যৰ মাজৰ পৰা আৱিষ্কাৰ কৰিছিল ঠিক তেনেদৰেই হয়তো লতাজাতীয় পাণ গছ আৰু বহল পাতৰ, চাপৰ চাদা গছ কোনো অসমীয়া মানুহ অৰণ্যৰ মাজৰ পৰা আৱিষ্কাৰ কৰিছিল বুলি ভবাৰ থল আছে। কাৰণ এই সংক্ৰান্তত বুৰঞ্জী নিমাত। আমি জানো তামোলৰ টুকুৰা এটা মুখত ল'লে কেহা লাগে। পাণ-চূণ আৰু চাদাৰ স'তে তামোল চোবালে তামোলৰ কেহা গুণটো নোহোৱা হয়। অৱশ্যে তামোলৰ কেহা গুণটো নোহোৱা কৰিবলৈ বহুতে তামোল শুকুৱাই চুপাৰি তৈয়াৰ কৰি পাণৰ স'তে খায়। যিসকলে তামোল-পাণৰ সলনি পাণ খায়, সেই পাণখন তৈয়াৰ কৰোতে প্ৰয়োজন হয় কেইটুকুৰামান চুপাৰি, পাণ, খয়ৰ, চূণ আৰু জৰ্দা, যি জৰ্দা তৈয়াৰ কৰা হয় চাদাৰ পৰাই। এতিয়া প্ৰশ্ন হয় পাণখনত কিয় চূণ সদা হয়? বহুতে কয়, তামোলখন চূণৰ স'তে খালে মানুহৰ দেহত কেলছিয়ামৰ অভাৱ নহয়। অৰ্থাৎ এই চূণৰ পৰাই মানুহে কেলছিয়াম লাভ কৰিব পাৰে। এই কথাৰ সত্যতা কিমান বুজিব পৰা নাযায়। কাৰণ তামোলখন মুখত চোবাই পিক পেলাব লাগে আৰু সেই তামোলৰ পিকৰ লগতে চূণৰ গুণখিনিও ওলাই যায়। সহজ ভাষাত ক'বলৈ গ'লে এখন পাণৰ দুটা পিঠি থাকে। এটা ওপৰ পিঠি আৰু আনটো তল পিঠি। দেখা যায় উজনি অসমৰ মানুহে পাণখনৰ ওপৰ পিঠিত চূণ সানে আৰু নামনিৰ মানুহে পাণখনৰ তলৰ পিঠিত চূণ সানে। উজনি অসমৰ তামোল-পাণ প্ৰিয় লোকসকলৰ মতে পাণখনৰ ওপৰ ফালে (মিহি ফালে) চূণ সনা হয় বিশেষকৈ চৰাই-চিৰিকটিৰ বিষ্ঠাসমূহৰ পৰা উৎপন্ন হ'ব পৰা বীজাণুমুক্ত কৰাৰ বাবে। সিফালে নামনি অসমৰ তামোল-পাণ প্ৰিয় লোকসকলৰ মতে পাণখিলাৰ তলফালে বিভিন্ন ধৰণৰ পোক-পৰুৱা আৰু মকৰাই বাহ সাজি তাতেই সিহঁতৰ বংশ বৃদ্ধি কৰে। ফলত তাত কিছুমান বীজাণু ৰৈ যায়। সেয়ে পাণখিলাৰ তলফালে চূণ সানি বীজাণুমুক্ত কৰিব লাগে। উজনি-নামনিৰ মানুহৰ পাণত চূণ সনাৰ ক্ষেত্ৰত মত বিৰোধ থাকিলেও বিতৰ্কৰ প্ৰশ্ন নাহে। কাৰণ তামোল-পাণ চূণৰ স'তে মুখৰ ভিতৰত দাঁতেৰে চোবালে এক মিশ্ৰণৰ সৃষ্টি হয় আৰু চূণে পাণখনক বীজাণুমুক্ত কৰাত সহায় কৰে। অকল এয়াই নহয়, তামোল-পাণ, চূণ-চাদাৰ স'তে মুখত ভৰাই চোবালে দাঁতবোৰ ভালে থাকে বুলি বয়োজ্যেষ্ঠসকলে কোৱা শুনিছিলো। যি নহওক, এটা কথা ঠিক যে অসমীয়া মানুহৰ তামোল খোৱা বা মুহুদি কৰাৰ অভ্যাসটো প্ৰাচীন কালৰে পৰা এক পৰম্পৰা হিচাপে চলি আহিছে। এই সংক্ৰান্তত হয়তো কাৰো দ্বিমত থাকিব নালাগে; কিন্তু তামোল-পাণ মুখৰ ভিতৰত ৰাখি দাঁতেৰে চোবোৱাৰ পাছত তাৰ পৰা উৎপন্ন হোৱা পিক ৰাজহুৱা স্থানত পেলোৱাটো এক ডাঙৰ অপৰাধ বুলি আজিৰ ৰাজ্যৰ জনতাই কৈছে যদিও আমাৰ দেউতাই ৬০ বছৰ আগতেই আমাক কৈছিল আৰু ঘৰৰ চৌহদৰ ভিতৰত তামোল খাই পিক নেপেলাবৰ বাবে ঘৰৰ পিৰালিৰ এটা চুকত এটা মাটিৰ চৰুত বালি ভৰাই তাতেই পিক পেলোৱাৰ বাবে নিৰ্দেশ দিছিল। সেই নিৰ্দেশ মানি চলাৰ বাবেই হয়তো আজি পৰ্যন্ত আমি তামোল খাই ৰাজহুৱা স্থানত পিক পেলোৱাৰ কু-অভ্যাসটোৰ পৰা আঁতৰি থাকিবলৈ সক্ষম হ'লো। অৱশ্যে আমি সকলোৱেই ৰাজহুৱা স্থানত থু পেলোৱাৰ অভ্যাসটোও বৰ্জন কৰিব লাগে। এই সংক্ৰান্ততে জাৰ্মান দেশত ঘটা এটা ঘটনাৰ কথা পঢ়া মনত পৰে। ঘটনাটো এনে ধৰণৰ— এদিন জাৰ্মান দেশত চলন্ত বাছ এখনৰ পৰা যাত্ৰী এজনে বাহিৰলৈ 'থু' পেলালে। বাছৰ কণ্ডাক্টৰজনে যাত্ৰীজনৰ এনে কু-কাৰ্য দেখি যাত্ৰীজনক ওচৰৰ পুলিচ থানা এখনত গতাই দি বিহিত ব্যৱস্থা ল'বৰ বাবে অনুৰোধ জনালে। আইনী ব্যৱস্থা অনুসৰি যাত্ৰীজনক আদালতত হাজিৰ কৰা হ'ল। আদালতে যাত্ৰীজনক ২১ দিনৰ বাবে জেললৈ নিক্ষেপ কৰাৰ লগতে ২১ দিন কাৰাগাৰত ৰাখি আছুতীয়াকৈ ৰখা ডাষ্টবিনত 'থু' পেলোৱাৰ অভ্যাস গঢ়ি তোলাৰ বাবে আদেশ দিলে। আকৌ, য'তে-ত'তে মানুহে 'থু' বা তামোলৰ পিক পেলোৱা সংক্ৰান্ততো ভাৰতবৰ্ষত আইনী ব্যৱস্থা আছে। ভাৰতীয় দণ্ডবিধি আইনৰ ২৬৯ ধাৰাৰ পৰা ২৯৪ (ক) ধাৰা পৰ্যন্ত অৰ্থাৎ ৰাজহুৱাভাৱে ক্ষতিকাৰক অপৰাধবোৰ তথা সেই অপৰাধবোৰৰ বাবে শাস্তিৰ বিধান আছে। অৱশ্যে ২০২১ৰ ন নৱেম্বৰৰ পৰা গুৱাহাটী পৌৰ নিগমে নিগমৰ আইন অনুসৰি ৩৯০ দফা অনুসৰি 'থু' বা তামোলৰ পিক পেলোৱা সম্পৰ্কীয় অপৰাধত শাস্তি প্ৰদান কৰা হ'ব বুলি ব্যক্ত কৰিছে।

যি নহওক, অসমীয়া মানুহ হৈ তামোল-পাণ খোৱাটো অপৰাধৰ ভিতৰত নপৰে; কিন্তু তামোল-পাণ খাই য'তে-ত'তে পিক পেলোৱাটো এক অপৰাধৰ ভিতৰত পৰে। এই সংক্ৰান্ততে দেউতাই তাহানিতে আমাক কোৱা কথা এষাৰ মনত পৰে। দেউতাই আমাক কৈছিল— 'হেৰ' ল'ৰাহঁত, তামোল-পাণ খাই তহঁতৰ মুখৰ পিক আমাৰ ঘৰৰ চৌহদত নেপেলাই আমাৰ ঘৰৰ পিৰালিত ৰখা পাত্ৰটোত পেলাবি। এই অভ্যাৱ গঢ়িব পাৰিলে ভৱিষ্যতে এজন সু স্বভাৱযুক্ত ভাৰতীয় নাগৰিক হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হ'বি।' এতেকে বুজা গ'ল অভ্যাৱেই স্বভাৱ নষ্ট কৰাৰ দৰেই কু-স্বভাৱৰ লোকে তামোল-পাণ খাই একোটা চালে চকু ৰোৱা ৰাজহুৱা স্থান বা উৰণীয়া সেতুত মুখৰ ৰঙা পিক পেলাই ফুল বছাৰ দৰে গৰ্হিত কাম কৰাৰ বাবে কুণ্ঠাবোধ নকৰে; কিন্তু প্ৰতিজন তামোল-পাণ খোৱা ব্যক্তিয়ে অনুভৱ কৰা উচিত যে ৰাজহুৱা স্থানত তামোল-পাণ খাই পিক পেলোৱাটো এক অপৰাধ বুলি আমি সকলোৱেই জানো। তথাপি আমি ৰাজহুৱা স্থানত পিক পেলাও অজানিতে। এয়া হ'ল ব্যক্তিগৰাকীৰ স্বভাৱৰ দোষ। তথাপি এনে স্বভাৱ পৰিহাৰ কৰি নিৰ্দিষ্ট স্থানত তামোলৰ পিক পেলাই সকলোৱেই চৰকাৰৰ উন্নয়নৰ কামত সহযোগ কৰিলে চৰকাৰো সুখী হ'ব আৰু দেশখনো উন্নয়নৰ পথত আগুৱাই যাব। তামোল-পাণ খাই তাৰ পিক য'তে-ত'তে বা ৰাজহুৱা স্থানত পেলালে নিজকে আজিৰ সভ্য সমাজৰ এজন সু-নাগৰিক বুলি আনৰ আগত চিনাকি দিয়াৰ থল থাকিবনে? চিন্তা কৰি চাওকচোন— আপোনাৰ ঘৰৰ আগচোতালত কোনোবাই যদি তামোলৰ পিকেৰে ৰাঙলী কৰি ভৰিৰে খোজ পেলাবৰ বাবে অনুপযোগী কৰি থৈ যায় তেনে ক্ষেত্ৰত আপোনাৰ মগজুৰ কেনে প্ৰতিক্ৰিয়া হ'ব পাৰে অনুধাৱন কৰিবচোন? উত্তৰত হয়তো আপুনিয়েই ক'ব, সঁচাই এয়া আমাৰ স্বভাৱৰ দোষ। এনে কু-স্বভাৱ আমাৰ মাজৰ পৰা আঁতৰাব নোৱাৰিলে এদিন চৰকাৰৰ উন্নয়নমূলক কামত বাধা আহি পৰিব আৰু দেশখন উন্নয়নৰ পথত আগুৱাই যাব নোৱাৰিব। সেয়ে ক'বলৈ বিচাৰিছো অসমৰ প্ৰতিজন মানুহে চৰকাৰৰ উন্নয়নৰ কামত সঁহাৰি দিয়ক আৰু দেশখনক আগুৱাই লৈ যাওঁক। অসমৰ জনতা এক হওক আৰু অসমখনক সকলো দিশতে আগুৱাই নিয়ক।

*ফোন ঃ ৯৮৬৪১-৩২৪৮২*

**ৰাজীৱ আহমেদ**

# সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ জাতীয়তাবাদ আৰু স্বদেশ প্ৰেম



**ড° বিনয় কুমাৰ মজুমদাৰ**

**অসমীয়া** জাতীয় জীৱনৰ এগৰাকী পুৰোধা আৰু প্ৰাতঃস্মৰণীয় ব্যক্তি হ'ল পদ্মনাথ গোহাঞিবৰুৱা। গোহাঞিবৰুৱাক আমি অসমীয়া ভাষা-সাহিত্যৰ এগৰাকী অন্যতম হোতা বুলি অভিহিত কৰাৰ লগতে তেওঁক এগৰাকী প্ৰৱল জাতীয়তাবোধ আৰু স্বদেশ প্ৰেমেৰে উজ্জীৱিত ব্যক্তি বুলি নিঃসন্দেহে ক'ব পাৰো। গোহাঞিবৰুৱা একেধাৰে এগৰাকী কবি, নাট্যকাৰ, ঔপন্যাসিক, জীৱনীকাৰ, হাস্যৰসিক, প্ৰৱন্ধকাৰ, সাংবাদিক আৰু বুৰঞ্জীকাৰ। আধুনিক অসমীয়া সাহিত্যক এক মানসম্পন্ন স্থানত অধিষ্ঠিত কৰাৰ প্ৰচেষ্টাত অহৰহ আত্মবলিদান দিয়া তেওঁ এগৰাকী অন্যতম জাগ্ৰত অসমীয়া। এইগৰাকী বিশিষ্ট আৰু প্ৰাতঃস্মৰণীয় সাহিত্যিকৰ জন্ম হৈছিল উত্তৰ লখিমপুৰৰ নকাৰী গাঁৱত ১৮৭১ খ্ৰীষ্টাব্দৰ ২৪ নৱেম্বৰত। তেওঁৰ পিতৃৰ নাম আছিল ঘিণাৰাম বৰুৱা ওৰফে ঘিণাৰাম গোহাঞিবৰুৱা আৰু মাতৃৰ নাম আছিল লক্ষ্মী দেৱী। পদ্মনাথ গোহাঞিবৰুৱাৰ পূৰ্বপুৰুষ বিশেষকৈ তেওঁৰ ককাক আছিল শিৱসাগৰ জিলাৰ অন্তৰ্গত জাঁজী শিমলুগুৰি মৌজাৰ মৰাণ গাঁও নিৱাসী। পৰৱৰ্তী সময়ত বিশেষ পৰিস্থিতিৰ তাড়নাত পৰি কুমলীয়া বয়সতে ঘিণাৰাম গোহাঞিবৰুৱাই মৰাণত থকা পৈতৃক সম্পত্তি আদি কৰি সকলোবোৰ সম্পত্তিকে জলাঞ্জলি দি জাঁজীৰ গদাধৰ শৰ্মা নামৰ লগৰীয়া এজনৰ সংগ লৈ উত্তৰ লখিমপুৰলৈ গুচি গৈছিল। এই গদাধৰ শৰ্মাৰ পুলিচ বিষয়া পিতৃৰ তত্বাৱধানতে ঘিণাৰাম গোহাঞিবৰুৱা প্ৰতিপালিত হৈ পৰৱৰ্তী কালত জিলিকি উঠেগৈ। এইগৰাকী ঘিণাৰাম গোহাঞিবৰুৱাৰ ঔৰসতে চতুৰ্থ সন্মানৰূপে পদ্মনাথ গোহাঞিবৰুৱাই জন্ম লভিছিল।

১৯১৭ খ্ৰীষ্টাব্দত জন্ম হোৱা আমাৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ তেওঁ আছিল প্ৰথমগৰাকী সভাপতি। সেই বৰ্ষৰে ২৬ আৰু ২৭ ডিচেম্বৰত শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ যি মুকলি অধিৱেশন সেই মুকলি অধিৱেশনৰ সভাপতিৰ অভিভাষণত তেওঁ অতি প্ৰত্যয়সূচক এক মন্তব্য দাঙি ধৰি উল্লেখ কৰিছিল "জাতীয় অন্তৰম ভাৱ, চিন্তা, তেজ আৰু প্ৰতিভা বাজ ওলাবলৈ ভাষা আৰু সাহিত্যৰ বাদে সুগম বাট নাই। আকৌ ভাষাতকৈ সাহিত্য এখোজ আগ। সেইকাৰণে জাতীয়ত্বৰ চিনাকি দিয়াত জাতীয় সাহিত্য তাতোকৈ এখোজ আগুৱাই যায়। গতিকে মানুহৰ জাতি আৰু ধৰ্ম সাহিত্যৰ ভেটি হ'লেও সি সাহিত্যৰ আঁচলত ধৰিহে আগবাঢ়িব পাৰে। সাজপাৰ আদিয়েও এই বিষয়ত সাহিত্যক পিছ পেলাব নোৱাৰে।"

এটা জাতিৰ চহকী চৰিত্ৰ প্ৰকাশ পাই জাতিটোৰ ভাষা, সাহিত্য-সংস্কৃতি, সাজপাৰ, আচাৰ-ব্যৱহাৰ আৰু চিন্তা-চৰ্চা আদিত। এই সকলোবোৰৰ ক্ষেত্ৰত সততে সচেতন ভূমিকা পালন কৰি অহা পদ্মনাথ গোহাঞিবৰুৱাৰ চিন্তা-চৰ্চা আছিল সদায় জাতিটোৰ উত্তৰণৰ প্ৰতি তেওঁ গ্ৰহণ কৰি অহা বিভিন্ন কাম-কাজসমূহত ব্ৰিটিছৰ প্ৰতি আনুগত্য প্ৰকাশ কৰাৰ লগতে নিজকে প্ৰতিষ্ঠা কৰাৰ এক মানসিকতা বুকুত পুহি ৰাখি কাম-কাজ কৰাৰ স্বৰূপ দেখি বিভিন্ন সময়ত তেওঁক 'বিশিষ্ট সাম্প্ৰদায়িক নেতা' কিম্বা 'ব্যক্তিগত পৰ্যায়ত উচ্চাকাংক্ষী' বুলি অপবাদ আৰোপ কৰি যিধৰণে তেওঁক সমালোচনা কৰা হৈছিল সেই সমালোচনা পৰৱৰ্তী সময়ত নিস্তেজ হৈ পৰিছিল। কিয়নো জাতীয় জীৱন, জাতীয় সাহিত্য-সংস্কৃতি আৰু ভাষাৰ ক্ষেত্ৰত যি ধৰণৰ বৰঙণি আগবঢ়াই অসমীয়া জাতিটোক এক মান প্ৰদান কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল তেওঁ। যাৰ বাবে পৰৱৰ্তী সময়ত বহু সাহিত্য সমালোচক আৰু প্ৰখ্যাত পণ্ডিতে পদ্মনাথ গোহাঞিবৰুৱাক অসমীয়া ভাষা-সাহিত্যৰ যোদ্ধা আৰু অসমীয়া সাহিত্যৰ এগৰাকী বৰেণ্য তথা অন্যতম পথ প্ৰদৰ্শক বুলি সন্মানিত কৰিছে।

অসমীয়া জাতীয় জীৱনৰ প্ৰতি গভীৰ দায়ৱদ্ধতাৰ চিনস্বৰূপে গোহাঞিবৰুৱাই সক্ৰিয় ৰাজনীতিত যোগ দিছিল যদিও অসমীয়া সাহিত্য আৰু অসমীয়া জাতীয় জীৱনৰ প্ৰতি তেওঁৰ যি কৰণীয় সেই কথা তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। তেওঁ সাহিত্য সাধনাক জীৱনৰ এক অন্যতম গুৰুত্বপূৰ্ণ কৰ্ম জ্ঞান কৰি 'মোৰ সোঁৱৰণ'ত কৈছিল— 'যি উদ্দেশ্য সাধন মোৰ জীৱন ব্ৰত, যি উদ্দেশ্য উদ্দেশি মোৰ প্ৰাণৰ ধাউতি অকাৰিত গতিৰে বৈ আছে সেই মোৰ মাতৃভাষা আৰু জাতীয় সাহিত্যৰ উন্নতি সাধন মহাব্ৰত অকালত, অসময়ত, আদবাটত এৰি মই ছুঁয়া কাটিব পাৰোনে? মোৰ এই মহাব্ৰত পালনত আনৰ উদগনি বা ভয় প্ৰদৰ্শনীও নাখাটে, মই আত্মপ্ৰেৰণাত উলাহিত হৈ স্বইচ্ছাৰে আগনাবাঢ়ো মানে মোক আনে হেঁচুকি সাহিত্য চৰ্চালৈ প্ৰত্যাৱৰ্ত্তন কৰাব নোৱাৰে।"

এই ধৰণৰ চিন্তাই তেওঁৰ জাতিৰ প্ৰতি থকা তীব্ৰ দায়িত্ববোধ আৰু সচেতনতাৰ ভাৱকে প্ৰকাশ কৰে কিয়নো মাতৃভাষা আৰু জাতীয় সাহিত্যৰ উন্নতি আৰু বিকাশৰ ক্ষেত্ৰত তেওঁ যথেষ্ট বৰঙণি আগবঢ়াই অসমীয়া জাতি, আমাৰ জাতীয় সাহিত্য আৰু ভাষাক এক বিশিষ্ট মান প্ৰদান কৰিছে। সক্ৰিয় ৰাজনীতিত অংশগ্ৰহণ কৰি ৰাজনীতিৰ জৰিয়তে জাতীয় উন্নতিৰ অৰ্থে কৰ্ম সম্পাদন কৰাৰ যি জুতি সেই জুতিকো তেওঁ ল'বলৈ এৰা নাছিল। পৰৱৰ্তী পৰ্যায়ত সক্ৰিয় ৰাজনীতিৰ মোহ এৰি তেওঁ অসমীয়া মানুহৰ লগতে সমগ্ৰ অসমীয়া জাতিটোক স্বদেশ প্ৰেমৰ সোৱাদ দিবলৈ যত্ন কৰিছিল। অসমীয়া ভাষাৰ উন্নতিৰ কল্পে সংকল্প লৈ তাৰ হকে কাম কৰি মৃত্যু পৰ্যন্ত জাতিটোৰ ভাষা-সাহিত্য-সংস্কৃতিক তেওঁ বুকুত বান্ধি লৈ ফুৰিছিল। যদিও সময় আৰু পৰিৱেশৰ তাড়নাত বন্দী হৈ তেওঁ ব্ৰিটিছৰ গুণ-গান কৰিব লগা হোৱা বুলি কোনো কোনো সাহিত্যিকে ক'ব খোজে তথাপি ক'ৰবাত যেন তেওঁৰ জাতিটোৰ প্ৰতি আছিল এৰাব নোৱাৰা এক গভীৰ টান।

ৰাজনৈতিকভাৱে সচেতন আৰু জনসাধাৰণৰ মাজত ৰাজনৈতিক সচেতনতা আৰু ইয়াৰ অৰ্থ যাতে সঠিক ধাৰণাৰে আগবাঢ়িব পাৰে তাৰ প্ৰতিও তেওঁ সচেতন আছিল। ১৯০৫ত স্থাপন হোৱা 'অসম এছ'চিয়েছন'ৰ প্ৰায় শেহতীয়া যিখন সভা বৰপেটাত অনুষ্ঠিত হৈছিল সেই অধিৱেশনত তেওঁ সভাপতি আসনত বহিছিল আৰু তেওঁৰ সভাপতি হিচাপে যি অভিভাষণ সেই অভিভাষণ তেওঁ অসমীয়াত পাঠ কৰিছিল। যদিও সেই সভাখনত আন সকলো বক্তাৰ লগতে সভাৰ নিয়মাৱলী, কাৰ্যসূচী আদি অসমীয়াৰ পৰিৱৰ্তে ইংৰাজীত সম্পাদন হৈছিল। তেওঁ অনুভৱ কৰিছিল ৰাজনীতিৰ আলোচনা অসমীয়া ভাষাৰে কৰাহে যুগুত। এইধৰণৰ কামবোৰ ইংৰাজীত কৰোতে কৰোতে ৰাজনীতি সম্পৰ্কীয় শব্দাৱলী ক্ৰমে ক্ৰমে বিলুপ্তি হোৱা বুলিও তেওঁ আক্ষেপ প্ৰকাশ কৰি সঁচা স্বদেশ আৰু ভাষা প্ৰেমৰ নিদৰ্শন দাঙি ধৰিছিল। তেওঁ

ঊনবিংশ শতিকাৰ কালছোৱাত অসমত অসমীয়া ভাষা আৰু সাহিত্যক কেন্দ্ৰ কৰি গঢ়ি উঠা জাতীয়তাবাদ আৰু স্বদেশ প্ৰেমৰ আন্দোলনত সেইসময়ৰ 'জোনাকী' আৰু 'বিজুলী' আলোচনী দুখনে বিশেষ ভূমিকা পালন কৰি জাতীয় দায়িত্ব প্ৰকাশ কৰিছিল। পদ্মনাথ গোহাঞিবৰুৱা প্ৰমুখ্যে অম্বিকাগিৰী ৰায়চৌধুৰী, বাগ্মিবৰ নীলমণি ফুকন, বেণুধৰ শৰ্মা, ডিম্বেশ্বৰ নেওগ আদি জাতীয়তাবোধৰ গুণ-গৰিমাৰে পুষ্ট বিশিষ্ট লেখকসকলে লিখা-মেলা কৰি অসমীয়া জাতিটোক আত্মমৰ্যাদাৰে জীয়াই থকাৰ পাঠ আমাক দিছিল। পদ্মনাথ গোহাঞিবৰুৱাই জানিছিল জাতীয় সাহিত্যৰ উন্নতি সাধন কৰাই যিহেতু আলোচনাসমূহৰ মূল উদ্দেশ্য হোৱা উচিত সেইবাবে দেশৰ সমাজ, ৰাজনীতি, বিজ্ঞান, কৃষি, শিক্ষা, বাণিজ্য, সংস্কৃতি আদি বিষয়বোৰৰ বিস্তৃত আলোচনা অতি দৰকাৰ আৰু তাক সঠিকভাৱে বিশ্লেষণ, আলোচনা কৰাৰ থল হিচাপে তেওঁ 'বিজুলী', 'অসম বন্তি', আৰু 'উষা'কে ধৰি আলোচনীসমূহ জাতীয় চিন্তা-চৰ্চা দাঙি ধৰাৰ মূল আহিলা কৰি লৈছিল। আৰু এই কাৰ্য এগৰাকী সাহিত্যিকে জাতিৰ বাবে তেওঁ প্ৰতিপালন কৰা উচিত দায়িত্ব আৰু কৰ্তব্য বুলি সততে জ্ঞান কৰিব পাৰি।

অসমীয়া জাতীয় সাহিত্য সৃষ্টি কৰি জাতিৰ মাজত গভীৰ জাতীয়তাবোধ আৰু স্বদেশ প্ৰেমৰ ভাৱ জগাই তুলি তেওঁ কবিতা, নাটক, উপন্যাস, বিবিধ প্ৰৱন্ধ আদি সৃষ্টি কৰিছিল। 'ভানুমতী' পদ্মনাথ গোহাঞিবৰুৱাৰ দ্বাৰা সৃষ্ট প্ৰথমখন অসমীয়া উপন্যাস হিচাপে স্বীকৃত। তেওঁ ৰচনা কৰা দ্বিতীয় উপন্যাসখন হ'ল লাহৰী। এনেদৰে তেওঁ উপন্যাসৰ উপৰি কাব্য পুথি- 'লীলা কাব্য', 'জুৰণি', 'ফুলৰ চানেকি' আদি ৰচনা কৰাৰ লগতে জনসাধাৰণৰ মাজত নাটকৰ মাধ্যমেৰেও জাতীয় প্ৰেমভাৱ জগাই তোলাৰ উদ্দেশ্যক সাৰোগত কৰি নাটক লিখিছিল। 'লাচিত বৰফুকন', 'জয়মতী', 'গদাধৰ', 'বাণৰজা' আদি তেওঁ ৰচনা কৰা কেইখনমান উল্লেখযোগ্য বুৰঞ্জী আধাৰিত নাট্য সৃষ্টি। গোহাঞিবৰুৱাই জাতীয় দায়িত্ব আৰু জাতীয় প্ৰেম যে অকল শৌৰ্য-বীৰ্যৰ কাহিনীৰ মাজতেই বৰ্তি নাথাকে আৰু এই চিন্তাৰ যোগেদি যে জাতীয়তাবাদ বা স্বদেশপ্ৰেম গঢ়ি তুলিব নোৱাৰি তাক বুজি উঠিছিল আৰু সুস্থ জাতীয়তাবাদ সুস্থ স্বদেশ প্ৰেমৰ পৰিৱেশ গঢ়ি তুলিবলৈ আমাৰ মাজত প্ৰচলিত ভুল ধ্যান-ধাৰণা বা দোষ আদিক আঁতৰাব লাগিব বুলি বুজিছিল। লগতে জনসাধাৰণৰ মাজত স্বাৱলম্বনৰ ভাৱ জগাই তুলিবও লাগিব যাতে আমি প্ৰকৃত জাতীয়তাবাদৰ দৃষ্টিভংগীৰে স্বদেশ প্ৰেমৰ দ্বাৰা উদ্বুদ্ধ হৈ চলিব পাৰো। যাৰ বাবে তেওঁ ৰচনা কৰিছিল 'গাঁওবুঢ়া', 'ভূত নে ভ্ৰম', 'টেটোন তামুলী' আদিৰ দৰে হাস্যৰস আৰু ধেমেলীয়া উপাদানেৰে সমৃদ্ধ অসমীয়া সমাজ জীৱনৰ দোষ-ত্ৰুটিবিলাক দাঙি ধৰা কেইখনমান উল্লেখযোগ্য নাটক। এই সমূহ নাটক সৃষ্টিৰে তেওঁ একধৰণৰ সমাজৰ প্ৰতি ব্যাপক সামাজিক আৰু নৈতিক দায়িত্ব প্ৰকাশ কৰিছিল।

বুৰঞ্জী ৰচনাৰ ক্ষেত্ৰতো তেওঁৰ আছে অনবদ্য বৰঙণি। পদ্মনাথ গোহাঞিবৰুৱাৰ দ্বাৰা প্ৰণয়ন কৰা 'অসমৰ বুৰঞ্জী' আধুনিক কালৰ এক উল্লেখযোগ্য সৃষ্টি। গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী'ৰ পৰৱৰ্তী পৰ্যায়ত ৰচনা কৰা 'অসমৰ বুৰঞ্জী' আধুনিক যুগত অসমৰ ইতিহাস ৰচনা কৰাৰ এক উল্লেখযোগ্য প্ৰয়াস বুলি অভিহিত কৰিব পাৰি। যি বুৰঞ্জী ৰচনা কৰাৰ ক্ষেত্ৰত তেওঁ বিভিন্ন ক্ষেত্ৰ বা অঞ্চল পৰিভ্ৰমণ কৰি তথ্য গোটাই তাক সঠিকভাৱে উপস্থাপন কৰিবলৈ প্ৰয়াস কৰি সফলো হৈছিল। তেওঁৰ 'অসমৰ বুৰঞ্জী' পাঠ্যপুথি হিচাপে প্ৰচলন হোৱাত ছাত্ৰ-ছাত্ৰীসকলে অসম সম্পৰ্কে, অসমৰ বিভিন্ন বংশাৱলী, শাসনাৱলী আদিৰ লগতে সামাজিক পট-পৰিৱৰ্তন আৰু ঘটনা-পৰিঘটনাৰ সতে চিনাকি হ'ব পাৰিছিল।

জাতীয়তাবোধ আৰু স্বদেশ প্ৰেমৰ ভাৱধাৰাৰে উদ্বুদ্ধ মহৎ লোকৰ জীৱনী ৰচনাৰ মাধ্যমেদি তেওঁলোকৰ গুণ-গৰিমা আদৰ্শ নতুন পুৰুষৰ মাজত বিয়পাই দিয়াৰ প্ৰচেষ্টা হিচাপে পাহৰণিৰ গৰ্ভত হেৰাই যাব ধৰা বহু কেইগৰাকী মহৎ লোকৰ জীৱনী তেওঁ সম্পাদনা কৰা 'বিজুলী' আৰু 'উষা'ত প্ৰকাশ কৰি এক জাতীয় দায়িত্ব পালন কৰি তেওঁ সমাজ জীৱন উপকৃত কৰাই নহয় এগৰাকী সচেতন সাহিত্য সেৱক হিচাপেও নিজকে প্ৰতিষ্ঠা কৰি থৈছে। মহৎ লোকৰ জীৱনীসমূহ গোহাঞিবৰুৱাই প্ৰকাশ কৰি জাতীয় জীৱনলৈ আগবঢ়োৱা দায়িত্বৰ ঋণ স্বীকাৰ কৰি প্ৰখ্যাত বুৰঞ্জীবিদ তথা সাহিত্যিক বেণুধৰ শৰ্মাই কৈছিল— 'পদ্মনাথ বৰুৱাই এই জীৱনীবিলাক ডোখৰ-ডোখৰকৈ 'উষা'ত প্ৰকাশ কৰি থৈ নোযোৱা হ'লে আজি আমি 'অসমৰ কোন কি'ৰ বুৰঞ্জী লিখিবলৈ হাতত কাপ তুলি লওঁতে ভা কৈ ওপৰলৈ মুখ তুলি চাই থাকিব লাগিলহেঁতেন।'

চিন্তা-কৰ্ম আৰু মনে-প্ৰাণে জাতীয়তাবাদী ভাৱধাৰাৰে সমৃদ্ধ এইগৰাকী বিশিষ্ট অসমীয়া সাহিত্য কাণ্ডাৰীৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী অসমৰ জাতীয় সংগঠন অসম সাহিত্য সভাই এইবাৰ তেজপুৰত পালন কৰিবলৈ প্ৰস্তুতি চলোৱাৰ লগতে তেওঁৰ গৃহ জিলা উত্তৰ লখিমপুৰতো 'লখিমপুৰ সচেতন নাগৰিক মঞ্চ'ৰ উদ্যোগত জাতীয় অস্তিত্বৰ সংকট তথা ভাষা-সাহিত্য, সংস্কৃতিৰ অস্তিত্বৰ সংকট কালত আয়োজন কৰিবলৈ লোৱা এই অনুষ্ঠানে নিশ্চয় যথেষ্ট তাৎপৰ্য বহন কৰিছে। তাহানিকালৰে পৰা অসমীয়া এটা সংগ্ৰামী জাতিসত্তা হিচাপে তাক নতুন প্ৰজন্মৰ মাজত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত এই অনুষ্ঠানৰ গুৰুত্ব ভৱিষ্যৎ জীৱনত এক পথ প্ৰদৰ্শক হিচাপে থাকিব বুলি আমাৰ গভীৰ বিশ্বাস।

*দূৰভাষ- ৯৮৫৯১২৫২৭৭*

গোহাঞিবৰুৱাক আমি অসমীয়া ভাষা-সাহিত্যৰ এগৰাকী অন্যতম হোতা বুলি অভিহিত কৰাৰ লগতে তেওঁক এগৰাকী প্ৰৱল জাতীয়তাবোধ আৰু স্বদেশ প্ৰেমেৰে উজ্জীৱিত ব্যক্তি বুলি নিঃসন্দেহে ক'ব পাৰো। গোহাঞিবৰুৱা একেধাৰে এগৰাকী কবি, নাট্যকাৰ, ঔপন্যাসিক, জীৱনীকাৰ, হাস্যৰসিক, প্ৰৱন্ধকাৰ, সাংবাদিক আৰু বুৰঞ্জীকাৰ।

# আছৰাফ-আজলাফ-আৰজাল ঃ শ্ৰেণী স্তৰ

**চাহাবুদ্দিন আহমেদ**

**ইছলাম** ধৰ্ম হ'ল জাতিভেদ নোহোৱা ধৰ্ম। ইছলামৰ শেষ নবী হজৰত মহম্মদ (ছঃ)-এ সকলোকে সমানে গুৰুত্ব দিছিল। ধৈৰ্য আৰু সহিষ্ণুতাৰ প্ৰতীক আল্লাহৰ নবীয়ে সেয়েহে কোনো বিভাজন নাৰাখি আল্লাহৰ বাণী প্ৰচাৰত গুৰুত্ব আৰোপ কৰিছিল। আনকি ধৰ্মৰ ক্ষেত্ৰত দৃষ্টিভংগী আছিল পৰিষ্কাৰ। মুছলমানসকলে ইছলামক এক বেলেগ ধৰ্ম বুলি দাবী নকৰে। ইছলাম কোনো বিশেষ জাতি বা গোষ্ঠীৰ ধৰ্ম নহয়। মুছলমানসকলৰ বিশ্বাস হৈছে সমগ্ৰ মানুহৰ বাবে ধৰ্ম এটাই। কাৰণ সত্য এটাই। এই সত্য আগৰসকলো নবী-ৰছুল বা পয়গম্বৰসকলে প্ৰচাৰ কৰি গৈছে। সেয়ে ঈমান অৰ্থাৎ বিশ্বাসৰ এটা অংগ হৈছে আগৰ নবীসকলৰ ওপৰত বিশ্বাস স্থাপন কৰা। ইয়াৰ বাবে পৱিত্ৰ কোৰান শ্বৰীফত আল্লাহে কৈছে—

'হে বিশ্বাসীসকল, আল্লাহৰ সপক্ষে ন্যায় সাক্ষী দিবলৈ অটল হৈ থকা। কোনো দলৰ প্ৰতি বিদ্বেষে তোমালোকক যেন ন্যায়-নীতিৰ পৰা বিচলিত নকৰে। ন্যায় বিচাৰ কৰিবা। খোদা-ভীৰুতাৰ লগত ইয়াৰ ঘনিষ্ঠ সম্পৰ্ক আছে। আল্লাহক ভয় কৰা তোমালোকে যি কৰা আল্লাই সেইবোৰ ভালকৈয়ে জানে।' (আল-কোৰান (৫ঃ৮)

ইয়াৰ বাবে ইছলাম ধৰ্মৰ শেষনবীজনে জাত-পাতৰ বিচাৰ নকৰি হজৰত বিল্লাল (ৰাঃ)ৰ এইদৰে চাহাবীক মুৱাজ্জিন পদত নিয়োজিত কৰিছিল। মাথোঁ সেয়াই নহয়, ধৰ্মৰ নামত আৰব-অনাআৰব, ক'লা-বগা, উচ্চ-নীচ-বিচাৰ কৰা নাছিল। সকলোকে তেওঁ সমস্থান আৰু সমদৃষ্টিৰে চাইছিল। আল্লাহৰ নবীৰ এই মহানুভৱতাৰ বাবে অতি সোনকালে সমগ্ৰ আৰৱ বিশ্বৰ লগতে বিশ্বৰ বিভিন্ন দেশলৈ ইছলাম ধৰ্ম বিয়পি পৰিছিল। দলে দলে আলিম-উলেমা দৰবেশসকলে ধৰ্মপ্ৰচাৰৰ বাবে ওলাই আহিছিল। এনেদৰে চলোৱা ধৰ্মপ্ৰচাৰৰ বাবে অতি কম সময়ৰ ভিতৰত সমগ্ৰ বিশ্বতে ইছলাম ধৰ্ম বিয়পি পৰিছিল। ইয়াৰে কোনোবা ধৰ্মপ্ৰচাৰক হৈ, আন কোনোবাই শাসক হৈ, আন বহুতে প্ৰেৰক হৈ আহিছিল; কিন্তু ইছলাম ধৰ্মত জাত-পাতৰ বিচাৰ শ্ৰেণী বিভাজন আদি নথকাৰ পাছতো একাংশই সমাজত শ্ৰেণীস্তৰৰ সৃষ্টি কৰিছিল। শাসক আৰু ধৰ্মপ্ৰচাৰকসকলে নিজকে উচ্চখাপৰ, আন বৃত্তিধাৰী আৰু ধৰ্মান্তৰিতসকলক লৈ গঠন কৰা এনে শ্ৰেণী বিন্যাসৰ বাবে দক্ষিণ এছিয়া বিশেষকৈ পাকিস্তান আৰু বাংলাদেশসহ একাংশ দেশৰ লগতে ভাৰতৰো ঠায়ে ঠায়ে ইছলাম ধৰ্মত শ্ৰেণীস্তৰ থকা পৰিলক্ষিত হয়। বিশেষকৈ ধৰ্ম প্ৰচাৰ আৰু ধৰ্মলৈ দীক্ষিত হোৱাক কেন্দ্ৰ কৰি এই শ্ৰেণীস্তৰৰ পৰিলক্ষিত হয়। বিদেশী বিজয়ীসকলক কেন্দ্ৰ কৰি গঢ়ি উঠা এই শ্ৰেণী বিভাজনৰ প্ৰথম স্তৰ আছিল 'আছৰাফ' অৰ্থাৎ যিসকলে আন ধৰ্মৰ লোকক ধৰ্মান্তৰিত কৰিছিল। এই শ্ৰেণীৰ লোকসকল আছিল ক্ৰমে ছৈয়দ, শ্বেখ, মোগল, পাঠান আদি। আনহাতে, 'আজলাফ'সকল আছিল তেওঁলোকৰ বৃত্তিৰ দ্বাৰা চিনাক্ত কৰাসকল। তদুপৰি তেওঁলোক আছিল স্থানীয়ভাৱে ধৰ্মান্তৰিত হোৱা লোক। একেদৰে 'আৰজাল' হ'ল নিম্ন বৃত্তিৰ হিন্দুসকলৰ পৰা ধৰ্মান্তৰিত হোৱা লোক। ইছলাম ধৰ্মত শ্ৰেণী বিভাজন নাথাকিলেও দক্ষিণ এছিয়াৰ এই দেশসমূহত চলা এনে শ্ৰেণীস্তৰ মূলতঃ হিন্দুসকলৰ মাজত থকা 'জাত' আৰু 'বিৰাদাৰী' ব্যৱস্থাৰ লেখীয়া। বিৰাদাৰী ব্যৱস্থা হ'ল সামাজিক স্তৰ বিন্যাস। এই ক্ষেত্ৰত আছৰাফিবাদ, চৈয়দবাদ, জাতিবাদ, চৰিফবাদ বিৰাদৰবাদ আৰু কওম প্ৰথা অন্যতম। 'পাক'অৰ্থাৎ শুদ্ধ পৰিষ্কাৰ আৰু 'নাপাক' অৰ্থাৎ ধৰ্মীয়ভাৱে অপৱিত্ৰ ধাৰণাসমূহ দক্ষিণ এছিয়াৰ মুছলমান দেশসমূহত পোৱা যায়। এই দেশসমূহত বংশ, পৰিসৰ আৰু তেজৰ সম্বন্ধৰ ওপৰত নিৰ্ভৰ কৰি এই শ্ৰেণী বিন্যাস গঢ়ি উঠিছিল।

যদিও ইছলাম ধৰ্মত কোনো জাতি বা শ্ৰেণীস্তৰক স্বীকৃতি দিয়া নাই, কিন্তু এই ধৰ্ম যেতিয়া পাৰস্য আৰু ভাৰত উপ-মহাদেশলৈ সম্প্ৰসাৰণ হয়, তেতিয়া কিছু মুছলিম সমাজখনত এই স্তৰৰ সৃষ্টি হয়। সমাজত থকা এনে শ্ৰেণীস্তৰ বহু ফাৰ্চী ভাষাৰ গ্ৰন্থত পোৱা যায়। ইয়াৰ ভিতৰত নিজাম আল-মুলুকৰ 'ছিয়াসাতনামা' (১১ শতিকা), নাছিৰ আল-দিল আল-তুছিৰ 'আখলাক-ই-নাছিৰি' (১৩ শতিকা) আৰু 'জাম-ই-মুফিদি' (১৭ শতিকা) অন্যতম। সপ্তম শতিকাৰ ইছলাম ধৰ্মৰ শেষ নবী হজৰত মহম্মদ (ছঃ)ৰ ইন্তেকালৰ পাছত আৰব-অনা আৰব, খাদিম-আল-ইছলাম-জাদিদ-আল ইছলাম, আৰব বংশোদ্ভুত আনচ জাতি, নিম্ন বৰ্ণ আদি শ্ৰেণীস্তৰৰ সৃষ্টি হয়। মোগল ৰাজত্বৰ সময়ত সম্ৰাটসকল আছিল উচ্চ সম্প্ৰদায়ৰ। যদিও বহুতে ইয়াক অমান্য কৰিছিল বা শ্ৰেণী বৈষম্য নামানিছিল সমাজত ঠাই বিষয়ে ইয়াৰ উপস্থিতি ধৰা পৰিছিল। এই পৰম্পৰা অটুট ৰাখি 'আছৰাফ' অৰ্থাৎ 'ছৈয়দ আৰু ছেইখ'সকলে নিজকে উচ্চ লোকৰ বা ধৰ্মীয় পুৰোহিত বুলি অভিহিত কৰিব বিচাৰে। আনহাতে, দক্ষিণ এছিয়াত আনচাৰী সম্প্ৰদায়ৰ লোকসকলৰ জীৱন শৈলীলৈ লক্ষ্য কৰিলে দেখা যায় যে জাতিগত বিন্যাস বা শ্ৰেণীস্তৰ। য'ত কছাই, নাপিত, দৰ্জী আদি বংশানুক্ৰমিক হিচাপে চলি আহিছে। দেশৰ মুছলমানসকলৰ ৮৫ শতাংশই এনে মুছলমান লোক। ইফালে, আৰজালসকল নিম্নবৰ্গৰ হিন্দুসকলৰ পৰা হোৱা মুছলিমসকলৰ সমাজত আছে ছুইপাৰ বা ভাংগীসকলৰ দৰে লোক। আনহাতে, এই তিনিওটা শ্ৰেণীত নপৰা মুছলমানসকলৰ উপৰি মুছলিম ৰাজপুত বুলি আন এটা শ্ৰেণী আছে য'ত তেওঁলোকে বহু হিন্দু আচৰণ মানি চলে। তেওঁলোকে বিশেষকৈ তলৰ শ্ৰেণীৰ লোকৰ স'তে বিশেষ




মিলামিছা নকৰে। আনকি বিয়াৰ ক্ষেত্ৰতো বাধা আৰোপ কৰে। সাজপাৰৰ পৰা আদি কৰি বিভিন্ন ক্ষেত্ৰত থকা এনে দূৰত্বই ইয়াক প্ৰকট কৰি তোলে। ইছলাম ধৰ্মত কোনো শ্ৰেণী বিভাজন নথকাৰ পাছতো ঠায়ে ঠায়ে বিৰাজমান এনে দৃশ্য বা ঘটনা নিশ্চয় অনুকৰণীয়।

*ফোন ঃ ৮৪৮৬২৯৯২৫১*

■ গোলকগঞ্জত পৌৰসভাৰ হেমাহি

## সাতদফীয়া দাবীৰে ব্যৱসায়ী সমিতিৰ ধৰ্ণা কাৰ্যসূচী

অগ্রদূত বাৰ্তা

**আগমনী, ১৬ ডিচেম্বৰ ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ পৌৰসভাৰ বিভিন্ন সমস্যাক গুৰুত্ব প্ৰদান নকৰাৰ প্ৰতিবাদত গোলকগঞ্জৰ ব্যৱসায়ী সন্থাই কালি সাত দফীয়া দাবীৰে গোলকগঞ্জ পৌৰসভাৰ কাৰ্যালয়ৰ সন্মুখত তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উত্থাপিত অভিযোগ মতে, গোলকগঞ্জ পৌৰসভাৰ বিভিন্ন সমস্যাক লৈ গোলকগঞ্জৰ ব্যৱসায়ী সমিতিয়ে বহুবাৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়াক অৱগত কৰি আহিছে। কিন্তু পৌৰসভাৰ সমস্যাসমূহক পৌৰসভাৰ কাৰ্যবাহী বিষয়াই গুৰুত্ব প্ৰদান নকৰা বুলি অভিযোগ উত্থাপন কৰে এই ব্যৱসীয়াসকলে। যাৰ বাবেই আজি হাতে হাতে প্লেকাৰ্ড লৈ গোলকগঞ্জ ব্যৱসায়ীয়ে ব্যৱসায়ীক অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা, গোলকগঞ্জৰ পৌৰসভাৰ কাৰ্যালয়টো নিয়মীয়াকৈ খোলা ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰা, পৌৰসভা অঞ্চলটোক নিয়মীয়াকৈ চাফা ৰখাৰ ব্যৱস্থা কৰা আদি কৰি সাত দফীয়া দাবীৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। অৱশ্যে, গোলকগঞ্জ পৌৰসভাৰ সন্মুখত ব্যৱসায়ী সমিতিৰ অৱস্থান ধৰ্মঘটৰ খবৰ পাই ধুবুৰীৰ পৰা গোলকগঞ্জত উপস্থিত হৈ কাৰ্যবাহী বিষয়াই ব্যৱসায়ী সমিতিৰ অৱস্থান অৱস্থান স্থলীত উপস্থিত হৈ সমস্যা সমাধান কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই প্ৰতিশ্ৰুতিৰ পাছত ব্যৱসায়ীসকলে সাময়িক হিচাপে ধৰ্ণা কাৰ্যসূচী প্ৰত্যাহাৰ কৰে।

## টি আৰ বি স্কুলৰ মহাৰজত জয়ন্তীৰ লাইখুঁটা স্থাপন

**চিনামৰা, , ১৬ ডিচেম্বৰ ঃ** অহা আঠ আৰু ন জানুৱাৰীত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা ঢেকিয়াজুলি তিতাৰাম বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱৰ কালি বিদ্যালয়ৰ খেলপথাৰত আনুষ্ঠানিকভাৱে লাইখুঁটা স্থাপন কৰা হয়। তদুপলক্ষে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হেমন্তমংগল বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানৰ এগছি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বিশিষ্ট সাংস্কৃতিকৰ্মী দেৱেন্দ্ৰ চন্দ্ৰ বৰা আৰু সমাজকৰ্মী ভোগেশ্বৰ শইকীয়াই। ইয়াৰ পাছতেই বৰতাল, শংখ, উৰুলি, মাংগলিক ধ্বনিৰ মাজতেই ৰভাৰ মূল লাইখুঁটা স্থাপন কৰে ক্ৰমে মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি অতুল চন্দ্ৰ বৰদলৈ সমাজকৰ্মী বিপিন চন্দ্ৰ কাকতি, সমিতিৰ সম্পাদক ললিত শইকীয়া, বিদ্যালয়ৰ প্ৰধান জ্যোতি দত্ত বৰদলৈয়ে।

■ নতুন জিলা সমিতি গঠন

## লালুকত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভা সম্পন্ন

অগ্রদূত বাৰ্তা

**লালুক, ১৬ ডিচেম্বৰ ঃ** লখিমপুৰ জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ এখন গুৰুত্বপূৰ্ণ প্ৰতিনিধি আৰু বিষয় বাছনি সভা আজি লালুকত অনুষ্ঠিত হৈ যায়। কালি পুৱা ১০ বজাৰ পৰা লালুক সংগীত মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হোৱা সভাখনত সভাপতিত্ব কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা আজাদ হাজৰিকাই। মুনিন্দ্ৰ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া, সাংগঠনিক সম্পাদক ৰাজুৰাজ বৰপাত্ৰগোহাঁই নিৰীক্ষকৰূপে উপস্থিত থাকে। সভাত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ বিতোপন হাতীবৰুৱা, লখিমপুৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ওৱাছিম আক্ৰাম, সাধাৰণ সম্পাদক বদিউজ জামান আদি কৰি কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সভাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ লখিমপুৰ জিলা সমিতিখন নতুনকৈ গঠন কৰা হয়। সভাত মুনিন্দ্ৰ বৰাক সভাপতি, নৰ কৃষ্ণ বৰা, আব্দুল মান্নান, ইছাবুল হুছেইনক কাৰ্যকৰী সভাপতি, আশ্ৰাফুল আলম আৰু ছহিদ, দেৱানন্দ বৰা, মিণ্টু হাজৰিকাক উপ-সভাপতি, আব্দুৰ ৰাজ্জাক, ভৈৰৱ প্ৰাণ গগৈ, পংকজ বৰাক সাধাৰণ সম্পাদক আদি কৰি বিভিন্ন বিষয়ববীয়াক বিভিন্ন দায়িত্বত ৰাখি মুক্তি সংগ্ৰাম সমিতিৰ এখন শক্তিশালী জিলা সমিতি গঠন কৰা হয়।

## দুধনৈত বড়ো লোকবাদ্য-লোক নৃত্যৰ ১২ দিনীয়া কৰ্মশালাৰ সামৰণি



অগ্রদূত বাৰ্তা

**দুধনৈ, ১৬ ডিচেম্বৰ ঃ** চিফুংনি ৰিংনায় সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ বিত্তীয় সাহায্যত যোৱা চাৰি ডিচেম্বৰৰ পৰা দুধনৈৰ খাৰা ক্লাব প্ৰাংগণত আয়োজিত ১২ দিনীয়া বড়ো লোকবাদ্য আৰু লোকনৃত্য কৰ্মশালাৰ কালি সামৰণি পৰে। আজি সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে কৰ্মশালাত শিক্ষা গ্ৰহণ কৰা নৃত্য প্ৰদৰ্শন কৰে। তদুপৰি লোকবাদ্য চেৰজা,খাম আৰু চিফুঙৰ সুৰ পৰিৱেশন কৰে। অনুষ্ঠানত প্ৰশিক্ষক ড° গৌমথাও বসুমতাৰীও চেৰজাৰ সুৰেৰে দৰ্শকক মুগ্ধ কৰে। উল্লেখ্য যে ১২ দিনীয়া কৰ্মশালাত দুধনৈৰ উপৰি বিভিন্ন প্ৰান্তৰ ৫৫ গৰাকী ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰে। টিনামণি দৈমাৰীৰ সভানেত্ৰিত্বত অনুষ্ঠিত সামৰণি অনুষ্ঠানত ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, সাংস্কৃতিক বিভাগৰ কাৰ্যবাহী সদস্যা জুতিকা ৰাভা, গোৱালপাৰা জিলা ট্ৰাইবেল সংঘৰ সভাপতি তুলসীধৰ বড়ো প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

## হাজোৰ বৰছলি হাটখোলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ কৰ্মচাৰীক বিদায় সম্ভাষণ

অগ্রদূত বাৰ্তা

**হাজো, ১৬ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজোৰ বৰছলি হাটখোলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ইছলামুদ্দিন আহমেদক কালি বিদায় সম্ভাষণ জনোৱা হয়। সেই অনুসৰি এখন সভা অনুষ্ঠিত কৰা হয়। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হাইদৰ আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপস্থিত থাকে বৰছলি হাটখোলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক চান মহম্মদ আলী, অৱসৰপ্ৰাপ্ত শিক্ষক চামচুল হক, আলহাজ বাহাৰুল ইছলাম, বৰছলি ছোৱালী এম ই মাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আব্দুল কাদেৰ, বৰ্ণি এম ই মাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আলহাজ মতিউৰ ৰহমান, বৰছলি ছোৱালী এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক হাফিজুৰ ৰহমান, হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ হিচাপ পৰীক্ষক ফৰহাদ আলী আহমেদ, সাংবাদিক মেছেৰ আলী, সমাজকৰ্মী পলেন চৌধুৰী, ছোহৰাব আলী, মইনুল হক, আজিজুৰ ৰহমান, নুৰ ইছলাম, হিকমত আলী সমন্বিতে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে উপস্থিত থাকে।

'ক্লিন মৰাণ, গ্ৰীণ মৰাণ' শ্ল'গান হৈয়ে ৰ'ল ঃ ৰাইজৰ ক্ষোভ

# মৰাণত স্বচ্ছ অভিযান আঁচনি ধোঁৱাচাঙত



অগ্রদূত বাৰ্তা

**মৰাণ, ১৬ ডিচেম্বৰ ঃ** মৰাণ নগৰখনক পৰিষ্কাৰ কৰি ৰখাৰ ক্ষেত্ৰত স্থানীয় প্ৰশাসন তথা স্থানীয় জনপ্ৰতিনিধিও সময়ে সময়ে স্বচ্ছ অভিযান চলাই আহিছে যদিও বাস্তৱতে এখন বিপৰীত ছবিহে প্ৰতিফলিত হৈছে। যোৱা ১১ নৱেম্বৰৰ পৰা ডিব্ৰুগড় জিলাৰ প্ৰশাসনৰ পৰামৰ্শত দিখাৰী গাঁও পঞ্চায়তে মৰাণ নগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ৰখাই থোৱা যান-বাহনৰ পৰা পাৰ্কিঙৰ নামত কৰ সংগ্ৰহ কৰা কাৰ্যত বৰ্তমানেও বিতৰ্ক চলি আছে। কাৰণ প্ৰশাসনে ক্লিন মৰাণ, গ্ৰীণ মৰাণ' শ্ল'গান লৈ উক্ত কৰ সংগ্ৰহ কৰিছে। কিন্তু কৰ সংগ্ৰহৰ পাছতো মৰাণ নগৰখনৰ পথবিলাক পৰিষ্কাৰ নহ'ল। প্ৰশাসনৰ সেই শ্ল'গান অৰ্থহীন হৈ পৰিছে বুলি সচেতন নাগৰিকসকলে মতপোষণ কৰিছে। আনহাতে, ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ সন্মুখত তথা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত কদৰ্যময় জাবৰৰ দমে এক দুৰ্গন্ধ সৃষ্টি কৰিছে যদিও মৰাণ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াগৰাকীয়ে এই ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই। কাৰণ দুষ্ট প্ৰকৃতিৰ একাংশ লোকে প্ৰতিদিনাই উক্ত স্থানত জাবৰ পেলাই আহিছে। এই ক্ষেত্ৰত সাংবাদিকে মৰাণ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ড° সংগীতা শৰ্মাৰ পৰা প্ৰতিক্ৰিয়া জানিব বিচৰাত চক্ৰ বিষয়াগৰাকীয়ে উল্লেখ কৰে যে মৰাণ নগৰখনক স্বচ্ছ কৰি ৰখাৰ ক্ষেত্ৰত বিভিন্ন সময়ত পদক্ষেপ গ্ৰহণ কৰা হৈছে যদিও এই ক্ষেত্ৰত একাংশ লোকে সহযোগিতা নকৰি য'তে-ত'তে জাবৰ পেলাই আহিছে।

## বেবেজীয়াৰ মাহৰিআটিত চুৰি কাণ্ড

অগ্রদূত বাৰ্তা

**বেবেজীয়া, ১৬ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ মাহৰিআটিত কালি দিনদুপৰতে এক চুৰি কাণ্ড সংঘটিত হয়। মাহৰিআটিৰ নিৱাসী যতীন্দ্ৰ নাথ শৰ্মাৰ বাসগৃহত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰে চোৰে লুটি নিয়ে নগদ ধন আ-অলংকাৰ। দুৰ্বৃত্তই খিৰিকীৰ গ্ৰীল ভাঙি লোকজনৰ গৃহত প্ৰৱেশ কৰি দুটাকৈ আলমিৰা ভাঙি নগদ ধনসহ লক্ষাধিক টকাৰ গহনা। চুৰি কৰি নিয়ে। পাছত বিয়লিৰ ভাগত ঘৰলৈ গৃহস্থ আহি ঘৰৰ ভিতৰৰ বয় বস্তুসমূহ লণ্ড-ভণ্ড হৈ থকা অৱস্থাত দেখাতহে চোৰ সোমোৱাৰ ওমান পায়। পৰৱৰ্তী সময়ত আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত ৰহা আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। উল্লেখনীয় যে জনবহুল অঞ্চলটোত এনেদৰে দিন দুপৰতে চোৰে লুটপাত চলোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## পশ্চিম যোৰহাটত ভাৰতী ফাউণ্ডেছনৰ প্ৰতিযোগিতা

অগ্রদূত বাৰ্তা


**পশ্চিম যোৰহাট, ১৬ ডিচেম্বৰ ঃ** ফিট ইণ্ডিয়া মুভমেণ্ট উপলক্ষে ভাৰতী ফাউণ্ডেছনে অঞ্চলটোৰ ম'হবন্ধা বাগান, ম'হবন্ধা জুনিয়ৰ মাদ্ৰাছা, ম'হবন্ধা পুৰণা লাইন, নতুন চামগুৰি বাগিচা, চামগুৰি বাগিচা, কানিয়া চাপৰি, বাঁহবাৰী মজদুৰ, চকলাটিঙা বাগান, চকলাটিঙা চাহ বাগিচা ১২ নম্বৰ লাইন, পাবনা গাঁও এল পি স্কুলৰ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, পৰিচালনা সমিতি, শুভাকাংক্ষীৰ উপস্থিতিত ম'হবন্ধা বাগান এল পিত ১৪ ডিচেম্বৰত শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণেৰে দ-বাম, লক্ষ্যভেদ, অংক দৌৰ, স্কিপিং, চিত্ৰাংকন, নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰে। পুৱা যোৰহাটৰ অতিৰিক্ত উপায়ুক্ত কবিতা কাকতি কোঁৱৰে বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে। যোগৰ অনুশীলন কৰাই অনিল নেওগে। ভাৰতী ফাউণ্ডেছনৰ সৌভিক গুপ্তা, পৰ্যবেক্ষকৰূপে থকা প্ৰবীণ প্ৰসাদ গুপ্তাৰ পৰিকল্পনাত অনুষ্ঠিত ইণ্ডিয়া মুভমেণ্টৰ প্ৰতিযোগিতাৰ পাছতে ম'হবন্ধা বাগান এল পিৰ সহকাৰী শিক্ষক প্ৰদীপ শৰ্মা ভৰালীয়ে আঁত ধৰা সভাত শিক্ষাৰ জিলা আঁচনি বিষয়া পৰশ গোস্বামী, জোনালী কটকী, সমল শিক্ষক নিবেদিতা শৰ্মা বৰুৱা, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই বক্তব্য আগবঢ়ায়। শিক্ষাৰ্থীসকলে দিহানাম, ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰাৰ পাছতে প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক মানপত্ৰসহ পুৰস্কাৰ প্ৰদান কৰে। মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক সবিতা মজুমদাৰ তালুকদাৰ, শিক্ষা স্বেচ্ছাসেৱক সংগীতা তাঁতী উপস্থিত থকা সভাতে শিক্ষক-শিক্ষয়িত্ৰীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত আৰু প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিদ্যালয়সমূহকো মানপত্ৰসহ উপহাৰ প্ৰদান কৰা হয়।

## মৰাণত ১৯ ডিচেম্বৰত জোনাকী মেলা

অগ্রদূত বাৰ্তা

**মৰাণ, ১৬ ডিচেম্বৰ ঃ** সাহিত্য-সংস্কৃতি চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ ১৮৪ সংখ্যক বৈঠকখন অহা ১৯ ডিচেম্বৰৰ সন্ধিয়া মৰাণৰ স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰগতিশীল যুৱ মঞ্চৰ আতিথ্যত মৰাণ নগৰৰ শিৱ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হ'ব বুলি জোনাকী মেলৰ মুখ্য উদ্যোক্তা বাছা বৰা আৰু প্ৰগতিশীল যুৱ মঞ্চৰ হৈ অকণ ভুঞাই সদৰী কৰিছে। এইবাৰ জোনাকী মেলত আলোচ্য বিষয় হ'ব 'সমাজ গঠনত জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ ভূমিকা।' মুখ্য আলোচক হিচাপে ভাগ ল'ব প্ৰাক্তন ছাত্ৰ নেতা তথা মৰাণ মহকুমা সাংবাদিক মঞ্চৰ মুখ্য সম্পাদক যদুনাথ পুৰীয়ে।

## অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ



অগ্রদূত বাৰ্তা

**দোতমা, ১৬ ডিচেম্বৰ ঃ** গোসাঁইগাঁও চৌতাৰা ৰেল ষ্টেছনৰ সমীপৰ কুসুমবিলত কালি ৰেলৰ চেপাত এগৰাকী মহিলাৰ মৃত্যু। ২২৪৪৯ নম্বৰৰ নামনিমুৱা সম্পৰ্ককান্তি এক্সপ্ৰেছৰ তলত পৰি অচিনাক্ত মহিলাগৰাকীৰ মৃত্যু হোৱা বুলি প্ৰত্যক্ষদৰ্শীয়ে কয়। পাছত ঘটনাস্থলীত ৰেল আৰক্ষী উপস্থিত হৈ মৃত মহিলাগৰাকীক উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে।

## চামতাত আছুৰ সম্বৰ্ধনা

অগ্রদূত বাৰ্তা

**চামতা, ১৬ ডিচেম্বৰ ঃ** পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত ছহিদ স্মৃতি মহাবিদ্যালয় আৰু আছু গোটে ছহিদ স্মৃতি মহাবিদ্যালয় (কনিষ্ঠ)ত নতুনকৈ দায়িত্ব লাভ কৰা ভাৰপ্ৰাপ্ত অধ্যক্ষ অমৰজ্যোতি শৰ্মা ছাৰক এখন ফুলাম গামোচা, গছপুলিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অধ্যক্ষৰ জৰিয়তে শিক্ষানুষ্ঠানৰ শৈক্ষিক দিশটো উন্নত হ'ব বুলি আশা কৰে। সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত আছিল পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য বিকি পাটোৱাৰী, আছু গোটৰ সভাপতি ৰাহুল ঠাকুৰীয়া, সম্পাদক চাইদুৰ ৰহমান, আছু গোটৰ বিষয়ববীয়া ৰাহুল মেধি আৰু সাংগঠনিক সম্পাদক ইচাহক আলী আৰু আন আন বিষয়ববীয়াসকল।

## মঙলদৈত ন-খোৱা উৎসৱত নৃত্য-গীত, হাঁহি-তামাচাৰে হাঁহে-মাহে-মাছে এসাঁজ

বিশেষ সংবাদদাতা

**মঙলদৈ, ১৬ ডিচেম্বৰ ঃ** আঘোণত সোণগুটি ভঁৰালত সোমোৱাৰ পাছৰে পৰা আৰম্ভ হয় ন-খোৱা উৎসৱ। গ্ৰাম্য জীৱনৰ ন-খোৱা অনুষ্ঠান এতিয়া ন-খোৱা উৎসৱলৈ পৰিৱৰ্তন হৈছে। গাঁও এৰি চহৰমুখী হ'লেও অসমীয়াৰ সেই পৰম্পৰা অটুট ৰাখিছে একাংশ চহৰবাসীয়ে। হাঁহে-মাহে-কোমোৰাই খাইছে এসাঁজ। লগত আছে বিভিন্ন ব্যঞ্জনৰ উপৰি পোৱা মাছ আৰু ভকুৱা মাছৰ তৰকাৰী। গীত-নৃত্যৰে ৰঙীন কৰি তুলিছে ন-খোৱা উৎসৱ। মঙলদৈ চহৰৰ প্ৰীতিনগৰবাসীয়েও বিভিন্ন গাঁৱৰ পৰা আহি সমাজ পাতি মিলাপ্ৰীতিৰে বসবাস কৰি আছে। তেওঁলোকেও পাহৰা নাই অসমীয়াৰ এই সোণসেৰীয়া



পৰম্পৰা। সেয়ে চুবুৰিটোৰ প্ৰতিগৰাকীয়ে লগ লাগি মঙলবাৰে অনুষ্ঠিত কৰিছে এই ন-খোৱা অনুষ্ঠানৰ। শিশুৰ পৰা বৃদ্ধলৈ সকলোৰে অংশ লৈছে এই অনুষ্ঠানত। নিমন্ত্ৰণ কৰিছে আলহী-অতিথি-বন্ধু-বান্ধৱক। মঙলদৈৰ বিধায়ক, প্ৰাক্তন মন্ত্ৰী বসন্ত দাস আৰু মঙলদৈ ৰাজহ চক্ৰ বিষয়া নয়ন পাঠকেও অংশগ্ৰহণ কৰি আনন্দিত এই ন-খোৱা উৎসৱত। এনেদৰেই নৃত্য-গীত, হাঁহি-তামাচাৰ মাজেৰেই হাঁহে-মাহে-মাছে উদৰ পূৰাই এসাঁজ খাই আনন্দত আত্মহাৰা হৈ পৰিছে সকলো।

## চিৰাঙৰ ভূমেশ্বৰ পাহাৰত ইক' ট্যুৰিজিম বনভোজস্থলী মুকলি

অগ্রদূত বাৰ্তা

**গৰুভাষা, ১৬ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ ডাংতলৰ নিকটৱৰ্তী ডিমাকুমাৰী ৰাভাপাৰাৰ ভূমেশ্বৰ পাহাৰৰ দাঁতিত যোৱা ১০ ডিচেম্বৰত বিটিচিৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে এক ইক' ট্যুৰিজিম বনভোজস্থলী মুকলি কৰে। ইয়াৰ পূৰ্বে চিদলী বিধানসভা সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে বনভোজস্থলীত ভূমেশ্বৰ পাহাৰক সেৱা জনাই বন্তি প্ৰজ্বলন কৰে। বনভোজস্থলী মুকলিৰ কাৰ্যসূচী অনুসৰি বিটিচিৰ পৰিষদীয় সদস্য মাধৱ চন্দ্ৰ ছেত্ৰী আৰু কাজলগাঁও পৌৰসভাৰ সভাপতি ৰৌণগৌৰা নাৰ্জাৰীয়ে পাহাৰৰ নামনিত বন্যপ্ৰাণীসকলে প্ৰাকৃতিক পৰিৱেশৰ মাজত ফল-মূলক খাদ্য হিচাপে লাভ কৰাৰ লক্ষ্যৰে ফল-মূলৰ গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে। গছপুলি ৰোপণ কাৰ্যসূচীত বিধায়ক জয়ন্ত বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীৰ লগতে ইউপিপিৰ নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে। ভূমেশ্বৰ পাহাৰৰ নামনিত কুঁজিয়া নৈৰ প্ৰাকৃতিক সৌন্দৰ্য তথা নৈসৰ্গিক পৰিৱেশত অৱস্থিত বনভোজস্থলী মুকলি উপলক্ষে উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। উদ্বোধনী অনুষ্ঠানত বড়ো, ৰাভা আৰু ৰাজবংশী জনগোষ্ঠীয় নৃত্য-গীত প্ৰদৰ্শন কৰা হয়। চিদলীৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে কয় যে বনভোজস্থলীত পৰিয়ালৰ সকলোৰে আহিব পৰা পৰিৱেশ সৃষ্টিৰে পৰিৱেশ দিলে বনভোজস্থলীৰ মৰ্যাদা পাব বুলি উল্লেখ কৰাৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জিলাসমূহৰ আৱৰ্ত ভৱনসমূহ প্ৰাকৃতিক পৰিৱেশত হোৱাটো আশা কৰাত চিৰাঙৰ আৱৰ্ত ভৱনটো ভূমেশ্বৰ পাহাৰৰ নামনিৰ পৰিৱেশত হোৱাৰ পোষকতা কৰে। অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে বিটিচিত বিগত বিপিএফৰ শাসন কালছোৱাত বিটিচিৰ পৰ্যটনৰ ঠাইসমূহ উন্নয়নমুখী কৰাৰ বিপৰীতে মদ, জুৱাৰ আড্ডা কৰাৰ ফলত যুৱ সমাজ বিপথে পৰিচালিত হোৱা বুলি উল্লেখ কৰে। তেওঁ সম্প্ৰতি বিটিচিৰ মুৰব্বী প্ৰমোদ বড়ো নেতৃত্বাধীন প্ৰশাসনে বিটিচিৰ পৰ্যটনস্থলীসমূহত নিবনুৱা যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰশীল হোৱাৰ লক্ষ্যৰে অৰ্থনৈতিক উন্নয়নত গুৰুত্ব আৰোপ কৰাৰ কথা ব্যক্ত কৰে।

## বিদ্যুতৰ বিল পৰিশোধ নকৰাৰ বাবে বিদ্যুৎ সংযোগ বিচ্ছিন্ন

অগ্রদূত বাৰ্তা

**কাকজান, ১৬ ডিচেম্বৰ ঃ** কাকজান বিদ্যুৎ উপসংমণ্ডলৰ অন্তৰ্গত ৰামপুৰ ইটাভাটা আৰু মেলেং বাগান (বালিজান) এই দুটা অঞ্চলৰ দুয়োটা ট্ৰেন্সফৰ্মাৰ অন্তৰ্গত উপভোক্তাসকলৰ সৰহ সংখ্যকেই বিদ্যুৎ বিল পৰিশোধ নকৰাৰ বাবে কালি কাকজান বিদ্যুৎ উপসংমণ্ডল কাৰ্য্যালয়ৰ কৰ্মীসকলে ট্ৰেন্সফৰ্মাৰ দুটাৰ পৰা বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰি দিয়ে। উক্ত দুয়োটা ট্ৰেন্সফৰ্মাৰৰ উপভোক্তাসকলৰ মুঠ অনাদায় ধনৰাশিৰ পৰিমাণ ৫,৩৮,৯৫৫ পাচ লাখ আঠত্ৰিশ হাজাৰ ন শ পছপন্ন আৰু ৩,০৭,৩০১ তিনি লাখ সাত হাজাৰ তিনিশ এক বুলি কাৰ্য্যালয়ৰ ফালৰ পৰা জানিবলৈ দিছে। লগতে কাকজান বিদ্যুৎ উপসংমণ্ডলৰ অন্তৰ্গত সকলো বিদ্যুৎ উপভোক্তাকে অনাদায় হৈ থকা বিদ্যুতৰ বিলসমূহ সময়মতে পৰিশোধ কৰিবৰ বাবে বিদুৎ উপসংমণ্ডলৰ তৰফৰ পৰা অনুৰোধ জনাইছে অন্যথা বিদ্যুৎ ৰাজহৰ পৰিমাণ বেছি হৈ থকা ট্ৰেন্সফৰ্মাৰসমূহৰ যিকোনো সময়ত বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰি দিয়া হ'ব।

কুইজ প্ৰতিযোগিতাত ৰামদিয়াৰ নীলোৎপল-হিমাক্ষী শ্ৰেষ্ঠ

## দৈনন্দিন জীৱনত আছে গীতাৰ প্ৰাসংগিকতা



অগ্রদূত বাৰ্তা

**মঙলদৈ, ১৬ ডিচেম্বৰ ঃ** বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী মঙলদৈ শাখাৰ উদ্যোগত আৰু খটৰাসত্ৰ পৰিচালনা সমিতিৰ সহযোগত যোৱা ১৪ ডিচেম্বৰত খটৰাসত্ৰত 'গীতা জয়ন্তী' উৎসৱ উদ্‌যাপন কৰা হয়। এই উপলক্ষে দিনৰ ১১-৩০ত বিবেকানন্দ কেন্দ্ৰৰ জিলা সাহিত্য সেৱা প্ৰমুখ, খটৰা সত্ৰ স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মোহিনী গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰে। আনহাতে, ভাৰতমাতাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে চি আৰ এছ ডি টিৰ সম্পাদক, সাহিত্য অনুবাদক ভাৰ্গৱ কলিতা আৰু খটৰাৰ বাসিন্দা অনন্ত দেৱ শৰ্মাই। ইয়াৰ পাছতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত বৰগীত পৰিবেশন কৰে কেন্দ্ৰৰ মহলীয়াপাৰা কাৰ্যস্থানৰ নৱ-মাধৱ সংস্কাৰ বৰ্গৰ বৰ্গ শিক্ষক কুমাৰী পূজা ডেকা, দেওমৰনৈ কাৰ্যস্থানৰ সহকাৰী সংযোজক জাহ্নৱী হাজৰিকা, গ্ৰাম সংস্কাৰ বৰ্গৰ বিস্তাৰ প্ৰমুখ ৰঞ্জিতা কলিতাই। দৈনন্দিন জীৱনত গীতাৰ প্ৰাসংগিকতা এই বিষয়ত মাৰ্গদৰ্শন আগবঢ়াই ড° মোহিনী গোস্বামীয়ে। মহাপুৰুষ 'শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱ আৰু গীতা' শীৰ্ষক বিষয়ৰ ওপৰত কুইজ পৰিচালনা কৰে বিবেকানন্দ কেন্দ্ৰৰ কাৰ্যকৰ্তা, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ছিপাঝাৰ শাখাৰ যুটীয়া সম্পাদক জিতুমণি কলিতা, সমৰকলাবিদ গৌৰৱজ্যোতি হাজৰিকা, চি আৰ এছ ডি টিৰ পৰিৱেশ বিভাগৰ প্ৰমুখ নয়নজ্যোতি ডেকা, নিপন কলিতা, ৰাহুল ডেকা, পৰাগ শৰ্মা, চিন্তামণি শৰ্মা, মদন শৰ্মা, অমৰজ্যোতি ডেকা, আব্দুল আজিজে। ৩২টা দলে অংশ লোৱা কুইজ প্ৰতিযোগিতাত প্ৰথম নীলোৎপল পাটোৱাৰী আৰু কুমাৰী হিমাক্ষী পাটোৱাৰী (ৰামদিয়া, কামৰূপ গ্ৰাম্য), দ্বিতীয় জ্যোতিষ ডেকা আৰু মৃগেন কলিতা (ছিপাঝাৰ মহাবিদ্যালয়), তৃতীয় স্থান লাভ কৰে দৰং জিলা জাতীয় বিদ্যালয়ৰ হিমশিখৰ মহন্ত আৰু স্বৰাজ প্ৰতিম নাথে। বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ ছাত্ৰীসকলে সংস্কৃতত গীতাৰ প্ৰথম অধ্যায়টোৰ বৈদিক পাঠ কৰে। এই কাৰ্যত বিদ্যালয়ৰ আচাৰ্য ৰঞ্জিতা ছেত্ৰী, দেৱজিৎ ডেকা, সঞ্জয় দাসে সহযোগিতা আগবঢ়ায়। গীতাৰ মাৰ্গদৰ্শন আগবঢ়াই মঙদৈ ইস্কনৰ প্ৰমুখ্যে পুৰুষোত্তম দাসে। বঁটা বিতৰণী অনুষ্ঠানত অভিযন্তা লখেশ্বৰ দাস, দলংঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক নৱ কুমাৰ শৰ্মা, মৃদুলা দাস, পূৰ্ণিমা দত্ত, পুৰুষোত্তম দাস, ড°মোহিনী গোস্বামী, দাদুল দাস আদি উপস্থিত থাকে।

## একশৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক ইলাৰাম দাসৰ ৯৩ সংখ্যক জন্মজয়ন্তী

অগ্রদূত বাৰ্তা

**আমগুৰি, ১৬ ডিচেম্বৰ ঃ** সদৌ অসম তৰুণ বিদ্যাৰ্থী সমাজৰ প্ৰাদেশিক অধিবেশন আৰু একশৰণ ভাগৱতী সমাজ, অসমৰ প্ৰতিষ্ঠাপক ইলাৰাম দাসৰ ৯৩ সংখ্যক জন্মজয়ন্তী অহা ২২ ডিচেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আমগুৰি নগৰৰ পেঙেৰাঘাটত অনুষ্ঠিত হ'ব। কাৰ্যসূচী মতে, ২২ ডিচেম্বৰৰ চাৰি বজাত প্ৰাতঃপ্ৰসংগ, ছয় বজাত পৰিৱেশ নিকাকৰণ, ৬.৩০ বজাত তোৰণ উন্মোচন, ৭.৩০ বজাত বৃক্ষৰোপণ, ৮.৩০ বজাত সদৌ অসম তৰুণ বিদ্যাৰ্থী সমাজৰ সভাপতি সন্তৰাম দাসৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন, ন বজাত স্মৃতি তৰ্পণ, ৯.৩০ বজাত প্ৰাচীৰ পত্ৰিকা উন্মোচন, ১০.৩০ বজাত প্ৰাৰ্থনা সভা, দিনৰ এক বজাত মঞ্চ মুকলি আৰু প্ৰদৰ্শনীমূলক দিহানাম আৰু বৰগীত পৰিবেশন, দুই বজাত শিবিৰ মুকলি, তিনি বজাত ভকত আদৰণি, বিয়লি পাঁচ বজাত সাংস্কৃতিক সমাৰোহ আৰু ৬.৩০ বজাৰ পৰা প্ৰতিনিধিমূলক সভাৰে প্ৰথমে দিনাৰ কাৰ্যসূচী সামৰণি পৰিব। অহা ২৩ ডিচেম্বৰৰ পুৱা চাৰি বজাত প্ৰাতঃপ্ৰসংগ, আঠ বজাত প্ৰাৰ্থনা সভা, ১০ বজাত ভাগৱত শোভাযাত্ৰা, দুপৰীয়া ১২-৪৫ বজাত সদৌ অসম ভিত্তিত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা, দিনৰ ১.৩০ বজাত ইলাৰাম দাসৰ স্মৃতিচাৰণ আৰু ধৰ্মালোচনা সভা, সন্ধিয়া সাত বজাত গুণমালা কীৰ্তন আৰু নিশা ন বজাৰ পৰা ঘোষা চক্ৰৰে দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। অহা ২৪ ডিচেম্বৰত পুৱা চাৰি বজাত ঘোষা চক্ৰৰ সামৰণি আৰু প্ৰাতঃপ্ৰসংগ, সাত বজাত পৰিৱেশ নিকাকৰণ, বিয়লি চাৰি বজাত সন্ধ্যা প্ৰসংগ, ছয় বজাত বঁটা বিতৰণী অনুষ্ঠান আৰু সাত বজাৰ পৰা স্থানীয় পেঙেৰা গাঁৱৰ যুৱকবৃন্দৰ দ্বাৰা 'সিন্ধুমুনিৰ পিতৃ ভক্তি, দশৰথৰ স্বৰ্গ উদ্ধাৰ' ভাওনা প্ৰদৰ্শন কৰা হ'ব।

■ ডিব্ৰুগড়-তিনিচুকীয়া জিলা বান আৰু খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ খহনীয়া অঞ্চল পৰিভ্ৰমণ!

# বিজ্ঞানসন্মতভাৱে দিবাং নৈৰ সুঁতি সলনি কৰিবলৈ দাবী

**অগ্ৰদূত বাৰ্তা**

**তালাপ, ১৬ ডিচেম্বৰ ঃ** ডিব্ৰুগড়-তিনিচুকীয়া জিলা বান আৰু খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ সভাপতি বিনোদ কেডিয়াৰ নেতৃত্বত এটা দলে আজি হাতীঘুলিৰ কেনপাচ ইক'টুৰিজিম কেম্পৰ সমীপত হৈ থকা খহনীয়া অঞ্চল পৰিভ্ৰমণ কৰে । অঞ্চলটোত হৈ থকা খহনীয়াৰ ভয়াৱহ ৰূপ প্ৰত্যক্ষ কৰি ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ জলসম্পদ বিভাগে এতিয়ালৈকে খহনীয়া ৰোধৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ক্ষোভ প্ৰকাশ কৰিছে। ব্ৰহ্মপুত্ৰৰ সুৰক্ষা মথাউৰিটোৰ কাষ পাবলৈ মাত্ৰ ৪০-৫০ মিটাৰমানহে বাকী থকাৰ পাছতো বিভাগটোৰ গা নলৰা কথাত দলটোৱে তীব্ৰ ভাষাৰে গৰিহণা দিছে। উক্ত স্থানত বাৰিষাৰ পূৰ্বে গৰাখহনীয়া ৰোধৰ ব্যৱস্থা নকৰিলে আগন্তুক বাৰিষাতে সুৰক্ষা মথাউৰিটো ৰক্ষা কৰাটো টান হৈ পৰিব বুলি মঞ্চৰ সভাপতি বিনোদ কেডিয়াই মন্তব্য কৰিছে। এক বিবৃতিত নৈখনে কেৱল সেই স্থানতে কিয় তাণ্ডৱৰ সৃষ্টি কৰি আছে তাৰ উহ বিচাৰি দলটোৱে সোঁতৰ বিপৰীতে উজাই গৈ এক ভয়াৱহ দৃশ্য প্ৰত্যক্ষ কৰে। অৰুণাচলৰ খৰস্ৰোতা নদী দিবাঙে পূৰ্বৰ সুঁতি সলনি কৰি লালবিল চাপৰি আৰু বাদামটাপুৰ মাজেৰে থোৱা নতুন সুঁতিৰে সমগ্ৰ নৈখন সোমাই আহি লুইত আৰু ন-দিহিঙৰ জলধাৰাক ঠেলি আনি হাতীঘুলিৰ সেই অংশৰ গৰাত খুন্দা মাৰিছে। ফলত অঞ্চলটোত খহনীয়াৰ ভয়াৱহতা বৃদ্ধি পোৱাৰ কথা দলটো নিশ্চিত হৈছে । ইয়াৰ পূৰ্বেও দিবাঙে সুঁতি সলাই অঞ্চলটোৰ মিলনপুৰ নামৰ স্থানত খহনীয়াৰ সৃষ্টি কৰিছিল যদিও ব্ৰহ্মপুত্ৰ ব'ৰ্ডে 2015তে এটা মথাউৰি বন্ধাত সেই স্থানৰ খহনীয়াৰ ভয়াৱহতা কিছু শাম কাটিছিল। সম্প্ৰতি এই চেক বান্ধটোৰ প্ৰায় আধা কিলোমিটাৰ পশ্চিম দিশত লোৱা নৈখনৰ নতুন সুঁতিটোৱে পোনে পোনে হাতীঘুলিত খুন্দা মৰাৰ লগতে প্ৰায় চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিটোৰো অৱস্থা বিস্তীৰ্ণ হৈছে। ব্ৰহ্মপুত্ৰ ব'ৰ্ডে বাঁহবাৰী অঞ্চলৰ এই মথাউৰিটোৰ মেৰামতিৰ কাম কৰি আছে যদিও ঠিকাদাৰৰ কাম-কাজত দলটোৱে অসন্তুষ্টি প্ৰকাশ কৰিছে। বালি আৰু পলস জাপি দি সজা মথাউৰিটোৱে দিবাঙৰ দৰে খৰস্ৰোতা নৈৰ সোঁতক কিমান দিনলৈ ভেটা দি ৰাখিব পাৰিব বুলি দলটোৱে প্ৰশ্ন তুলিছে। মথাউৰিটোৰ স্থান দুৰ্গম হোৱা হেতুকে বিভাগীয় অভিযন্তাৰ চকুৰ আঁৰত ঠিকাদাৰে যেনেকৈ মন যায় তেনেকৈয়ে কাম সমাধা কৰিবলৈ সুবিধা পোৱা বুলি ভাবিবলৈ বাধ্য বুলি দলটোৱে অভিযোগ কৰিছে। বিভাগীয় অভিযন্তাৰ পৰ্যবেক্ষণত নিয়মমাফিক কাম কৰোৱাই মথাউৰিটো শক্তিশালী ৰূপত সাজি উলিয়াবৰ বাবে ডিব্ৰুগড়-তিনিচুকীয়া জিলা বান আৰু খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চই দাবী জনাইছে। লগতে দিবাং নৈৰ সোঁতৰ দিশ সলনি কৰি পূৰ্বৰ গতিপথেৰে বোৱাই নিয়াৰ বাবে বিজ্ঞানসন্মতভাৱে ব্যৱস্থা ল'বৰ বাবে ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰক দাবী জনাইছে। আজি পৰিভ্ৰমণ কালত ডিব্ৰুগড়-তিনিচুকীয়া জিলা বান আৰু খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ সভাপতিৰ স'তে সংগ দিয়ে উপ-সভাপতি ভৱেশ উপাধ্যায়, সাংগঠনিক সম্পাদক জীৱনজিৎ সোণোৱাল, প্ৰেছ উপদেষ্টা শান্তনু গোস্বামী, হাতীঘুলি বান আৰু খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ সভাপতি সীতাৰাম ছেত্ৰী, সদস্য সুমিত দাস, শংকৰ ছেত্ৰী, অভিনন্দন কলিতা, প্ৰেছ উপদেষ্টা নোৱান্তীক ওৱাং আৰু কে'বাগৰাকীও স্থানীয় সচেতন ব্যক্তিয়ে।



## বিটিএডিৰ অপ্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয়সমূহ বিটিআৰ চুক্তি মতে প্ৰাদেশিকীকৰণৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৬ ডিচেম্বৰ ঃ** বিটিএডিৰ অপ্ৰাদেশীকৃত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহ বিটিআৰ চুক্তিৰ ৬ঃ৩ দফা অনুযায়ী প্ৰাদেশীকিকৰণ কৰাৰ দাবী কৰিছে সদৌ বিটিচি ভেঞ্চাৰ প্ৰাইমাৰী টিচাৰ এছ'চিয়েছনে। আজি গোসাঁইগাঁৱত এক সংবাদমেলযোগে সংগঠনটোৰ নেতৃত্বই কয় যে বিটিআৰ চুক্তিৰ ৬ঃ৩ দফা মতে দীৰ্ঘদিনৰ পৰা বিনা বেতনে চলাই থকা অপ্ৰাদেশীকৃত বিদ্যালয়সমূহ প্ৰাদেশীকৰণ কৰিব লাগিছিল যদিও বিটিচি প্ৰমোদ বড়োয়ে এতিয়ালৈকে কৰিব পৰা নাই। তেওঁ বিটিচি নিৰ্বাচনৰ পূৰ্বে বিটিআৰ অঞ্চলসমূহ অপ্ৰাদেশিকীকৃত বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল, কিন্তু চৰকাৰৰ

### তীব্ৰ আন্দোলনৰ হুংকাৰ

এবছৰ কাল উকলি যোৱাৰ পাছতো সেই প্ৰতিশ্ৰুতি পূৰণ কৰা নাই। ফলত অপ্ৰাদেশিক বিদ্যালয়সমূহ প্ৰাদেশীকিকৰণ কৰাৰ দাবীত অহা শীতকালীন অধিৱেশনৰ প্ৰথম দিনা গুৱাহাটীত অৱস্থান ধৰ্মঘট কাৰ্যসুচী ৰূপায়ন কৰা হ'ব। শীতকালীন অধিৱেশনতে ৯০০ বিদ্যালয় প্ৰাদেশীকৰণ কৰি ৩৫০০তকৈ অধিক শিক্ষক-শিক্ষয়িত্ৰীক সহায় কৰিবলৈ অসম চৰকাৰ আৰু বিটিআৰ প্ৰশাসনক শিক্ষক সংগঠনটোৱে আহ্বান জনায়। অন্যথাই তীব্ৰ গণ আন্দোলনৰ কাৰ্যসূচী হাতত লোৱা হ'ব বুলি সংগঠনৰ নেতৃবৃন্দই সকীয়াই দিছে। পৰৱৰ্তী আন্দোলনৰ প্ৰথম কাৰ্যসূচী হিচাপে ঘাইপথ অৱৰোধ কৰা হ'ব। ইয়াৰ পাছতো চৰকাৰে গুৰুত্ব নিদিলে বিটিএডিৰ জিলাই জিলাই গণ জাগৰণ সভা অনুষ্ঠিত কৰিব বুলি সকীয়াই দিয়ে সদৌ বিটিচি অপ্ৰাদেশিকীকৃত প্ৰাথমিক শিক্ষক সন্থাই।

## ঢেকিয়াজুলিত তিনি চাহ জনগোষ্ঠীয় সাংসদৰ জুমুঠি দাহ আদিবাসী ছাত্ৰৰ

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ১৬ ডিচেম্বৰ ঃ** ৰাজ্যত বসবাস কৰা আদিবাসী জনগোষ্ঠীক জনজাতিকৰণ প্ৰসংগত পুনৰ সৰৱ হৈছে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)। ৰাজ্যৰ আদিবাসীসকলক জনজাতিকৰণ প্ৰসংগত অসমৰ তিনিগৰাকী চাহ জনগোষ্ঠী তথা আদিবাসী সাংসদ ক্ৰমে ৰামেশ্বৰ তেলী, পল্লৱ লোচন দাস আৰু কামাখ্যা প্ৰসাদ তাছা নিমাত হৈ থকাত সদৌ অসম ছাত্ৰ সন্থাই ক্ষুব্ধ হৈ ৰাজপথত প্ৰতিবাদত নামিল। আদিবাসীসকলক জনজাতিকৰণৰ ক্ষেত্ৰত বিজেপি চৰকাৰখনে কৰা বঞ্চনাৰ অভিযোগ তুলি আজি দিনৰ এক বজাত ঢেকিয়াজুলি নগৰত আছাৰ শোণিতপুৰ জিলা সমিতি আৰু ঢেকিয়াজুলি আঞ্চলিক সমিতিয়ে তিনিজন সাংসদ পল্লৱ লোচন দাস, কামাখ্যা প্ৰসাদ তাছা আৰু ৰামেশ্বৰ তেলীৰ পুত্তলিকা দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। জনজাতিকৰণ প্ৰসংগত নীৰৱ হৈ থকা সাংসদ পল্লৱ লোচন দাস, কামাখ্যা প্ৰসাদ তাছা, ৰামেশ্বৰ তেলী হায় হায়, জাতিৰ হকে মাত মাতক, মুৰ্দাবাদ, ন' এছটি ন ৰেষ্ট, আমাৰ দাবী ন্যায্য দাবী, আদিবাসীসকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰক, বিজেপি চৰকাৰ মুৰ্দাবাদ আদি প্ৰতিবাদী শ্ল'গানৰে পুত্তলিকা দাহ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে ঢেকিয়াজুলিত। উক্ত প্ৰতিবাদী কাৰ্যসূচীত শোণিতপুৰ জিলা আছাৰ সভাপতি অমৰজিৎ কেৰ্কেটাই উপস্থিত থাকি উক্ত তিনিগৰাকী সাংসদৰ ভূমিকা সন্দৰ্ভত ক্ষুৰধাৰ সমালোচনা কৰি আগন্তুক দিনত তেওঁলোকে জনজাতিকৰণ প্ৰসংগত মাত নামাতিলে সমগ্ৰ ৰাজ্যত চাহবাগিচা আৰু আদিবাসী অধ্যুষিত অঞ্চলত তীব্ৰ প্ৰতিবাদৰ সন্মুখীন হ'ব বুলি হুংকাৰ দিয়ে। ইপিনে, জনজাতিকৰণ প্ৰসংগত বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ স্থিতিক কঠোৰ ভাষাৰে সমালোচনা কৰে আছাৰ নেতা জনে। উক্ত কাৰ্যসূচীত শোণিতপুৰ জিলা আছাৰ সহকাৰী সম্পাদক নাৰায়ণ সিং গোড় উপস্থিত থাকে।

## ডিগবৈত নাজিৰাটিং তামুলী পৰ্যটন উৎসৱৰ লাইখুঁটা স্থাপন



**ডিগবৈ, ১৬ ডিচেম্বৰ ঃ** ডিগবৈত অহা পহিলা জানুৱাৰীত জানুৱাৰীত হ'বলগীয়া নাজিৰাটিং তামুলী পৰ্যটন উৎসৱৰ আজি লাইখুঁটা স্থাপন কৰা হয়। মৰাণ জনগোষ্ঠীৰ ধৰ্মীয় ৰীতি নীতিৰে লাইখুঁটা স্থাপন কৰে তামুলী বনগাঁৱৰ সত্ৰাধিকাৰ নাহৰ মহন্তই। উপস্থিত থাকে পৰ্যটন উৎসৱৰ উদ্যোগতা, স্থানীয় বিধায়ক সুৰেন ফুকন আদি। ঐতিহাসিক নাজিৰাটিং নৈ আৰু ইয়াৰ মনোৰম সেউজীয়া পৰিৱেশ সামৰি গঢ়ি উঠিছে নাজিৰাটিং তামুলী পৰ্যটন স্থলী। এই স্থলীখন সুন্দৰকৈ সজাই পৰাই স্থানীয় বিধায়ক সুৰেন ফুকনৰ বিশেষ তৎপৰতাত পৰ্যটনৰ বাবে মুকলি কৰিছে। ডিব্ৰু নৈৰ দুয়োপাৰ সেউজীয়া বনাঞ্চল আৰু বনাঞ্চলৰ পৰা ওলাই অহা বিভিন্ন জীৱ-জন্তু পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ। এইবাৰ হ'বলগীয়া দ্বিতীয় বাৰ্ষিক নাজিৰাটিং তামুলী পৰ্যটন উৎসৱৰ তিনি জানুৱাৰীৰ কাৰ্যসূচীত উপস্থিত থাকিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা।

## গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিৰ মৃত্যু


**সৰুপথাৰ, ১৬ ডিচেম্বৰ ঃ** সৰুপথাৰৰ শিক্ষাবিদ তথা গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৰশু তামুলীৰ আজি পুৱতি নিশা মৃত্যু হয় । তেওঁ কিছুদিন ধৰি স্বাস্থ্যজনিত কাৰণত ডিমাপুৰত চিকিৎসাধিন হৈ আছিল। তামুলীয়ে সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰতিষ্ঠাকালৰে পৰা শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ ধনশিৰি মহকুমাৰ বিভিন্ন সামাজিক, সাহিত্যিক প্ৰতিষ্ঠানৰ স'তে জড়িত হৈ আছিল।

## চেতনাগুৰিত বিনামূলীয়া চিকিৎসা শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৬ ডিচেম্বৰ ঃ** বিশ্বনাথ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বালিজুৰিস্থিত তিনি নম্বৰ চেতনাগুৰিত যোৱা ১১ ডিচেম্বৰত এক বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। বালিজুৰিস্থিত হাতীপটি গেটৰ 'মদন হোমিঅ' ক্লিনিক'ৰ উদ্যোগত ব্ৰহ্ম আৰু বাথৌ মন্দিৰৰ সহযোগত অনুষ্ঠিত চিকিৎসা শিবিৰটোত অঞ্চলটোৰ বিভিন্ন ৰোগত আক্ৰান্ত শতাধিক ৰোগীক হোমিঅ' চিকিৎসক ডাঃ মদন শৰ্মাই পৰীক্ষা কৰি বিনামূলীয়াকৈ ঔষধো বিতৰণ কৰে। চিকিৎসা শিবিৰত যুৱ সমাজ সেৱক তথা জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তেজপুৰ জিলাৰ সভাপতি বিশ্বজিৎ কলিতাও চিকিৎসা সেৱা সুচাৰুৰূপে পৰিচালনা কৰাত সহায় আগবঢ়ায়। চিকিৎসক ডাঃ শৰ্মাৰ এনে জনকল্যাণমূলক স্বাস্থ্য সম্পৰ্কীয় সেৱাক স্থানীয় লোকসকলে প্ৰশংসা কৰিছে।

## 'অধৰ্মৰ পৰিণাম' গ্ৰন্থৰ লেখক পোনা চন্দ্ৰ বৰাৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৬ ডিচেম্বৰ ঃ** অসম সাহিত্য সভাৰ আজীৱন সদস্য, সমাজকৰ্মী, উত্তৰণ শাখা সাহিত্য সভাৰ অক্লান্ত কৰ্মী, 'অধৰ্মৰ পৰিণাম' গ্ৰন্থৰ লেখক, অসমীয়া ভাষাৰ আন্দোলনত অংশগ্ৰহণ কৰি পাঁচ বজাৰ নিৰুদ্দেশ হৈ থকা ইতিহাস প্ৰসিদ্ধ চাওখাত মৌজাৰ মেলেং বৰখেলীয়া গাঁৱৰ নিবাসী পোনা চন্দ্ৰ বৰা (৯০)ৰ কালি সন্ধ্যা নিজা গৃহত বিয়োগ হয়। অসম সাহিত্য সভাৰ সেৱা আগবঢ়াই নীৰৱে সেৱা আগবঢ়াই যোৱা বৰাই অসমৰ বৰ্তমান পৰিস্থিতিৰ বাবে এবুকু ক্ষোভ লৈ নীৰৱে পৃথিৱীৰ মায়া এৰি যায়। মৃত্যুৰ সময়ত পত্নীসহ বহুতো আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়। অক্লান্ত সাহিত্যকৰ্মী বৰাৰ বিয়োগত বৰখেলীয়া গাঁৱৰ ৰাইজ, পশ্চিম চাওখাতৰ ৰাইজে গভীৰ শোক প্ৰকাশ কৰে। অক্লান্ত সাহিত্যকৰ্মী বৰাৰ বিয়োগত আছাম প্ৰেছ কৰেচপণ্ডেণ্টচ ইউনিয়ন (আপকু)ৰ যোৰহাট জিলা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## কৃষকক জৈৱিক সাৰ প্ৰয়োগ কৰিবলৈ আহ্বান



**চেলেংহাট, ১৬ ডিচেম্বৰ ঃ** প্ৰাকৃতিক কৃষি বিষয়ক ৰাষ্ট্ৰীয় সন্মিলনৰ স'তে সংগতি ৰাখি আজি মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত লাহিং গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত যোৰহাট জিলাৰ কিষাণ মৰ্চাৰ উদ্যোগত কৃষকসকলক লৈ শূন্য বাজেটত কিদৰে প্ৰাকৃতিক খেতি কৰিব পাৰি সেই বিষয়ে এখন সভা অনুষ্ঠিত হয়। অনলাইনযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষকসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰা সভাত মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, যোৰহাট জিলা কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদকদ্বয় অমৃত গগৈ, সৌৰভ চুতীয়া, কাৰ্যালয় সম্পাদক সুনীল দত্ত, অ' বিচি মৰ্চাৰ যোৰহাট জিলাৰ সভাপতি নীলোৎপল গগৈ, কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়ববীয়াকে ধৰি বহুসংখ্যক স্থানীয় কৃষক আৰু বিজেপিৰ বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে। উক্ত সভাতে বিধায়ক কুৰ্মীয়ে খেতিত ৰাসায়নিক সাৰৰ সলনি গৰুৰ গোবৰ অথবা জৈৱিক সাৰ প্ৰয়োগ কৰিবৰ বাবে কৃষক ৰাইজৰ প্ৰতি ভাষণ প্ৰসংগত উল্লেখ কৰে।

## বৰভাগত ১৯৮৪ মেট্ৰিক অৱতীৰ্ণৰ সতীৰ্থ সন্মিলন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৬ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৮৪ৰ প্ৰৱেশিকা অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ সতীৰ্থ সন্মিলন অহা ২৬ ডিচেম্বৰত অনুষ্ঠিত হ'ব। বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সিদিনা দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা সতীৰ্থ সন্মিলনত পুৱা বন্তি প্ৰজ্বলন, ছহিদ তৰ্পণ, গছপুলি ৰোপণ, সেই সময়ৰ ভালেকেইগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীৰ আশিস সম্বৰ্ধনা অনুষ্ঠান, অন্তৰংগ আলাপ, প্ৰীতি ভোজ, সতীৰ্থৰ প্ৰতিভা শীৰ্ষক অনুষ্ঠানৰ উপৰি এখন 'সোণালী বৰভাগ-৮৪' নামৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। ইতিমধ্যে সতীৰ্থ সন্মিলনৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। সতীৰ্থ সন্মিলনৰ গ্ৰুপ এডমিন আলতাফ হুছেইনে ১৯৮৪ৰ প্ৰৱেশিকা অৱতীৰ্ণ সকলো সতীৰ্থক সিদিনা উপস্থিত হ'বলৈ আহ্বান জনাইছে। তদুপৰি সতীৰ্থসকলক স্মৃতিগ্ৰন্থত প্ৰকাশৰ বাবে পৰিয়ালৰ ফটো আৰু লেখাসমূহ ৯৯৫৪৮৯০৪০৭/ ৬০০৩১১৪৯০০/৯৮৫৯৪৬৬৯৯৪ হোৱাট্ছ'এপ নম্বৰত প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে। দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা সতীৰ্থ সন্মিলনত সতীৰ্থৰ লগতে পৰিয়ালৰসমূহ সদস্যৰ উপস্থিতি উদ্যোক্তা সকলে কামনা কৰিছে।

## হাইস্কুল অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকৰ সাধাৰণ সভা আয়োজন

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ১৬ ডিচেম্বৰ ঃ** ২০১০ত হাইস্কুলসমূহত শিক্ষা ব্যৱস্থা উন্নত কৰাৰ লক্ষ্যৰে ছয় হেজাৰ অধিক শিক্ষকক অতিৰিক্ত ঠিকাভিত্তিক শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল। পৰৱৰ্তী সময়ত সেই সকল শিক্ষকক যোৱা ২০২০তেই চৰকাৰে প্ৰায় নিয়মীয়া কৰাৰ আশ্বাস দিছিল। কিন্তু সকলো দায়িত্ব সমানে মূৰ পাতি লোৱা এই শিক্ষকসকলৰ আজিলৈকে দৰমহা সময়মতে নোপোৱা এন পি এছ আদি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত। এই বিষয়সমূহৰ ওপৰত আলোচনা কৰি তাৰ ক্ষিপ্ৰ ব্যৱস্থা লোৱাৰ ওপৰত চৰকাৰক অনুৰোধ কৰিবৰ বাবে মাধ্যমিক অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকসকলৰ যোৱা ২১ নৱেম্বৰত গুৱাহাটীৰ কালীৰাম বৰুৱা ছোৱালী হাইস্কুলত অনুষ্ঠিত বৰ্ধিত কাৰ্যনিৰ্বাহকত এখন সাধাৰণ সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই মৰ্মে এখন সাধাৰণ সভা মৰিগাঁও জিলা মাধ্যমিক অতিৰিক্ত ঠিকাভিত্তিক শিক্ষক সন্থাৰ উদ্যোগত অহা ১৯ ডিচেম্বৰত মৰিগাঁও জিলাৰ জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সদৌ অসম মাধ্যমিক অতিৰিক্ত ঠিকাভিত্তিক শিক্ষক সন্থাৰ সাধাৰণ সভা আহ্বান কৰা হৈছে। সভাত অসমৰ বিভিন্ন জিলাসমূহৰ হাইস্কুলত কৰ্মৰত ঠিকাভিত্তিক শিক্ষকসকলক উপস্থিত থাকিবলৈ আয়োজক সমিতিৰ সম্পাদক ৰফিকুল ইছলাম আৰু কেন্দ্ৰীয় সমিতিৰ সভাপতি সুৰেশ্বৰ ডেকাই অনুৰোধ জনাইছে।

## হাজো বিজেপিৰ মুখ্য কাৰ্যালয়ত সংখ্যালঘু মৰ্চাৰ পৰ্যালোচনা বৈঠক

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৬ ডিচেম্বৰ ঃ** হাজো বিজেপিৰ কাৰ্যালয়ত কালি উপস্থিত হয় ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা ৰাজ্যিক বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভাপতি শান্তিয়াছ কুজুৰ। উত্তৰ কামৰূপ জিলা সংখ্যালঘু মৰ্চাৰ কাৰ্যকৰ্তাৰ স'তে এক সাংগঠনিক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে সভাপতিজনে। ভাৰতীয় জনতা পাৰ্টি উত্তৰ কামৰূপ জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি জাকিৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত হয় সাংগঠনিক পৰ্যালোচনা বৈঠকখন। এই বৈঠকত প্ৰাক্তন সাংসদ তথা ৰাজ্যিক সংখ্যালঘু মৰ্চাৰ সভাপতি শান্তিয়াছ কুজুৰে দলীয় নেতাকৰ্মীসকলৰ উদ্দেশি কৰি কয় যে বিজেপিৰ নেতৃত্বত আজি সংখ্যালঘু জনসাধাৰণৰ সৰ্বাংগীন বিকাশৰ বাবে অভিলাষী আঁচনি হাতত লৈছে। তদুপৰি সংখ্যালঘু লোকসকলৰ মাজত উন্নয়নমূলক আঁচনি সন্দৰ্ভত সজাগ কৰি তুলিব পাৰিলেই বিজেপিৰ ভেটি শক্তিশালী ৰূপত আগবাঢ়ি যাব বুলিও উল্লেখ কৰে সভাপতি শান্তিয়াছ কুজুৰে। এই পৰ্যালোচনা বৈঠকত ৰাজ্যিক সংখ্যালঘু মৰ্চাৰ সাধাৰণ সম্পাদকদ্বয় চহিদুল ইছলাম, মস্তাকউদ্দিন আহমেদ, উত্তৰ কামৰূপৰ প্ৰভাৰী লিলিমা বেগম, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ৰহম আলী, জালাউদ্দিন আহমেদ, নগেন মালাকৰ, মনচুৰ আলীকে ধৰি সংখ্যালঘু মৰ্চাৰ কে'বাগৰাকী গণ্য-মান্য বিষয়ববীয়া উপস্থিত থাকে।

## অভাৱনীয় মূল্যবৃদ্ধি ঃ মুখ্যমন্ত্ৰীলৈ কৃষক মুক্তিৰ স্মাৰকপত্ৰ প্ৰেৰণ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৬ ডিচেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে ওদালগুৰিতো অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে অত্যাৱশ্যকীয় সামগ্ৰীৰ লগতে ইন্ধনজাতীয় সামগ্ৰীৰ মূল্য। এই অভিযোগ ওদালগুৰি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ। জিলা সমিতিৰ সভাপতি দীপক শৰ্মা আৰু সাধাৰণ সম্পাদক সৎৰাম বড়াই এক বিবৃতিত উল্লেখ কৰে যে বৰ্তমান অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় হাৰত হোৱা মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক জুৰুলা কৰি তুলিছে। খাদ্য সামগ্ৰীকে ধৰি নিত্য ব্যৱহাৰ্য প্ৰতিটো সামগ্ৰীৰ দাম প্ৰতিদিনে উৰ্ধ্বমুখী হোৱাৰ ফলত খাটিখোৱা দৰিদ্ৰ পৰিয়ালৰ উপৰি মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ লোকসকলৰ বাবেও মূল সমস্যা হৈ পৰিছে। চলিত বছৰটোতে চাউল, দাইল, চেণী, মিঠাতেল, আটা আদি খাদ্য বস্তুৰ উপৰি ইন্ধনজাত সামগ্ৰী পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছ, শিল, বালি, ৰ'ড, চিমেন্ট আদিৰ দাম ২০ৰ পৰা ৩০ শতাংশ বৃদ্ধি হোৱাত জনসাধাৰণে অতিৰিক্ত বোজা বহন কৰিবলগা হৈছে। যাত্ৰীবাহী বাছকে ধৰি আন সামগ্ৰী কঢ়িওৱা বাহনেও নিজৰ খেয়াল-খুচিমতে দাম লৈ আছে। বিশেষকৈ ক'ভিড-১৯ মহামাৰীৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিয়ে সকলো ক্ষেত্ৰতে বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। কিন্তু এনে দুৰ্যোগৰ মুহূৰ্তত চৰকাৰে জনসাধাৰণৰ লগতে ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায়ীসকলক যি ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ প্ৰয়োজন আছিল সেই ক্ষেত্ৰত উদাসীনতা প্ৰদৰ্শন কৰা পৰিলক্ষিত হোৱা বুলি সংগঠনটোৱে বিবৃতিটোৰ জৰিয়তে অভিযোগ কৰে। সেয়ে দ্ৰুতগতিত বৃদ্ধি পোৱা অস্বাভাৱিক মূল্যবৃদ্ধি ৰোধ কৰাৰ বাবে আজি সংগঠনটোৱে ওদালগুৰি জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰি তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।

## সৰুপথাৰত মাদক দ্ৰব্য-ড্ৰাগছ সেৱনৰ বিৰুদ্ধে সজাগতামূলক চাইকেল যাত্ৰা

**সৰুপথাৰ, ১৬ ডিচেম্বৰ ঃ** সৰুপথাৰ অঞ্চলৰ পৰা সংবাদ সেৱাৰ লগত জড়িত কেইজনমান যুৱকে গ্ৰহণ কৰিছে ব্যতিক্ৰমী পদক্ষেপ। বৰ্তমান সমাজত যি ধৰণে মাদক দ্ৰব্য আৰু ড্ৰাগছ সেৱনে যুৱ প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে তাৰে নিৰ্মূল কৰাৰ স্বাৰ্থত সৰুপথাৰ অঞ্চলৰ সাংবাদিক মণ্টু শৰ্মাৰ নেতৃত্বত তথা কেইজনমান সাংবাদিকৰ উদ্যোগত আৰু সৰুপথাৰ অঞ্চলৰ কেইজনমান সচেতন যুৱকৰ সহযোগত সৰ্বমুঠ ২৬ জনীয়া এটি দলে সৰুপথাৰ নগৰৰ পৰা বৰপথাৰ নগৰ হৈ পুনৰ মৰাণ গাঁৱেৰে সৰুপথাৰলৈ এক সজাগতামূলক চাইকেল যাত্ৰা কৰে। প্ৰতিখন চাইকেলতে তেওঁলোকে কিছুমান সজাগতামূলক বাণী প্লে-কাৰ্ডত লিখি এই যাত্ৰা কৰে। সাংবাদিক মণ্টু শৰ্মাই কয় যে সকলো জনসাধাৰণ সজাগ হ'লেহে মাদক দ্ৰব্য আৰু ড্ৰাগছ সমাজৰ পৰা নিৰ্মূল কৰিব পৰা যাব। বৰ্তমানৰ চৰকাৰ আৰু আৰক্ষী প্ৰশাসনেও এই ক্ষেত্ৰত বহুতো পদক্ষেপ লৈছে। সেয়েহে তেওঁ অনুৰোধ জনাই এইসমূহ বৰবিহ সমাজৰ পৰা নিৰ্মূল কৰিবলৈ সকলো জনসাধাৰণ যাতে সজাগ-সচেতন হৈ আৰক্ষী প্ৰশাসনক সহায়ৰ হাত আগবঢ়ায়। তেতিয়াহে উঠি অহা নৱপ্ৰজন্মক এখন সুস্থ-সুন্দৰ সমাজ উপহাৰ দি যাব পাৰিব। লগতে ওচৰ-চুবুৰীয়া কোনো যুৱক-যুৱতীয়ে এইসমূহৰ লগত জড়িত হোৱা খবৰপালে ওচৰৰ জ্যেষ্ঠজনক বা আৰক্ষীক খবৰ দি সহায় কৰিলেহে ভৱিষ্যত প্ৰজন্ম সুৰক্ষিত হ'ব বুলি জনায়।

## হাজোৰ ৯৫ নম্বৰ কলিতাকুছি গাঁও পঞ্চায়তত এখন বিশেষ গাঁওসভা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৬ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজোৰ ৯৫ নম্বৰ কলিতাকুছি পঞ্চায়তৰ সভানেত্ৰী জুনু বেগমৰ সভাপতিত্বত কালি এখন বিশেষ গাঁওসভা অনুষ্ঠিত হয়। বিশেষকৈ ২০২২-২০২৩ বিত্তীয় বৰ্ষৰ বাবে গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰস্তুতিৰ উদ্দেশ্যৰে বিশেষ গাঁওসভাখন অনুষ্ঠিত কৰে। ৯৫ নম্বৰ কলিতাকুছি পঞ্চায়তত অনুষ্ঠিত গাঁওসভাখনত উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী মনচুফ আলী, পঞ্চায়তৰ সচিব ইমতাজুৰ ইছলাম, ৱাৰ্ড সদস্যবৃন্দ প্ৰমুখ্যে গাঁও সভাখনত প্ৰায় শতাধিক স্থানীয় লোক অংশগ্ৰহণ কৰে। অৱশ্যে কলিতাকুছি পঞ্চায়তত উন্নয়নৰ ক্ষেত্ৰত এক ন দিগন্তৰ সুত্ৰপাত হোৱা পৰিলক্ষিত হৈছে বুলিও উল্লেখ কৰি ভূয়সী প্ৰশংসা কৰে স্থানীয় ৰাইজে। লগতে অনাগত দিনতো হাজোৰ ৯৫ নম্বৰ কলিতাকুছি গাঁও পঞ্চায়তৰ উন্নয়নৰ স্বাৰ্থত ন উদ্যমৰে কাম কৰি যাব বুলি উল্লেখ কৰে পঞ্চায়ত সভানেত্ৰী বেগমে।

## নিয়মীয়াকৈ মাইক্ৰ'ফাইনেন্সৰ ঋণ পৰিশোধ কৰিও চৰকাৰী উপহাৰৰ পৰা বঞ্চিত মহিলা

**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ১৬ ডিচেম্বৰ ঃ** ৰাজ্য চৰকাৰে ইতিমধ্যে ঋণ ৰেহাইৰ বিভিন্ন আঁচনি প্ৰস্তুত কৰি ঋণ ৰেহাই প্ৰক্ৰিয়া আৰম্ভ কৰিছে। লগতে যিসকল মহিলাই নিয়মীয়াকৈ ঋণৰ কৃস্তি যোৱা ৩১ মাৰ্চ ২০২ৰ লৈকে পৰিশোধ কৰি আছিল সেইসকল মহিলাক উপহাৰ স্বৰূপে ৰাজ্য চৰকাৰে ২৫০০০ পৰ্যন্ত উপহাৰ দিয়াৰ আঁচনি ৰূপায়ণ কৰিছে। কিন্তু এই ক্ষেত্ৰত নিয়মীয়াকৈ ঋণ পৰিশোধ কৰা টীয়ক, কাকজানৰ একাংশ মহিলাই আজিও নাপালে। দুৰ্ভগীয়া একাংশ মহিলাই অভিযোগ মতে প্ৰথম অৱস্থাত তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত নোহোৱাত ফাইনেঞ্চ কোম্পানীৰ স'তে যোগাযোগ কৰিছিল আৰু তেতিয়া পুনৰ তেওঁলোকক দ্বিতীয় পয্যায়ত অন্তৰ্ভুৰ্ক্ত কৰিব বুলি আশ্বাস দিছিল কোম্পানী কৰ্তৃপক্ষই। কিন্তু এই পৰ্যন্ত তেওলোকৰ নাম নহাত এতিয়া নিৰুপায় হৈ পৰিছে এইসকল মহিলা। সেয়ে তেওঁলোকে পুনৰ কোম্পানীৰ কাৰ্যালয়ত উপস্থিত হৈ বিষয়াসকলৰ লগত আলোচনাত মিলিত হয় যদিও আলোচনাৰ অন্তত কোনো সুদুত্তৰ নাপালে। অৱশেষত সংবাদ মাধ্যমৰ যোগেদি এইসকল ভুক্তভোগী মহিলাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছে যাতে এই কোম্পানীসমূহে ৰাজ্য চৰকাৰে আগবঢ়োৱা উপহাৰৰ পৰা তেওঁলোকক বঞ্চিত নকৰে ।

## বৰপেটা চহৰত পুনৰ উপলব্ধ হ'ল আকাশবাণী গুৱাহাটীৰ এফএম ৰেডিঅ' সেৱা

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৬ ডিচেম্বৰ ঃ** আধুনিক প্ৰযুক্তিৰ যুগত এফএম ৰেডিঅ'ৰ প্ৰসাৰ আৰু জনপ্ৰিয়তাক কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। বিশেষকৈ হেড ফোন লৈ ম'বাইলত এফএম ৰেডিঅ' শুনাৰ মাদকতাই অনন্য। উল্লেখ্য যে কিছু বছৰ পূৰ্বে বৰপেটা চহৰত আকাশবাণী গুৱাহাটীৰ মহাবাহু এফএম সেৱা উপলব্ধ হৈছিল। কিন্তু কাৰিকৰী বিজুতিৰ বাবে বিগত প্ৰায় সাত বছৰ ধৰি বৰপেটা চহৰত পোৱা নগৈছিল মহাবাহু এফ এম ৰেডিঅ' সেৱাৰ ছিগনেল। বৰপেটাৰ আৱৰ্ত ভৱনত সংস্থাপিত হৈ থকা ১০০ ৱাটৰ এফএম ট্ৰেঞ্চমিটাৰটো বিকল হৈ পৰাত মহাবাহু এফএম ৰেডিঅ' সেৱাৰ ৰিলে তথা ছিগনেল সম্প্ৰসাৰণ ব্যৱস্থা বন্ধ হৈ পৰিছিল। সুখৰ খবৰ এয়ে যে যোৱা ১৪ ডিচেম্বৰৰ পৰা এফএম ট্ৰেঞ্চমিটাৰটো পুনৰ কাৰ্যক্ষম হৈ উঠিছে আৰু আগৰ দৰেই বৰপেটা চহৰত আকাশবাণী গুৱাহাটীৰ মহাবাহু এফএম সেৱা উপলব্ধ হৈ পৰিছে। দুটাকৈ ফ্ৰিকুৱেঞ্চি ক্ৰমে ১০০.১ আৰু ১০১.৬ এম এইছ জেদত বৰপেটা চহৰ অঞ্চলত এই সেৱা উপলব্ধ হৈছে। বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালৰ নিৰ্দেশমৰ্মে তেওঁৰ ব্যক্তিগত সহায়ক গীতাৰ্থ নন্দন দাসৰ বিশেষ তৎপৰতাত ট্ৰেঞ্চমিটাৰ পুনৰ কাৰ্যক্ষম কৰি তোলা কামটো সম্পূৰ্ণ হৈ উঠে। যোৱা ১৪ ডিচেম্বৰত দিলীপ কুমাৰ গগৈৰ নেতৃত্বত অহা আকাশবাণী গুৱাহাটীৰ প্ৰযুক্তিবিদৰ এটা দলে মেৰামতিৰ জৰিয়তে ট্ৰেঞ্চমিটাৰটো পুনৰ কাৰ্যক্ষম কৰি তোলে । ইয়াৰ লগে লগে বৰপেটা চহৰ অঞ্চলত আকাশবাণী গুৱাহাটীৰ মহাবাহু এফএম সেৱা পুনৰ উপলব্ধ হৈ পৰে। দিলীপ কুমাৰ গগৈয়ে জনোৱা মতে, আগন্তুক দিনত ট্ৰেঞ্চমিটাৰটোত এটি অডিঅ' আৰু ড্ৰিষ্টিবিউটৰ এমলিফিয়েৰ সংযোগ কৰা হ'ব। এই দুটা যন্ত্ৰ সংযোগ কৰাৰ ফলত মহাবাহু এফ এম ৰেডিঅ' সেৱাৰ ছিগনেল বৰপেটা চহৰৰ পাৰ্শ্বৱৰ্তী অঞ্চললৈ সম্প্ৰসাৰিত হ'ব।

## অবৈধ নাগৰিকৰ ক্ষেত্ৰত কেতিয়াও

১২ পৃষ্ঠাৰ পৰা আগবঢ়ায়। তেওঁ কয়, ক'ভিডৰ বাবে এক দীঘলীয়া সময় ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ক্ষেত্ৰৰ এক অপূৰণীয় ক্ষতি হ'ল। আছুৰ সকলো সিদ্ধান্ত আৰু কাৰ্যসূচী ছাত্ৰ-ছাত্ৰীসকলক লগত লৈ কাৰ্যকৰী আৰু সফল ৰূপ দিয়া হয়। যিহেতু শিক্ষানুষ্ঠানসমূহ মাত্ৰ খুলিছেহে, আগন্তুক দিনত ছাত্ৰ সমাজৰ লৈয়ে 'কা' আন্দোলন আগুৱাই নিয়া হ'ব।' অবৈধ নাগৰিকৰ ক্ষেত্ৰত আছুৱে কেতিয়াও আপোচ নকৰে আৰু '৭১ৰ ২৫ মাৰ্চৰ পূৰ্বে অহা বিদেশীসকল যাবই লাগিব বুলি দৃঢ়তাৰে কয় নাথে। বিদেশী বিতাড়নৰ ক্ষেত্ৰত ধৰ্মীয়কৰণৰ তীব্ৰ বিৰোধিতা কৰে আছুৰ সভাপতিয়ে। সভাত কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ৰাজ্যত হিন্দী শিক্ষাৰ উন্নয়নৰ সম্পৰ্কত

১২ পৃষ্ঠাৰ পৰা আহিছে। ১৮৪৮ৰে পৰা ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ মান্যতাপ্ৰাপ্ত প্ৰবোধ (মেট্ৰিক হিন্দী বিষয়ৰ সমকক্ষ), বিশাৰদ (এইছ, এছ, হিন্দী বিষয়ৰ সমকক্ষ) আৰু প্ৰবীণ (বি,এ হিন্দী বিষয়ৰ সমকক্ষ) পৰীক্ষাসমূহ পৰিচালিত কৰি আহিছে আৰু এই অনুষ্ঠানৰ পৰা ডিগ্ৰী লৈ হেজাৰ হেজাৰ হিন্দী শিক্ষকে উচ্চ প্ৰাথমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়সমূহত চাকৰি কৰি আহিছে। অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিয়ে অসমত হিন্দী শিক্ষাৰ উন্নয়নৰ সম্পৰ্কে চাৰিটা দাবী সম্বলিত এখন পত্ৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক অৰ্পণ কৰিছে। ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিয়ে সমস্ত বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ৰাজ্যখনত হিন্দী শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে ২০১৮-১৯ বৰ্ষত অসম চৰকাৰে বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ হ'ল যদিও হিন্দী শিক্ষকৰ পদসমূহ প্ৰাদেশিকীকৰণৰ আওতালৈ নানিলে। যাৰ বাবে প্ৰাথমিক আৰু উচ্চ মাধ্যমিক স্তৰৰ লাখ লাখ ছাত্ৰ-ছাত্ৰীসকল হিন্দী শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে বুলি ব্যৱস্থাপিকা সভাৰ সদস্য তৰুণ চন্দ্ৰ নাথে সদৰী কৰিছে।

## জলজীৱন মিছন আঁচনিৰ নামত অনিয়ম

১২ পৃষ্ঠাৰ পৰা ইটা, বালি আৰু চিমেন্টৰে কাম কৰাৰ অভিযোগ উত্থাপিত হৈছে। পানী যোগান আঁচনিখনৰ ১৯ কিলোমিটাৰ পাইপলাইনৰ সলনি মাত্ৰ ১২ কিলোমিটাৰ কাম পাল মাৰিছে। নিয়ম মতে পাইপবোৰ মাটিৰ তিনিফুট তলত পুতিব লাগে যদিও দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰে টুপামাৰীত চুবুৰিসমূহত পানীৰ পাইপ এক বা ডেৰ ফুট গভীৰতাতহে স্থাপন কৰিছে। প্ৰায় ৮-৯ বছৰ ধৰি বগা হাতীত পৰিণত হৈ থকাৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ জলজীৱন মিছন আঁচনিৰ পুঁজিৰে পুনৰ উজ্জীৱিত কৰাৰ নামত টুপামাৰী পানী যোগান আঁচনিৰ জৰিয়তে বৃহৎ অঞ্চলটোৰ গঞা লোকক খোৱা পানী যোগান পুনৰবাৰ প্ৰহসনত পৰিণত হোৱা একপ্ৰকাৰ নিশ্চিত হৈ পৰাৰ অভিযোগ উত্থাপিত হৈছে। ইতিমধ্যে স্থানীয় একাংশ ৰাইজে আঁচনিখন ৰূপায়ণৰ নামত সংঘটিত দুৰ্নীতি-অনিয়মৰ সন্দৰ্ভত কামৰূপ জিলাৰ উপায়ুক্ত আৰু জলজীৱন মিছনৰ সঞ্চালকক লিখিত অভিযোগ দাখিল কৰাৰ পাছতো কোনো সুফল লাভ নকৰাত ৰাইজ ক্ষোভিত হৈ পৰিছে। আজি টুপামাৰীৰ একাংশ ক্ষোভিত ৰাইজে পানী যোগান আঁচনিখন ৰূপায়ণৰ নামত ঠিকাদাৰে কৰা দুৰ্নীতিৰ বিৰুদ্ধে এক প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে 'ঠিকাদাৰ সুৰজিৎ সিন্হা হায় হায়, জনস্বাস্থ্য কাৰিকৰী বিভাগ হায় হায়, ঠিকাদাৰৰ দুৰ্নীতি বন্ধ কৰক, দুৰ্নীতিৰ তদন্ত কৰক' আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। শীঘ্ৰেই দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰতিবাদকাৰীসকলে চৰকাৰ তথা বিভাগীয় উৰ্ধতন কৰ্তৃপক্ষক দাবী জনাইছে।

## তিনিচুকীয়াত 'সূৰ্যমুখী ৰাষ্ট্ৰীয় নাট

১২ পৃষ্ঠাৰ পৰা 'লভিতা'ৰ দৰে কালজয়ী নাটকৰ ওপৰত এটি ভ্ৰাম্যমাণ থিয়েটাৰ দলে অপ-প্ৰচাৰ চলাবলৈ ওলোৱা বিষয়ত উদ্বেগ প্ৰকাশ কৰে আৰু এই ক্ষেত্ৰত গণ-সচেতনতা কামনা কৰে। প্ৰথমদিনা প্ৰফুল্ল শৰ্মা সোঁৱৰণী নাট্য সন্ধিয়াত স্বপ্না দত্ত ডেকাৰ ৰচনা আৰু পবিত্ৰ চেতিয়াৰ পৰিচালনাৰে নিবেদন কৰা বুৰঞ্জী আশ্ৰিত কাহিনীৰ নাটক 'দৃষ্ট-অদৃষ্ট'ৰ সফল পৰিৱেশনে দৰ্শকক মন্ত্ৰমুগ্ধ কৰে। প্ৰয়াত আদিত্য গগৈ সোঁৱৰণী দ্বিতীয়টো নাট্য সন্ধিয়াৰ মঞ্চ মুকলি কৰি সূৰ্যমুখীৰ প্ৰযোজনাত নিবেদন কৰা নাটখন আছিল নটসূৰ্য ফণী শৰ্মাৰ অমৰ সৃষ্টি 'ভোগজৰা'। মনোৰঞ্জন শৰ্মা আৰু স্যামন্ত বৰাৰ পৰিচালনাত 'ভোগজৰা' নাটখন মঞ্চত বৰ্ণময় হৈ উঠে। তৃতীয় দিনা খগেন দত্ত সোঁৱৰণী নাট্য সন্ধিয়াৰ মঞ্চ মুকলি কৰি প্ৰবীণ অভিনেতা ননী বৰদলৈয়ে তিনিচুকীয়াৰ অতীতৰ নাট্য পৰম্পৰা খগেন দত্ত, সমৰেণ শইকীয়া আদি পূৰ্বসূৰিৰে জীপাল হৈ থকাৰ স্মৃতি ৰোমন্থন কৰে। তৃতীয় সন্ধিয়াৰ নাট অসম নাট্য সন্মিলনৰ যোৰহাট শাখাৰ নাট তাপস তৰুণ শইকীয়া ৰচিত আৰু পৰিচালিত 'বিবাহ এটি বাঁহীৰ সুৰ'ৰ কাব্যিক উপস্থাপনে নাট্যমোদীক আপ্লুত কৰে। চতুৰ্থ তথা অন্তিম দিনৰ মাণিক শইকীয়া সোঁৱৰণী নাট্য সন্ধিয়াত মঞ্চ উদ্বোধন কৰে মণিকাঞ্চন সাংস্কৃতিক মঞ্চৰ সম্পাদক জ্যোতিপ্ৰসাদ দাসে। কলকাতাৰ বিখ্যাত নাট্যদল নাট্যজনে নিবেদন কৰা চাহিদ চিদ্দিকীৰ ৰচনা আৰু পৰিচালনাৰ নাট 'ভানু সুন্দৰীৰ পালা'ৰে ১৪ ডিচেম্বৰৰ নিশা চাৰিদিনীয়া ৰাষ্ট্ৰীয় সমাৰোহৰ সামৰণি পৰে। কেউদিনৰ নাট্য সন্ধিয়াৰ প্ৰাক্কণত বিভিন্ন সংগঠনৰ কৰ্মকৰ্তাৰ লগতে সাহিত্য, সংস্কৃতি, সমাজসেৱী আঢ়ৈ কুৰিৰো অধিক বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। মাধৱ বৰঠাকুৰ, আব্দুল ৰৌফ, কাৰ্তিক বৰুৱা, ভুৱন সিং দহোতীয়া, বিজু জৈন, পৰশ চলিহা, ৰাম চক্ৰৱৰ্তী, জাহ্নু বৰবৰা, কীৰ্তি ৰঞ্জন দে'ক সূৰ্যমুখীত তেওঁলোকৰ অৱদানৰ বাবে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। নাট্যানুষ্ঠানত বিপুল সংখ্যক দৰ্শকৰ উপস্থিতিয়ে সূৰ্যমুখীৰ সোণালী জয়ন্তী বৰ্ষৰ আৰম্ভণিৰ কাৰ্যসূচী সাৰ্থক কৰি তোলে।

## বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ত সম্বৰ্ধনা

১২ পৃষ্ঠাৰ পৰা অধ্যাপিকা ববিতা বৰা, ময়ূৰী কলিতা, ড° অজয় ভট্টাচাৰ্য, পূৰৱী ভট্টাচাৰ্যই নিজৰ কৰ্মৰ জৰিয়তে লাভ কৰা কে'বাটাও বঁটাৰ বাবে অভিনন্দন জনায়। ববিতা বৰাই অধ্যক্ষা পূৰৱী ভট্টাচাৰ্যৰ নেতৃত্ব দিব পৰা গুণ আছে আৰু তেওঁৰ নেতৃত্বত খুব কম সময়ৰ ভিতৰতে মহাবিদ্যালয়খনলৈ পৰিৱৰ্তন আহিছে। সভাত ময়ূৰী কলিতাই সভাত অৱগত কৰে যে স্কুলীয়া জীৱনৰে পৰা ভট্টাচাৰ্যই সাহিত্য চৰ্চা কৰি আহিছে আৰু প্ৰায় ১৯৯৪ ৰে পৰা লেখা 'শ্ৰীময়ী, পূৱালী' আদি আলোচনী, 'অগ্ৰদূত কাকত' আদিত প্ৰকাশ হৈ আহিছে। ড° ভট্টাচাৰ্যই পূৰৱী ভট্টাচাৰ্যৰ লগত একেলগে গৱেষণা পত্ৰ লিখাৰ কথা উল্লেখ কৰে। সভাত উপস্থিত পৰিচালনা সমিতিৰ সদস্য কমল ভূঞা আৰু কমল শইকীয়াই কয় যে বিশ্বনাথৰ গড়েহাগি গাঁৱৰ প্ৰয়াত খগেন ভট্টাচাৰ্য আৰু অনু ভট্টাচাৰ্যৰ সুযোগ্য কন্যা পূৰৱী ভট্টাচাৰ্য সৰুৰে পৰাই মেধাৱী ছাত্ৰী আছিল।

বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ মৰমী ভট্টাচাৰ্যই পূৰৱী ভট্টাচাৰ্যৰ মহাবিদ্যালয়খনৰ প্ৰতি থকা আন্তৰিকতা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা দায়বদ্ধতাৰ শলাগ লয়। মহাবিদ্যালয়ৰ ছাত্ৰ ধনঞ্জয় চৰকাৰে কয় যে পূৰৱী ভট্টাচাৰ্যই ছাত্ৰ-ছাত্ৰীক নিজৰ সন্তানৰ দৰে ভবাৰ লগতে মানসিক, আৰ্থিক সকলো ক্ষেত্ৰতে সহায় কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ৰাজহুৱা কামত জড়িত কৰি সামাজিক সচেতনতা বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা কৰে।

অৱসৰপ্ৰাপ্ত শিক্ষক দ্বিজেন হাজৰিকাই পুৰণি স্মৃতি সুঁৱৰি কয় যে ১৯৯২ত স্নাতকোত্তৰ পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ পূৰৱী ভট্টাচাৰ্যই বিশ্বনাথলৈ গৌৰৱ কঢ়িয়াই আনিছিল, কিয়নো সেই সময়ত স্নাতকোত্তৰ পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাটো সহজ নাছিল। পূৰৱী ভট্টাচাৰ্যই সেই সময়ত আন মহাবিদ্যালয়ত যোগদান কৰাহেঁতেন আৰ্থিকভাৱে বহুত লাভৱান হ'লহেঁতেন। ১৯৯৮ ত তেওঁৰ যোৰহাটৰ বৈদ্যুতিক অভিযন্তা সমীৰ বৰকটকীৰ লগত বিবাহপাশত আবদ্ধ হোৱাৰ পাছতো মহাবিদ্যালয়খনত থাকি যি সেৱা আগবঢ়াই আহিছে তাক মহাবিদ্যালয়খনে সদায়েই মনত ৰাখিব।

## আওপুৰণি গাড়ী-বন্দুকৰে খেদিবলগীয়া

১২ পৃষ্ঠাৰ পৰা বৰষুণৰ দিনত বাসগৃহৰ ভিতৰচ'ৰাত পানীৰে উপচি পৰে। অতি কষ্টৰ মাজেৰে বনকৰ্মীসকলে বনজ সম্পদ ৰক্ষা আৰু বন্যহস্তীৰ জাক খেদিবলগীয়া হৈছে। আনহাতে, মিছামাৰীৰ জীয়াগাভৰু গাঁৱত থকা গাভৰু খণ্ড বন কাৰ্যালয়ত বিগত চাৰি বছৰ ধৰি থকা 'জয়মালা' নামৰ মাইকী হাতীজনীয়ে অঞ্চলটোত বন্যহস্তী খেদাত সৰ্বতোপ্ৰকাৰে সহায় কৰি আহিছে। গোলাঘাট জিলাৰ চিঙাতলী গাঁৱৰ পৰা অহা ২৬ বছৰীয়া চন্দন নামৰ যুৱকজনে জয়মালাক প্ৰথমাৱস্থাৰ পৰা লালন-পালন কৰি আহিছে। জয়মালাক চোৰা-চিতা কৰাৰ বাবদ মাউতজনে বন বিভাগৰ পৰা ন্যূনতম মজুৰি লাভ কৰিছে। গাভৰু খণ্ড বন কাৰ্যালয়ত থকা হাতীজনী এসময়ত পৰ্যাপ্ত খাদ্য আৰু চিকিৎসা নকৰাৰ ফলত শৰীৰ দুৰ্বল হৈ পৰিছিল। পাছত তদানীন্তন খণ্ড বন বিষয়া গোপাল ডেকাই ৰঙাপৰা পশু চিকিৎসালয়ৰ চিকিৎসকজনক মাতি আনি জয়মালাক স্বাস্থ্য পৰীক্ষাৰে সুস্থ কৰি তোলাৰ প্ৰচেষ্টা লৈছিল। চিকিৎসকজনৰ পৰামৰ্শ অনুসৰি, পৰৱৰ্তীকালত বন বিষয়াজনে ঔষধ আৰু খাদ্য খুওৱাৰ পাছত হাতীজনী সুস্থ হৈ উঠিছিল। হাতীজনীয়ে বনৰীয়া হাতী খেদাৰ সময়ত ভয়ত পিছপৰি নাযায়। মন কৰিবলগীয়া যে ৰঙাপৰাৰ প্ৰকৃতিপ্ৰেমী তথা সাংবাদিক পংকজ নাথে জয়মালাৰ স্বাস্থ্যৰ খবৰ প্ৰায়েই লৈ থাকে। উল্লেখ্য যে নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত জয়মালা নামৰ হাতীজনী বিচৰণ কৰি থকা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰিছিল। পাছত চাৰিদুৱাৰ বনাঞ্চলিক কাৰ্যালয়ৰ বনাঞ্চলিক বিষয়া ভানু ৰঞ্জন বৰাই হাতীজনীক মাউতৰ দ্বাৰা আবদ্ধ কৰি জিলা সদৰলৈ নিয়াৰ ব্যৱস্থা কৰিছিল। মাইকী হাতীজনীৰ কাণত মাইক্ৰচীপ নথকাৰ বাবে আজি হাতীজনী বন বিভাগৰ হৈ পৰিল। গাভৰু খণ্ড বন কাৰ্যালয়ত উদ্ভৱ হোৱা সমস্যাৰাজি সমাধান কৰাৰ বাবে ৰাজ্য চৰকাৰে এক ব্যৱস্থা গ্ৰহণ কৰিব বুলি বনকৰ্মীসকলে আশা প্ৰকাশ কৰিছে।

## ৰূপসিং বঙালৰ (চুবেদাৰ) স্মৃতিৰক্ষাৰ

১২ পৃষ্ঠাৰ পৰা ধনেৰে সেই পুখুৰীটো আহল-বহলকৈ খন্দালে ৰূপসিং বঙালে। ৰূপসিং বঙালৰ নামেৰে সেই পুখুৰী আৰু সেই ঠাইখন আজিও বঙাল পুখুৰী নামেৰে জনাজাত। তাৰ বাদে আৰু ক'তো ৰূপসিং বঙালৰ নাম নাই। অৱশ্যে যোৰহাট নগৰত বৰ্তমানে আহোম স্বৰ্গদেউসকলৰ (যোৰহাটৰ ৰাজধানীত) বিশেষভাৱে কোনো যুগমীয়া স্মৃতি নাই। ৰজামৈদাম নামে এখন ঠাই আছে। পুৰন্দৰ সিংহৰ মৈদাম আছে। ৰাজমাও পুখুৰী আৰু মিঠা পুখুৰী আছে। ৰাজ পৰিয়াল হিচাপে অজিত নাৰায়ণ সিংহৰ পৰিয়াল এতিয়াও যোৰহাটতে আছে। কিন্তু চৰকাৰী দৃষ্টি নাই।

ৰূপসিং বঙালৰ ঘৰ এতিয়া কোনোবাই জানিব খুজিলে যোৰহাট জিলাৰ তিতাবৰ সমষ্টিৰ ৰঙাজান পঞ্চায়তৰ অন্তৰ্গত গড়গুড়িৰ দুই নম্বৰ মৰাণ গাঁৱলৈ যাব লাগিব। যোৰহাট-তিতাবৰ সংযোগী গড়আলিৰ কাষত যোৰহাটৰ পৰা প্ৰায় ছয় কিলোমিটাৰ নিলগত। ৰূপসিং বঙালৰ বংশাৱলী চালে দেখা যায় যে তেওঁৰ এজন পুত্ৰ ৰুচিনাথ। ৰুচিনাথো আহোমৰ চুবেদাৰ আছিল। ৰুচিনাথৰ চাৰিজন পুত্ৰ। বংশ গতি অনুসৰি ৰূপসিঙৰ নাতি, ৰুচিনাথৰ পুত্ৰ প্ৰেমধৰ সিং যোৰহাট জিলাৰ তিতাবৰ সমষ্টিৰ ৰঙাজান গাঁও পঞ্চায়ত অঞ্চলৰ গড়গুড়িৰ দুই নম্বৰ মৰাণ গাঁৱৰ নিবাসী আছিল। তেওঁৰ পুত্ৰ দুজন চেনীৰাম আৰু বেণুধৰ আৰু জীয়ৰী তিনিগৰাকী। চেনীৰামৰ সাতজন পুত্ৰ, তিনিগৰাকী জীয়ৰী। এই পৰিয়াল বৰ্তমান তিতাবৰত নাই। তিতাবৰত আছে বেণুধৰৰ বংশ পৰিয়াল। তেওঁৰ চাৰি পুত্ৰ কমল, নোমল, লোহিত আৰু নবীন। দুগৰাকী জীয়ৰী নোমল আৰু লোহিতৰ এজনকৈ পুত্ৰ যথাক্ৰমে সুনীল আৰু প্ৰীতম। নোমলৰ জীয়ৰী এগৰাকী। নবীনৰ পুত্ৰ বাবলু আৰু দুগৰাকী কন্যা। বাবলুৰ পুত্ৰ এজন মগীনুছ। আনহাতে, কমলৰ পুত্ৰ বিনয়, বিজয় আৰু অজয়। কন্যা দুগৰাকী। বিজয়ৰ বৰ্তমান সতি- সন্ততি নাই। অজয়ৰ ছোৱালী এগৰাকী। বিনয়ৰ পুত্ৰ এজন ঋতিক আৰু ছোৱালী এগৰাকী। তেওঁলোকে বৰ্তমান উপাধি কলিতা লিখে। বিনয় কলিতা এজন শিক্ষক। তেওঁ নিৰ্মালী নামৰ এটা সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান প্ৰতিষ্ঠা কৰি ৰাজহুৱা স্বাৰ্থৰ স'তে জড়িত হৈ আছে। বৰ্তমানো চিং (সিং) উপাধি লিখা ৰূপসিং বঙালৰ এজন নাতি নাহৰকটীয়াৰ চাচনিত আছে। তাতে চেঁচা সত্ৰ আছে। তিতাবৰৰ চেঁচা সত্ৰৰ পৰা এজন সত্ৰাধিকাৰে নাহৰকটীয়াৰ চাচনিত গৈ সত্ৰ পাতিলে। তেওঁলোকৰ লগতে এইটো পৰিয়াল গৈছিল। তেওঁৰ পৰিচয় সৰ্বানন্দ চিং (সিং)। ৰূপসিং বঙালৰ আন এটা নাতি পৰিয়াল নগাঁৱৰ কোনো ঠাইত আছে যদিও সন্ধান পোৱা নাই বুলি বিনয় কলিতাই জানিবলৈ দিয়ে। ৰূপসিং বঙালৰ চাবেক ঠাই তিতাবৰৰ দুই নম্বৰ মৰাণ গাঁৱত এটা স্মৃতি প্ৰতিষ্ঠা কৰিবলৈ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান নিৰ্মালী আৰু ৰূপসিং চুবেদাৰৰ বংশ পৰিয়ালে চিন্তা কৰিছে। তাৰ প্ৰস্তুতি ইতিমধ্যে চলাইছে। অসম চৰকাৰৰ তৰফৰ পৰা ছয়শ বছৰীয়া আহোম যুগৰ এটা চিহ্ন তিতাবৰ ৰঙাজানৰ দুই নম্বৰ মৰাণ গাঁৱত প্ৰতিষ্ঠা কৰাত সহায়-সহযোগিতা আগবঢ়োৱাটো ৰাইজে কামনা কৰিছে।

# স্বায়ত্তশাসিত অঞ্চলত জনগোষ্ঠীৰ বিকাশৰ লক্ষ্য

## ■ অভয়াপুৰীত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ প্ৰথমখন সাধাৰণ সভা

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৬ ডিচেম্বৰ ঃ** কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ প্ৰথমখন সাধাৰণ সভা বঙাইগাঁও জিলাৰ অভয়াপুৰীস্থিত উত্তৰ শালমাৰা মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত আজি অনুষ্ঠিত হয়। সাধাৰণ সভাৰ অন্তত স্বায়ত্তশাসিত পৰিষদৰ মুখ্য পাৰিষদ গোকুল বৰ্মন আৰু অধ্যক্ষ হিতেশ্বৰ বৰ্মনে উল্লেখ কৰা মতে, কোচ ৰাজবংশী জনগোষ্ঠীয়ে দীৰ্ঘদিন ধৰি সংগ্ৰাম চলাই অহাৰ অন্তত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত কমতাপুৰ স্বায়ত্তশাসিত গঠন হৈছে। এই ক্ষেত্ৰত ভাৰত চৰকাৰ অসম চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰি প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদ, বিটিএডিৰ বাহিৰে চাৰিখন জিলাক সামৰি গঠিত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদে সকলো জনগোষ্ঠীৰ বিকাশৰ চিন্তা কৰিব বুলি




উল্লেখ কৰি প্ৰতিটো জনগোষ্ঠীৰে একোজনকৈ প্ৰতিনিধি কমতাপুৰ স্বায়ত্ত-শাসিত পৰিষদত অন্তৰ্ভুক্তি কৰাৰো সাধাৰণ সভাত আলোচনা কৰা হয়। তদুপৰি কোচ ৰাজবংশী অধ্যুষিত গাঁও বা খিলঞ্জীয়া জনবসতিপূৰ্ণ অঞ্চল চিনাক্ত কৰি কমতাপুৰ স্বায়ত্তশাসিত পৰিষদত অন্তৰ্ভুক্ত হ'বলগা গাঁও বা জনসংখ্যা নিৰূপণৰ বাবে সাধাৰণ সভাই প্ৰস্তাৱ গ্ৰহণ কৰে। ইপিনে, অহা সাত জানুৱাৰীত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদে ছহিদ দিৱস পালন কৰাৰ লগতে ধুবুৰী জিলাত অনুষ্ঠিত কৰাৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰে। ছহিদ দিৱসতে অসম চৰকাৰে কোচ ৰাজবংশীসকলৰ জাতীয় ছহিদলৈ পাঁচ লাখ টকাৰ সাহায্য প্ৰদান কৰিব বুলিও বৰ্মনে সদৰী কৰে। আনপিনে, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত পৰিষদৰ প্ৰতিষ্ঠা দিৱস, চিলাৰায় দিৱস, বিষুৱা উৎসৱ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱাৰ বিষয়ে উল্লেখ কৰাৰ লগতে কোচ ৰাজবংশীসকলৰ দীৰ্ঘদিনীয়া দাবী জনজাতিকৰণ প্ৰক্ৰিয়া ৯০ শতাংশ হোৱা বুলি উল্লেখ কৰি জনগোষ্ঠীটোক অতি শীঘ্ৰে জনজাতিকৰণ কৰা হ'ব বুলি অসম চৰকাৰে জনোৱা বিষয়ে অৱগত কৰে। ইপিনে, উত্তৰ শালমাৰাৰ প্ৰশান্তি লজ অস্থায়ী সচিবালয়ৰূপে ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লোৱাৰ লগতে পৰিষদে ইতিমধ্যে প্ৰধান সচিব লাভ কৰাৰ কথাও উল্লেখ কৰে। আজিৰ সভাখনত মুখ্য পাৰিষদ গোকুল বৰ্মন, অধ্যক্ষ হিতেশ্বৰ বৰ্মন, উপাধ্যক্ষ সুখেন ৰায়, কাৰ্যবাহী পাৰিষদ অতুল ৰায়কে ধৰি সকলো বিষয়ববীয়া উপস্থিত আছিল। উল্লেখ্য যে বিগত বৰ্ষত গঠন হোৱা পৰিষদখনে যোৱা ২৬ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাৰ উপস্থিতিত পৰিষদখনৰ বিষয়ববীয়াসকলে শপত গ্ৰহণ কৰি যাৱতীয় কাম-কাজ কৰি আহিছিল।

# দৰঙত পলিথিন ব্যৱহাৰ নিয়ন্ত্ৰণত ব্যৰ্থ জিলা প্ৰশাসন

## ■ আৰটিআই তথ্যত ওলাল গোমৰফাঁক

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১৬ ডিচেম্বৰ ঃ** পলিথিন আৰু প্লাষ্টিকৰ বেগ বাধাহীন আৰু নিয়ন্ত্ৰণহীনভাৱে ব্যৱহাৰ হোৱাৰ ফলত পৰিৱেশলৈ ভাবুকিৰ সৃষ্টি কৰিছে জিলাখনত। ফলত মাটিৰ উৰ্বৰা শক্তি হ্ৰাস কৰাৰ লগতে নলা-নৰ্দমাসমূহত জলপ্ৰৱাহত বাধাৰ সৃষ্টি কৰিছে। কৃত্ৰিম বানপানীৰ সৃষ্টি কৰাত অৰিহণা যোগানই ধৰিছে। উচ্চতম ন্যায়ালয়ে ২০১২ৰ মে'ত জনস্বাৰ্থ জড়িত আবেদনৰ শুনানিত পলিথিন/প্লাষ্টিক বেগৰ দ্বাৰা সৃষ্টি হোৱা আৱৰ্জনা আনবিক বোমাতকৈ ভয়ংকৰ বুলি উল্লেখ কৰিছিল। পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কৰ্তৃত্বপ্ৰাপ্ত সংস্থা ৰাজিক পৰিৱেশ নিয়ন্ত্ৰণ ব'ৰ্ডে চিঠি নম্বৰ ডব্লিউবি/টি-২৬৮/২০-২১/১১, তাৰিখ ২৮-০৯-২০২০ মৰ্মে বাতৰি কাকতত বিজ্ঞাপন প্ৰকাশ কৰি ৫০ মাইক্ৰণতকৈ কম ডাঠ পলিথিনৰ বেগৰ প্ৰচলনৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰে আৰু এই আদেশ প্লাষ্টিক ৱেষ্ট মেনেজমেন্ট ৰুলছ ২০১৬ৰ অধীনত জাৰি কৰা হৈছিল। উক্ত জাননীৰ অধীনত মঙলদৈ পৌৰসভাৰ অনুৰূপ জাননী জাৰি কৰি উক্ত নিয়ম উলংঘাকাৰীক জৰিমনা বিহা হ'ব বুলি সতৰ্ক কৰি দিছিল। এই ক্ষেত্ৰত অতি জৰুৰী দিশটো হ'ল ৫০ মাইক্ৰণৰ পলিথিনৰ বেগ কি বা ইয়াৰ জোখ কি পদ্ধতিৰে নিৰ্ণয় কৰা হ'ব ইয়াৰ ঘনত্ব তেনে সম্পৰ্কীয় সঁজুলি জিলা প্ৰশাসনৰ হাতত কিমান মজুত আছে সেইটো প্ৰশ্ন হৈছে। এই প্ৰশ্নৰ উত্তৰ বিচাৰি মঙলদৈ অধিবক্তা জয়ন্ত ডেকা, যতীন নাথ, নয়নমনি ডেকাই যোৱা ২২ জুনত উপায়ুক্তৰ কাৰ্যালয়ত তথ্য জনা অধিকাৰ আইনৰ অধীনত কৰা দৰ্খাস্ত সুদীৰ্ঘ পাঁচ মাহৰ অন্তত ৰাজ্যিক তথ্য আয়ুক্তৰ হস্তক্ষেপত অলপতে কিছু তথ্য যোগান ধৰিছে। এই তথ্যসমূহৰ ভিতৰত দৰং জিলাত পলিথিন বেগৰ কিমান ঘনত্ব ৫০ মাইক্ৰণৰ ওপৰত হয়নে নহয় সেই বিষয়ে পৰীক্ষা কৰা কোনো সঁজুলি নাই। এনে পৰীক্ষা কৰা কোনো সঁজুলি নাই। এনে পৰীক্ষা কৰা সঁজুলিৰ নাম Thickness Gauge আৰু বজাৰত সহজলভ্য। বৰ্তমানলৈকে জিলা প্ৰশাসন, পৌৰসভাৰ তৰফৰ পৰা দৰং জিলাত ৫০ মাইক্ৰণ ঘনত্বৰ তলৰ পলিথিন বেগ ব্যৱহৃত হৈছে নেকি তাৰো পৰিদৰ্শন যোগে পৰীক্ষা কৰা হোৱা নাই। জনসাধাৰণ, ব্যৱসায়ীসকলক ৫০ মাইক্ৰণৰ উদ্ধৃত পলিথিন বেগ ব্যৱহাৰ কৰিবলৈ সজাগতা কাৰ্যসুচী অনুষ্ঠিত কৰা হোৱা নাই। পলিথিন বেগৰ পাইকাৰী ব্যৱসায়ীৰ গুদামলৈ গৈ পলিথিন বেগসমূহ পৰীক্ষা কৰা হোৱা নাই। পলিথিন ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ জাননীখন প্ৰসহনত পৰিণত হৈছে। সমগ্ৰ বিষয়টোৰ ওপৰত জিলা প্ৰশাসনৰ অন্তঃসাৰশূন্য দৃষ্টি প্ৰকট হৈ পৰিছে। উক্ত তথ্য লাভ কৰাৰ পৰৱৰ্তী সময়ত অধিবক্তাৰ গোটে পুনৰ উপায়ুক্তই পলিথিন বেগ পৰীক্ষা সঁজুলি ক্ৰয় কৰি পৰীক্ষাৰ দ্বাৰা ৫০ মাইক্ৰণৰ তলৰ বেগৰ ব্যৱহাৰ, মজুত, বিক্ৰী বন্ধ কৰাৰ বাবে অনুৰোধ জনাই এই ক্ষেত্ৰত ব্যৱসায়ী সন্থাসমূহকো জড়িত কৰাৰ বাবে আহ্বান জনায়।

# অসমত আফস্পা বাহাল ৰখাৰ দাবী হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১৬ ডিচেম্বৰ ঃ** যি সময়ত অসমৰ পৰা নগালেণ্ডৰ ঘটনাৰ আলম লৈ সামৰিক বাহিনীৰ বিশেষ ক্ষমতা আইনখন বাতিল কৰাৰ দাবীত বিভিন্ন সংগঠনে আন্দোলন কৰিছে এনে সময়তে আইনখন বাতিল কৰিব নোৱাৰিব বুলি দাবী জনাইছে হিন্দু যুৱ ছাত্ৰ পৰিষদ অসমে। পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি কুলেন বৈশ্য আৰু সম্পাদক মাধৱ দাসে। এক বিবৃতিত এই দাবী উত্থাপন কৰিছে। বিবৃতিটোত পৰিষদৰ দুই কেন্দ্ৰীয় নেতাই উল্লেখ কৰে যে নগালেণ্ডত সামৰিক বাহিনীৰ গুলিত নিৰীহ লোকৰ প্ৰাণ যোৱা ঘটনাক কেন্দ্ৰ কৰি নগালেণ্ড, মণিপুৰ আদিৰ লগতে শেহতীয়াকৈ অসমতো এই সামৰিক বাহিনীৰ বিশেষ ক্ষমতা আইন আফস্পা বাতিল কৰাৰ দাবী উঠিছে। কিন্তু হিন্দু যুৱ ছাত্ৰ পৰিষদে এই দাবীৰ বিৰোধিতা কৰিছে। বিবৃতিটোত পুনৰ উল্লেখ কৰে যে নগালেণ্ডৰ ঘটনাটো অতি দুৰ্ভাগ্যজনক আৰু উচিত বিচাৰ কৰি দোষীক শাস্তি দিয়াৰ লগত নিহত পৰিয়ালক ক্ষতিপূৰণ দিব লাগে। এনে ঘটনাৰ যাতে পুনৰাবৃত্তি নঘটে তাৰ বাবে সামৰিক বিষয়াসকল অধিক সতৰ্ক হ'ব লাগে। কিন্তু এই ঘটনাৰ আলম লৈ একাংশ সংগঠন তথা বুদ্ধিজীৱীয়ে পোনপটীয়াকৈ আইনখনক দোষাৰোপ কৰাটো অৰ্থহীন। অসমত এই আইন থকাৰ পাছতো যোৱা কুৰি বছৰ ধৰি কোনো সামৰিক অত্যাচাৰ অথবা সামৰিক বাহিনীৰ গুলিত কোনেও প্ৰাণ হেৰুওৱাবলগীয়া হোৱা নাই। তৎসত্ত্বেও আইনখন বাতিলৰ দাবীত একাংশ উঠি পৰি লগাটোত ৰহস্যৰ গোন্ধ পোৱা বুলি উল্লেখ কৰে। উত্তৰ-পূৰ্বাঞ্চল বিশেষকৈ অসমৰ দৰে সন্ত্ৰাসবাদী, মাওবাদী তথা জেহাদীৰে গিজগিজাই থকা ৰাজ্যখনৰ পৰা এই আইন বাতিল কৰিলে পুনৰ এনে অপশক্তিসমূহে মূৰ দাঙি উঠিব। সেইবাবে অসমৰ পৰা এই আইনখন বাতিল নকৰিবলৈ পৰিষদে চৰকাৰক দাবী জনাইছে। একেটা বিবৃতিতে প্ৰথমে বিচ্ছিন্নতাবাদী চিন্তাধাৰাৰে গঢ় লোৱা একাংশ দল-সংগঠন তথা বুদ্ধিজীৱীয়ে এই আইনখনৰ বাবেই কাম কৰিব পৰা নাই বুলি অভিযোগ তুলি নগালেণ্ডৰ ঘটনাৰ আলম লৈ অসমৰ পৰা আইনখন বাতিল কৰি অসমত পুনৰ বিচ্ছিন্নতাবাদী, মাওবাদীৰ আৰু ইছলামিক জেহাদীৰ ৰম্যভূমি কৰাৰ সপোন দেখিছে বুলি বিবৃতিটোত পৰিষদৰ নেতাদ্বয়ে মন্তব্য কৰে।

## প্ৰয়াত প্ৰশান্ত কলিতাৰ স্মৃতিচাৰণ সভা ঃ স্মৃতিগ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১৬ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ বৰুৱাবামুণগাঁৱৰ সমীপৰ শিঙৰাজান গাঁৱৰ সৰবৰহী যুৱক, সমাজকৰ্মী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক, এগৰাকী সুদক্ষ বায়ন, ঢোলবাদক, সাংস্কৃতিক কৰ্মী প্ৰশান্ত কলিতাৰ মৃত্যুৰ আদ্যশ্ৰাদ্ধৰ দিনটোত আজি যুৱকজনৰ বাসগৃহত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক বিপুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত এখন স্মৃতিচাৰণ সভাতে 'যুৱকজনৰ স্মৃতিত বৰষা ফুকন কলিতা আৰু পৰিয়ালবৰ্গই প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'স্মৃতি চিহ্ন' উন্মোচন কৰে যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি ড° ৰাতুল চন্দ্ৰ বৰাই। উন্মোচনী ভাষণত ড° বৰাই প্ৰয়াত যুৱকজনে বৃহত্তৰ অঞ্চলটোৰ সামাজিক, সাংস্কৃতিক, ধৰ্মীয় ক্ষেত্ৰলৈ আগবঢ়াই যোৱা অৱদান স্মৰণ কৰে। সভাত সমাজকৰ্মী ভবেশ চন্দ্ৰ বৰা, অজিত দত্তকে ধৰি কে'বাগৰাকীও বক্তাই যুৱকজনৰ অসাধাৰণ প্ৰতিভাক স্মৰণ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। সভাৰ আঁত ধৰে স্থানীয় উদীয়মান যুৱক দেৱজিৎ কলিতাই।

## অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পদ্ম

১২ পৃষ্ঠাৰ পৰা কৰ্মচাৰী ঐক্য মঞ্চ দৰং জিলা সমিতি, টিউটৰ এম ই সন্থা ছিপাঝাৰ, খটৰা সত্ৰ পৰিচালনা সমিতি আদি অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰসহ অনেকক ইহ সংসাৰত এৰি যায়।

## মানকাচৰৰ তেলিপাৰাত

১২ পৃষ্ঠাৰ পৰা আসপৰ আলীৰ দুটা, ৰুস্তম আলীৰ দুটা আৰু লাল বাহাদুৰৰ এটা সহমুঠ ১৩ টা গৃহ ভস্মীভূত হয়। লগতে প্ৰতিটো পৰিয়ালৰ গৃহৰ আচবাব-পত্ৰ, কাপোৰ-কানি, প্ৰয়োজনীয় নথিপত্ৰ জুইত জাহ যায়। ফলত ভুক্তভোগী পৰিয়ালকেইটা নিঠৰুৱা হৈ পৰে।

## ওদালগুৰিত হেৰ'ইনসহ দুই সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৬ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত ৰৌতা আৰক্ষীয়ে আজি অভিযান চলাই মাৰাত্মক নিচাযুক্ত হেৰ'ইনসহ দুজন সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ সূত্ৰে প্ৰকাশ কৰা অনুসৰি এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত দিনৰ প্ৰায় ১১-৪৫ বজাত ৰৌতা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মলয় আচাৰ্যসহ আৰক্ষীৰ এটা দলে থানাখনৰ অন্তৰ্গত আমিনপাৰাত অভিযান চলায়। অভিযানকালত আৰক্ষীৰ দলটোৱে গাঁওখনৰ পৰা দুজন ড্ৰাগছ সৰবৰাহকাৰী ক্ৰমে বৰপুখুৰীৰ দিপক গুপ্তা (২২) আৰু বিশ্বনাথ জিলাৰ বিহালী থানাৰ অন্তৰ্গত বৰগাঁৱৰ বিজয় চাহু (২৫)ক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱক দুজনৰ পৰা আৰক্ষীয়ে ১২.২৩ গ্ৰাম সন্দেহজনক হেৰ'ইন জব্দ কৰাৰ লগতে নম্বৰপ্লেটবিহীন এখন মটৰ চাইকেল জব্দ কৰে। ঘটনা সন্দৰ্ভত ৰৌতা আৰক্ষী থানাত এক গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## ফৰকাটিঙত কৃষি বিষয়ক ৰাষ্ট্ৰীয় সন্মিলনৰ ভাষণ প্ৰদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১৬ ডিচেম্বৰ ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ পদুমণি আৰু আঠগাঁও বিজেপি কিষাণ মৰ্চাই ফৰকাটিং অমৰজ্যোতি ক্লাবত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে গুজৰাটৰ আনন্দত অনুষ্ঠিত প্ৰাকৃতিক কৃষি বিষয়ক ৰাষ্ট্ৰীয় সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আগবঢ়োৱা উদ্বোধনী ভাষণ টেলিকাষ্টৰ যোগেদি প্ৰদৰ্শন কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰ পাছত ভাষণ প্ৰদৰ্শনী কাৰ্যসূচী মুকলি কৰে ৰাটিং জিলা পৰিষদৰ সদস্য লোহিত গগৈয়ে। অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ সভাপতি দেৱজিৎ বৰা, ৰাজ্যিক সদস্য কুঞ্জকমল গোহাঁই, কিষাণ মৰ্চাৰ পদুমণি মণ্ডলৰ সভাপতি দিজু গগৈ, মূল সমিতিৰ সভাপতি সুশান্ত হাজৰিকা, আঠগাঁও মণ্ডলৰ সভাপতি কেশৱ ভৰালী, মূল সভাপতি উপেন বৰা, কৃষি বিষয়া মৌচুম দত্ত, পঞ্চায়ত সভাপতি প্ৰফুল্ল শইকীয়া, আঞ্চলিক সদস্যা অনিতা শইকীয়া প্ৰমুখ্যে বৃহত্তৰ ফৰকাটিং, আঠগাঁও অঞ্চলৰ পাঁচ শতাধিক কৃষক ৰাইজ উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে বিজেপিৰ কিষাণ মৰ্চাৰ পদুমণি মণ্ডলৰ সাধাৰণ সম্পাদক প্ৰশান্ত নাথে।

## মেৰাপানীৰ পুলিবাগানত প্ৰধানমন্ত্ৰীৰ ভাষণ সম্প্ৰচাৰ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১৬ ডিচেম্বৰ ঃ** আজিৰে পৰা তিনিদিনীয়াকৈ গুজৰাটত আৰম্ভ হোৱা প্ৰাকৃতিক কৃষি বিষয়ক ৰাষ্ট্ৰীয় সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথম দিনটোতেই 'শূন্য বাজেটত প্ৰাকৃতিক কৃষি' বিষয়ত দেশৰ কৃষকসকলক উদ্দেশি বক্তব্য প্ৰদান কৰা ভাষণ অসম ৰাজ্যিক বিজেপিৰ কিষাণ মৰ্চাই ৰাজ্যৰ ৩৯৯ টা স্থানত কৃষকসকলৰ বাবে পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰে। ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে গোলাঘাট জিলাৰ মেৰাপানীৰ পুলিবাগানতো অনুষ্ঠিত প্ৰধানমন্ত্ৰীৰ ভাষণৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে ৰাজ্যিক কিষাণ মৰ্চাৰ সভাপতি দেৱজিৎ বৰা। পুলিবাগান ৰংগমঞ্চত অনুষ্ঠিত কাৰ্যসূচীত গোলাঘাট জিলা বিজেপিৰ বিষয়ববীয়াসকলৰ লগতে মিত্ৰদল অগপৰ একাংশ নেতা-কৰ্মীও উপস্থিত থাকে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি আয়োজিত এখন সভাত ৰাজ্যিক কিষাণ মৰ্চাৰ সভাপতি দেৱজিৎ বৰাই ৰাজ্যৰ কৃষকসকলক প্ৰাকৃতিক পদ্ধতিৰে কৃষিকাৰ্য কৰি প্ৰধানমন্ত্ৰীৰ সপোন দিঠকত পৰিণত কৰিবলৈ আহ্বান জনায়।

## হাজোৰ গাঁওবুঢ়া ভৱনত কিষাণ মৰ্চাৰ পৰ্যালোচনা সভা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৬ ডিচেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শূন্য বাজেটত প্ৰাকৃতিক খেতি গঢ়াৰ লক্ষ্য আগত ৰাখি কৃষকসকলক শস্য উৎপাদন কৰাৰ বাবে আহ্বান জনাইছে। সেই অনুসৰি আজি উত্তৰ কামৰূপ কিষাণ মৰ্চাৰ অধীনস্থ হাজো মণ্ডল কিষাণ মৰ্চাৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। হাজোৰ গাঁওবুঢ়া ভৱনত কৃষকসকলক সামৰি আয়োজিত পৰ্যালোচনা সভাত চৰকাৰৰ কৃষি বিভাগে কৃষকসকলৰ বাবে ৰূপায়ণ কৰা আঁচনিসমূহৰ সন্দৰ্ভত অৱগত কৰে। পৰ্যালোচনা সভাত হাজো চক্ৰ কৃষি বিষয়া ধৱনিতা মেধি, ৰামদিয়া কৃষি চক্ৰৰ কৃষি সম্প্ৰসাৰণ বিষয়া মফিদা শইকীয়া, গেৰুৱা কৃষি চক্ৰৰ কৃষি সম্প্ৰসাৰণ বিষয়া জাকিৰ হুছেইন, বিটিএম অনিল মেধি, সহকাৰী কৃষি বিষয়া মহিবৰ ৰহমান, আটাউৰ ৰহমান, অভিজিত কলিতা, ৰুবুল হুছেইন, কিষাণ মৰ্চাৰ নেতা বিনোদ ঠাকুৰীয়াই কৃষকসকলৰ স'তে অভাৱ-অভিযোগৰ সন্দৰ্ভত পৰ্যালোচনা কৰি শূন্য বাজেটত প্ৰাকৃতিক খেতি বিষয়ক বক্তব্য আগবঢ়ায়। সভাত হাজো অঞ্চলৰ একাংশ কৃষক ৰাইজো উপস্থিত থাকে।

## শ্ৰদ্ধাঞ্জলি মহেন্দ্ৰ নাথ শইকীয়া



মৰিকলং অঞ্চলৰ সন্মানীয় ব্যক্তিজন হ'ল মহেন্দ্ৰ নাথ শইকীয়া (৮৭)। শান্ত সৌম্য, ধীৰ-স্থিৰ, শইকীয়াৰ গুণ লিখি শেষ কৰিবই নোৱাৰি। আমাৰ আন এজন চুবুৰীয়া খুৰাদেউ ১৬ ডিচেম্বৰত নোহোৱা হ'ল। সভা শুৱনি মানুহজন, নিজৰ জ্ঞান প্ৰজ্ঞাৰে সুভাষণ দিয়া মানুহজন মৰিকলং, অনন্ত মহাপুৰুষ নামঘৰত, প্ৰগতি গম্ভাগাঁও আৰু সংঘৰ সভাত, মৰিকলং বিহুতলীত কৃতিমানক অভিনন্দন দিয়া সভাত সভাপতিত্ব কৰিছিল, সভাবোৰ শুৱনি কৰিছিল মানুহজনে।

প্ৰয়াত মহিম শইকীয়া আৰু আইদেউ শইকীয়াৰ ছটি সন্তানৰ প্ৰথম শইকীয়া আছিলতেই প্ৰথম। সেই ৭০-৮০ দশকত যেতিয়া জনসংখ্যা কম আছিল, তেতিয়া জীৱিকা হিচাপে কোনোবাই উচ্চ পদবী পালেই সেই পদবীৰে অঞ্চলৰ লোকে মুখে মুখে সেই মানুহ হিচাপে চিনাকি হৈ পৰিছিল। আমি জনাত সেই সময়ত আমাৰ অঞ্চলত শইকীয়াই প্ৰথম অধ্যাপক (প্ৰফেছাৰ) আছিল।

অনন্ত মহাপুৰুষ নামঘৰৰ ভাগৱত পাঠ উৎসৱত যেতিয়া ভাগৱত ভ্ৰমণৰ সময়ত পুথিভাগ শইকীয়াই শিৰত লৈ ভকতসকলৰ সমদলৰ সন্মুখত আগবাঢ়ে আমাৰ মনলৈ ভাব আহে, যোগ্যজনক যোগ্য সন্মান। একপ্ৰকাৰ ক'ব পাৰি অঞ্চল ৰাইজে তেওঁক 'থাপনা' জ্ঞান কৰিছিল, তেওঁক আগত লৈ সমাজৰ কাম কৰিবলৈ ভাল পাইছিল। এনে গুণীজন হেৰুৱাই আমিও পৰিয়ালৰ নিকটআত্মীয়ৰ দৰে সমব্যথিত। খুড়া য'তেই থাকে শান্তিৰে থাকে যেন। গুণীৰ গুৱাৰাণ পুত্ৰ ৰাণী (গৌতম), বাবলু (অনুৰাগ), পুত্ৰী ভন্টি (মৌচুমী) এই দুখ সহ্য কৰিবলৈ শক্তি পাওক এই কামনাৰে।

দেবেন শইকীয়া






### গান্ধী-মেণ্ডেলা টেষ্ট শৃংখলাত ঘৰুৱা দলৰ বিৰুদ্ধে খেলিব তিনিখন মেচ

# দক্ষিণ আফ্ৰিকাত উপস্থিত টীম ইণ্ডিয়া



**জোহান্সবাৰ্গ, ১৬ ডিচেম্বৰ ঃ** দক্ষিণ আফ্ৰিকাত তিনিখনীয়া টেষ্ট শৃংখলা খেলাৰ বাবে আজি গৈ মেণ্ডেলাৰ দেশত উপস্থিত হৈছে ভাৰতীয় ক্ৰিকেট দল। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাত ভাৰতীয় দলে তিনিখন টেষ্টৰ এক শৃংখলা খেলিব। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। টীম ইণ্ডিয়াৰ এদিনীয়া আৰু টি-২০ ৰ অধিনায়ক ৰোহিত শৰ্মাক এইবাৰ টেষ্ট দলৰ সহঃঅধিনায়কৰ দায়িত্ব দিয়া হৈছিল পূৰ্বৰ অজিংক্য ৰাহানেৰ স্থানত। কিন্তু এতিয়া ৰোহিতে দক্ষিণ আফ্ৰিকাত হ'বলগা টেষ্ট শৃংখলাত অংশ ল'ব নোৱাৰিব। মুম্বাইত অনুশীলন কৰি থকাৰ সময়তে আঘাত পাই ৰোহিতে। তেওঁৰ স্থানত নিৰ্বাচকে অন্তৰ্ভুক্ত কৰিছে প্ৰিয়াংক পাঞ্চলক। উল্লেখ্য যে ইয়াৰপূৰ্বে আঘাতৰ বাবে বিৰাট কোহলিৰ নেতৃত্বত ঘোষিত দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলটোত স্থান পোৱা নাছিল ৰবীন্দ্ৰ জাডেজা, শুভমন গিল আৰু অক্ষৰ পেটেলে। দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা টেষ্ট দলটো হ'ল ঃ বিৰাট কোহলি, লোকেছ ৰাহুল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, প্ৰিয়াংক পাঞ্চল, ঋষভ পণ্ট, ঋদ্ধিমান সাহা, ৰবিচন্দ্ৰন অশ্বিন, জয়ন্ত যাদব, ঈশান্ত শৰ্মা, মহম্মদ ছামি, উমেশ যাদব, যশপ্ৰীত বুমৰাহ, ছাৰ্দুল ঠাকুৰ আৰু মহম্মদ চিৰাজ। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট ২৬-৩০ ডিচেম্বৰত, দ্বিতীয় টেষ্ট তিনিৰ পৰা সাত জানুৱাৰী আৰু তৃতীয় টেষ্ট ১১-১৫ জানুৱাৰীত অনুষ্ঠিত হ'ব।





## বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপ

# একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ পি ভি সিন্ধু-কিদাম্বি শ্ৰীকান্ত

**নতুন দিল্লী, ১৬ ডিচেম্বৰ ঃ** ভাৰতৰ দুই তাৰকা শ্বাটলাৰ পি ভি সিন্ধু আৰু কিদাম্বি শ্ৰীকান্ত চলিত বিশ্ব বেডমিণ্টন চেম্পিয়শ্বিপৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। স্পেইনত চলি থকা প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পি ভি সিন্ধুই ২১-১৪, ২১-১৮ ৰ ব্যৱধানত পৰাস্ত কৰে থাইলেণ্ডৰ চ'চুৱঙক। উল্লেখ্য যে ৰিঅ' আৰু টকিঅ' অলিম্পিকত পদক লাভ কৰা ভাৰতৰ তাৰকা শ্বাটলাৰ পি ভি সিন্ধুই বিগত বিশ্ব বেডমিণ্টন চেম্পিয়শ্বিপত খিতাপ লাভ কৰিছিল। ইফালে, ভাৰতৰ তাৰকা শ্বাটলাৰ কিদাম্বি শ্ৰীকান্তেও চলিত বিশ্ব বেডমিণ্টন চেম্পিয়শ্বিপৰ পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত হোৱা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত শ্ৰীকান্ত ২১-১০, ২১-১৫ ৰব্যৱধানতজয়ী হয়।

# তেজপুৰ-ৰঙিয়া জিলাৰ জয়লাভ



**গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** চলিত আৰ জি বৰুৱা সোঁৱৰণি ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ এলিট গ্ৰুপৰ আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা মেচত তেজপুৰ জিলা দলে ৫২ ৰাণত পৰাস্ত কৰে লখিমপুৰ জিলা দলক। পোনতে বেটিং কৰি তেজপুৰ জিলা দলে ১৫১-১০ ৰাণ কৰাৰ প্ৰত্যুত্তৰত, লখিমপুৰ জিলা দলে ৯৯-১০ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ইফালে, বৰ্ষাপাৰা ষ্টেডিয়ামতে আজি হোৱা অন্য এখন মেচত ৰঙিয়া জিলা দলে ২০ ৰাণত পৰাস্ত কৰে শিলচৰ জিলা দলক। পোনতে বেটিং কৰি ৰঙিয়া জিলা দলে সাত উইকেটত ১৬৬ ৰাণ কৰে। প্ৰত্যুত্তৰত শিলচৰ জিলাই ১৪৬-১০ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সূচী অনুসৰি এলিট আৰু প্লেট দুটা ভাগত ৪১ টা দলক ভাগ কৰা হৈছিল। প্লেট গ্ৰুপৰ মেচৰ সামৰণিৰ পাছত এতিয়া আৰম্ভ হৈছে এলিট গ্ৰুপৰ মেচ। প্লেট গ্ৰুপৰ পৰা দুটা দল যোগ্যতা অৰ্জন কৰিছে এলিট গ্ৰুপলৈ।

# এছেজ শৃংখলাৰ দ্বিতীয় দিবা-নৈশ টেষ্টত অষ্ট্ৰেলিয়াৰ দৃঢ় আৰম্ভণি

**এডেলেইড, ১৬ ডিচেম্বৰ ঃ** চলিত এছেজ শৃংখলাৰ দ্বিতীয়খন টেষ্ট আজিৰে পৰা আৰম্ভ হৈছে। এডেলেইডত হোৱা দিবা-নৈশ টেষ্টখনত পোনতে বেটিং কৰি অষ্ট্ৰেলিয়াই প্ৰথম দিনা প্ৰথম ইনিংছত দুই উইকেটত ২২১ ৰাণ কৰি দৃঢ় আৰম্ভণি কৰিছে। উল্লেখ্য যে অষ্ট্ৰেলিয়াই অপেনাৰ হেৰিছৰ (৩) উইকেটতো ইনিংছৰ আৰম্ভণিতে হেৰুৱাই যদিও আনজন অপেনাৰ ডেভিদ ৱাৰ্ণাৰে (৯৫) অনবদ্য ইনিংছ খেলি দলৰ ইনিংছ আগুৱাই নিয়ে। ৱাৰ্ণাৰ শতকৰ পৰা বঞ্চিত হয় যদিও তেওঁক যোগ্য সহযোগ কৰা লাবুচেঙে ৯৫ ৰাণ কৰি দিনান্তত উইকেটত আছে। বেটিং কৰি আছে স্মিথে (১৮)ও। উল্লেখ্য যে অষ্ট্ৰেলিয়াই এছেজ শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰি শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছে। দলৰ আত্মবিশ্বাস তুংগত থকাৰ বিপৰীতে চাপত আছে ইংলণ্ড। উল্লেখ্য যে প্ৰথম টেষ্টত উভয় ইনিংছতে বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছিল ইংলণ্ড। পোনতে বেটিং কৰি ইংলণ্ডে মাত্ৰ ১৪৭ ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত, ঘৰুৱা দল অষ্ট্ৰেলিয়াই ৪২৫ ৰাণত প্ৰথম ইনিংছ সামৰি বৃহৎ অগ্ৰগতি লাভ কৰে। দ্বিতীয় ইনিংছত পুনৰ সমস্যাৰ সন্মুখিন হয় ইংলণ্ড আৰু দলে ২৯৭ ৰাণত ইনিংছ সামৰে। ফলত খেলৰ চতুৰ্থদিনাই ইংলণ্ডে দিয়া মাত্ৰ ২০ ৰাণৰ বিজয়লক্ষ্য অষ্ট্ৰেলিয়াই এটা উইকেট হেৰুৱাই পূৰ্ণ কৰে।



### পল্লৱ ফুকন ফুটবল

# গড়গাওঁ প্ৰশিক্ষণ কেন্দ্ৰ ফাইনেলত

**অগ্ৰদূত বাৰ্তা,**
**নাজিৰা, ১৬ ডিচেম্বৰ ঃ** গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত চলি থকা ৰাষ্ট্ৰীয় খেলুৱৈ পল্লৱ ফুকন সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে আয়োজক গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই। উল্লেখ্য যে আজি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ প্ৰথম ছেমিফাইনেল অনুষ্ঠিত হয়। গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই খেলে দিখৌ-দিচাং ফুটবল একাদশৰ বিৰুদ্ধে। পেনাল্টি গ'লৰ জড়িয়তে দিচাং ফুটবল একাদশক ১-০ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে পল্লৱ ফুকন সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আয়োজক গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই। উল্লেখ্য যে ইয়াৰপূৰ্বে গড়গাওঁ ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই ২-০ গলত পৰাস্ত কৰিছিল লাকুৱা ফুটবল একাদশক। আনহাতে, দিখৌ-দিচাং ফুটবল একাদশে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল চৰাইদেউ ফুটবল একাদশক।

### আন্তঃজিলা ভাৰোত্তোলন প্ৰতিযোগিতাৰ সামৰণি

# চৰাইদেউ-ধনশিৰি চেম্পিয়ন

**গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** অসম ভাৰোত্তোলন সন্থাৰ সহযোগত বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত হোৱা আন্তঃজিলা ভাৰোত্তোলন প্ৰতিযোগিতাৰ সামৰণি পৰিছে। উল্লেখ্য যে বিশ্বনাথ জিলা ক্ৰীড়া সন্থাই ভূপেন হাজৰিকা কলাক্ষেত্ৰত আয়োজন কৰিছিল ৰাজ্যিক ভাৰোত্তোলন প্ৰতিযোগিতাখন। উল্লেখ্য আন্তঃজিলা ভাৰোত্তোলন প্ৰতিযোগিতাত অংশ লয় অসম ভাৰোত্তোলন সন্থাৰ স্বীকৃতি লাভ কৰা জিলাৰ পুৰুষ-মহিলা প্ৰায় তিনিশ ভাৰোত্তোলকে। যুথ ল'ৰা-ছোৱালী তথা জুনিয়ৰ আৰু ছিনিয়ৰ পুৰুষ-মহিলাৰ খেল অনুষ্ঠিত হয় উক্ত আন্তঃজিলা ভাৰোত্তোলন প্ৰতিযোগিতা। পুৰুষ শাখাত চৰাইদেউ আৰু মহিলা শাখাত ধনশিৰি শ্ৰেষ্ঠ দল হয়। এই প্ৰতোগিতাৰ পৰাই ৰাষ্ট্ৰীয় প্ৰতোগিতাৰ বাবে অসম দল নিৰ্বাচন কৰা হ'ব বুলি কৈছে অসম ভাৰোত্তোলন সন্থাই।





### অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতা

# উদয়ন সংঘ, ক্ৰিকেট ক্লাব অব নাজিৰাৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, নাজিৰা, ১৬ ডিচেম্বৰ ঃ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি নাজিৰাত হোৱা মেচত উদয়ন সংঘই ১২৩ ৰাণত পৰাস্ত কৰে সেউজ সংঘক। পোনতে বেটিং কৰি উদয়ন সংঘই ২২৫-৮ ৰাণ কৰে। প্ৰত্যুত্তৰত, সেউজ সংঘই ১০২-১০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ইফালে, অন্য এখন মেচত নাজিৰা ক্ৰিকেট একাডেমীক ছয় উইকেটত পৰাস্ত কৰে ক্ৰিকেট ক্লাব অব নাজিৰা দলে। পোনতে বেটিং কৰি নাজিৰা ক্ৰিকেট একাডেমীয়ে ২২৮-৯ ৰাণ কৰে। প্ৰত্যুত্তৰত, ক্ৰিকেট ক্লাব অব নাজিৰা দলে ২২৯-৪ ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব ১০ লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ ২৮ জানুৱাৰীৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ ১২ দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব ১০ মাৰ্চৰ পৰা ১০ এপ্ৰিললৈ।



সোণাপুৰত সমৰকলাৰ প্ৰশিক্ষণ। ফটো ঃ অজিত দাস

## আৰ জি বৰুৱা ৰাজ্যিক ক্ৰিকেট

# যোৰহাট-ডিব্ৰুগড়ৰ জয়লাভ

**গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত আৰ জি বৰুৱা সোঁৱৰণি ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নেহৰু ষ্টেডিয়ামত হোৱা মেচত যোৰহাট জিলা দলে ১১৪ ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে মৰিগাঁও জিলা দলক। পোনতে বেটিং কৰি যোৰহাট জিলা দলে সাত উইকেট হেৰুৱাই ১৬৮ ৰাণ কৰে। প্ৰত্যুত্তৰত, মৰিগাঁও জিলা দলে মাত্ৰ ৫৪-১০ ৰাণ কৰি ইনিংছ সামৰে আৰু পৰাজয় স্বীকাৰ কৰে। ইফালে, আমিনগাঁও খেলপথাৰত আজি হোৱা মেচখনত ডিব্ৰুগড় জিলা দলে ৫২ ৰাণত পৰাস্ত কৰে গোলাঘাট জিলা দলক। পোনতে বেটিং কৰি ডিব্ৰুগড় জিলা দলে ১৩৬-১০ ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, গোলাঘাট জিলা দলে মাত্ৰ ৮৪-১০ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি পৰিব অহা ২১ ডিচেম্বৰত। এই প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব। ইতিমধ্যে গুৱাহাটী আৰু ধেমাজিয়ে চলিত আৰ জি বৰুৱা সোঁৱৰণি ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।



# সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছৰ কোৱাৰ্টাৰ ফাইনেল

**গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** গুৱাহাটীৰ উত্তৰ-পূৰ্ব টেনিছ ফাউণ্ডেছনত চলি থকা ৩১ সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাৰ আজি তৃতীয় দিনা অনুষ্ঠিত হয় প্ৰি-কোৱাৰ্টাৰ ফাইনেল। তিনিটা অঘটনৰ বাদে শীৰ্ষ বাছনিৰ সকলো খেলুৱৈ জয়ৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে আইটা জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখনত ল'ৰা-ছোৱালীৰ ১০ বছৰ অনূৰ্ধ শাখাৰ খেল হোৱাৰ লগতে ল'ৰাৰ ১২ বছৰ অনূৰ্ধ শাখা আৰু ১৪ বছৰ অনূৰ্ধ শাখাৰ খেল অনুষ্ঠিত হৈছে। ছয়দিন ধৰি চলিব লগা তথা উত্তৰ-পূৰ্ব টেনিছ ফাউণ্ডেছনত অনুষ্ঠিত হোৱা ৩১ সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাত ল'ৰাৰ বয়স শাখা তিনিটা হ'ল ১০, ১২, ১৪ আৰু ১৮ বছৰ অনূৰ্ধ তথা ছোৱালীৰ শাখা দুটা হ'ল ১০, ১৪ আৰু ১৮ বছৰ অনূৰ্ধ। অহা ১৯ ডিচেম্বৰলৈ চলিব আইটা জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখন। এই প্ৰতিযোগিতাৰ পাছতে শিৱসাগৰ টেনিছ ক্লাবত ২০-২৪ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব ১৯ সংখ্যক শিৱসাগৰ অ'পেন জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা। আনহাতে, অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি ২৫-৩০ ডিচেম্বৰলৈ যোৰহাট টেনিছ ক্লাবত অনুষ্ঠিত হ'ব ৩০ সংখ্যক যোৰহাট অ'পেন।

# আজাৰা বয়জ দলৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ১৬ ডিচেম্বৰ ঃ** ভি আই পি আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত চলি থকা অমৃত চৌধুৰী আৰু কুসুম চৌধুৰী সোঁৱৰণি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত আজাৰা বয়জ দলে জয়লাভ কৰিছে। আজিৰ খেলত আজাৰা বয়জ দলে ৪-১ গ'লত পৰাস্ত কৰে নংবাগ ফুটবল ক্লাবক।



১৫০ খন টেষ্ট খেলিলে ব্ৰডে

# ইলাইণ্ট ক্লাবৰ বিৰুদ্ধে ৰেডিয়েণ্ট স্প'ৰ্টছৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ১৬ ডিচেম্বৰ ঃ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি নগাঁৱৰ নৰুল আমিন ষ্টেডিয়ামত হোৱা মেচত ৰেডিয়েণ্ট স্পৰ্টছ ক্লাবে ন ৰাণত পৰাস্ত কৰে ইলাইণ্ট ক্লাবক। পোনতে বেটিং কৰি ৰেডিয়েণ্ট স্পৰ্টছ ক্লাবে ৯৩-১০ ৰাণ কৰে। প্ৰত্যুত্তৰত, ইলাইণ্ট ক্লাবে ৮৪-১০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ ল'ব। ৩১ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল ৪১ টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ ৪১ টা স্থানত অনুষ্ঠিত হ'ব। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা গড় ১০ টা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিব। আনহাতে, এই চাৰিশ ক্লাবৰ হৈ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ খেলিব এ চি এৰ পঞ্জিয়ন থকা প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰে।



# TOWARDS PEACEFUL, GREEN AND SMART BODOLAND

## CELEBRATING GLORIOUS ONE YEAR COMPLETION

## OF

# BODOLAND TERRITORIAL REGION GOVERNMENT


**Date : 18th December, 2021** **Venue : BTC Secretariat Field, Bodofa Nwgwr, Kokrajhar**

**Chief Guest**
**Dr. Himanta Biswa Sarma**
Hon'ble Chief Minister of Assam

**Special Guest**
**Smt. Darshana Vikram Jardosh**
Hon'ble Union Minister of State for Railways and Textiles

In the august presence of

**Sri Pramod Boro**
Hon'ble CEM, BTR



Sri Pramod Boro
Hon'ble CEM, BTR



Dr. Himanta Biswa Sarma
Hon'ble Chief Minister of Assam

## PROGRAMME

| | |
|---|---|
| 6:00 AM : | PLAYING OF PATRIOTIC SONGS THROUGH FLS |
| 7:00 AM : | FLORAL TRIBUTE TO THE CEMETERY OF BODOFA UPENDRA NATH BRAHMA AT THULUNGAPURI, DOTMA |
| 8:15 AM : | HOMAGE TO THE STATUE OF SUJIT NARZARY, FIRST MARTYR OF BODOLAND MOVEMENT AT BHATIPARA, KOKRAJHAR |
| 8:30 AM : | HOMAGE TO BODOLAND MARTYRS AT BODOLAND MARTYRS' CEMETERY, DEBARGAON |
| 9:00 AM : | HOISTING OF NATIONAL FLAG IN FRONT OF BTC ASSEMBLY BUILDING |
| 10:30 AM : | INAUGURATION OF NEWLY CONSTRUCTED IT PARK AT CHANDAMARI, KOKRAJHAR BY THE CHIEF GUEST |
| 11:00 AM : | FLORAL TRIBUTE TO THE STATUE OF BODOFA UPENDRA NATH BRAHMA IN FRONT OF BTC ASSEMBLY BUILDING |
| 11.30 AM : | PUBLIC MEETING AND LAUNCHING OF BODOLAND TEXTILE MISSION AND BODOLAND MILK MISSION |
| 4:00 PM : | CULTURAL NIGHT |

**ALL ARE CORDIALLY INVITED**

**I&PR, BTC**

IPR(BTC)-549/2021